Year of publication 1989

# ৰাম-নৱমী

গুণাভিৰাম বৰুৱা

# ৰামনৱমী নাটক

শ্ৰীগুণাভিৰাম শৰ্ম্মা
প্ৰণীত

সম্পাদনা
প্ৰসেনজিৎ চৌধুৰী

চেতনা প্ৰকাশ
ৰাজগড় : গুৱাহাটী-৭

Ram Nabami—a drama written by Gunaviram Barua and published by Chetana Prakash Rajgarh-7, July 1989. Price Rs. 20.00

চেতনা প্ৰকাশৰ হৈ
বিভা দেবীৰ দ্বাৰা প্ৰকাশিত

দাম—২০·০০ টকা

বেটুপাত—হৰকুমাৰ ডেকা

ছপা—বাণী প্ৰিণ্টাৰ্ছ,
বাজগড়, গুৱাহাটী-৭

শ্ৰীশ্ৰী শঃ

# ভূমিকা

ইংৰাজী ১৮৫৭ সনত ময় যেতিয়া কলিকাতাৰ পৰা আপোন মাতৃ ভূমিলৈ আহোঁ, বাটত এই ৰামনবমী নাটকখানি ৰচনা কৰিছিলোঁ। পাছত সময়ে সময়ে অৰুণোদয় সম্বাদপত্ৰত ই মুদ্ৰিত হইছিল। ময় ইয়াৰ সেই পৰ্য্যন্তই সীমা বুলি স্থিৰ কৰিছিলোঁ।

মোৰ প্ৰিয় পত্নী শ্ৰীমতী ব্ৰজসুন্দৰী দেৱীৰ এই ইচ্ছা আছিল যে, ৰামনবমী পুথিৰ আকাৰেৰে ওলায়। সেই দেখি মোক বাৰম্বাৰ অনুৰোধ কৰে। কিন্তু ময় সেই কথালৈ তেতিয়া কান নকৰিলোঁ। ইংৰাজী ১৮৬৭ সনত যেতিয়া ৰাজকাৰ্য্য উপলক্ষে নগাঁওৰ পৰা ধুবুৰীলৈ আহোঁ তেতিয়া ইয়াক ছাপিবলৈ মন কৰিছিলোঁ। কি ঈশ্বৰৰ ইচ্ছা! মোৰ পত্নী সেই সময়তে মৃত্যু হল। নানা কাৰণত থাকি সেই প্ৰিয় অনুৰোধ ইমান দিনলৈ পালিবলৈ নোৱাৰিছিলোঁ। এতিয়া ইয়াক মুদ্ৰাযন্ত্ৰলৈ পঠালোঁ। দুৰ্ভাগ্যৰ বিষয় এই যে, যি জন ইয়াক দেখি সন্তোষ পালেহেঁতেন সেইজন মোৰ ওচৰত নাই! তথাপি ভৰসা কৰোঁ আমাৰ দেশৰ লোকসকলে ইয়াক পঢ়িব। সেই হলেই ময় চৰিতাৰ্থতা লাভ কৰিম।

অৰুণোদয়ত যেনে ছপা হইছিল এতিয়া তাতকৈ অলপ লৰ চৰ হইছে। আৰু আমি যেনে ভাষাৰে সদায় কথা [১] বাৰ্ত্তা কঁও তাকেহে ইয়াত ব্যবহাৰ কৰা গইছে। এই ঘটনাটী গুৱাহাটীতে ঘটিছে এনে অনুমান কৰিব লাগে।

পৰিশেষত কৃতজ্ঞতাৰে স্বীকাৰ কৰোঁ যে আমাৰ প্ৰিয় বন্ধু শ্ৰীযুক্ত বাবু মাধবচন্দ্ৰ বৰদলই মহাশয়ে এই ৰামনবমী ছাপাৰ বিষয়ে বিস্তৰ সাহায্য কৰিছে। তেওঁৰ সহায়তাৰ নিমিত্তেহে বিদেশত ৰামনবমী মুদ্ৰিত হব পাৰিলে। ইতি

শ্ৰীগুণাভিৰাম শৰ্ম্মা। [২]

গুৱালপাৰা।

আষাঢ় ১৭৯২।

## ॥ সম্পাদকীয় ভূমিকা ॥

### ॥ পুনঃমুদ্রনৰ প্ৰয়োজনীয়তা ॥

পুনঃমুদ্ৰনে অন্ততঃ এটা ভাল কাম কৰে : পঁুথিভড়ালৰ প্ৰায়ান্ধকাৰ উপেক্ষিত চুকৰ পৰা পুৰণি সাহিত্যক লৈ আনে আলোকোজ্জল জনাকীৰ্ন বিপনিলৈ। পিছে সকলো পুৰণি সাহিত্য জানো পুনঃমুদ্ৰনযোগ্য ? নহয়। পুৰণি হলেই যে স্মৰনযোগ্য বা প্ৰয়োজনীয় সাহিত্য হব তেনে কোনো ধৰা বন্ধা কথা নাই। সাধাৰণতে পুনঃমুদ্ৰনৰ কাৰণে নিৰ্বাচন কৰোতে পুৰণি সাহিত্যৰ তিনিটা দিশৰ কথা বিবেচনা কৰা হয়— (১) ঐতিহাসিক গুৰুত্ব ; (২) সাহিত্যিক মূল্য ; (৩) সমসাময়িক প্ৰয়োজনীয়তা। সকলো পুনঃমুদ্ৰনযোগ্য সাহিত্যৰ বেলিকা এই তিনিওটা দিশৰ ওপৰত অৱশ্যে সমানে বা একেলগে গুৰুত্ব দিয়া সম্ভৱ নহয় বা তেনে প্ৰয়োজনও নাই। পিছে গুণাভিৰাম বৰুৱাৰ 'ৰাম নবমী নাটক'ৰ কথা সুকীয়া। উল্লেখিত তিনিওটা দিশৰ নিমিত্তে 'ৰামনবমী নাটক' আজিও প্ৰকাশযোগ্য। ১৮৫৭ চনত ৰচিত এই প্ৰথম অসমীয়া সামাজিক নাটকখনৰ ঐতিহাসিক গুৰুত্ব নিঃসন্দেহে সন্দেহাতীত। ক্ষেত্ৰবিশেষে কেতবোৰ দুৰ্বলতা থাকিলেও ইয়াক সাহিত্যিক মূল্যবিবৰ্জ্জিত বুলি কোৱাতো নিশ্চয় ন্যায়সঙ্গত আৰু নিৰপেক্ষ মূল্যায়ন নহব। আটাইতকৈ ডাঙৰ কথা হ'ল, সংস্কাৰধৰ্মী এই নাটকখনৰ সমসাময়িক প্ৰয়োজন অদ্যাবধি শেষ হৈ যোৱা নাই। কিয়নো, যি বৈধব্য সমস্যাক কেন্দ্ৰ কৰি 'ৰামনবমী নাটক'ৰ কাহিনীভাগ ৰচিত তাৰ নিৰ্মম গ্ৰাসৰ পৰা হিন্দু সমাজ আজিও মুক্ত হোৱা নাই। কেৱল সেয়ে নহয়, নিষ্ঠাবান হিন্দুহিচাপে স্বীকৃতি পাবলৈ বা সেইবুলি নিজকে জাহিৰ কৰিবলৈ অপেক্ষাকৃত ভাবে উদাৰ সমাজেও এই বৈধবাদৰ্শক প্ৰশ্ৰয় দিছে বুলি

ভবাৰ যথেষ্ট থল আছে। তদুপৰি, হিন্দু পুনৰুত্থানবাদৰ চেতনাৰ সাম্প্ৰতিক জাগৰণে এই বৈধবাদৰ্শৰ পীড়ণমূলক চৰিত্ৰক ঢাকি ৰাখি ইয়াক হিন্দু নাৰীৰ ত্যাগ, সংযম, সহিষ্ণুতা, পতিভক্তি, মহত্ব আদিৰ অভিব্যক্তি হিচাপে আত্মতৃপ্ত নিৰ্লিপ্ততাৰে গ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ প্ৰচেষ্টা পৰিলক্ষিত হৈছে।

এই সমকালীন সমস্যাসমূহৰ মতে প্ৰায় এশ ডেৰ কুৰি বছৰ আগতে বিৰচিত 'ৰামনবমী নাটক'ৰ পুনঃমুদ্ৰনৰ সম্পৰ্ক কি ? উনৈশ শতিকাৰ সংস্কাৰান্দোলনৰ ভৌগলিক, ধৰ্মীয়, সামাজিক, ৰাজনৈতিক আৰু পদ্ধতিগত সীমাবদ্ধতা থাকিলেও এটা কথা আমি বোধহয় নিৰ্দ্ধাৰ কৰ পাৰো: যিসকলে গোড়ামি আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে থিয় দিছে বা দিব বিচাৰিছে তেওঁলোকক কিছুমান ক্ষেত্ৰত উনৈশ শতিকাৰ সংস্কাৰান্দোলনে সীমিত অনুপ্ৰেৰণা দিবলৈ সক্ষম। এইফালৰপৰা চাবলৈ গলে হিন্দু সমাজৰ বিচাৰবিহীন আচাৰ আৰু নিৰ্দয় নীতি-নিয়মৰ অবলুপ্তি বিচৰাসকলৰ বাবে 'ৰামনবমী নাটক'ৰ গুৰুত্ব উপেক্ষনীয় নহয়। সামাজিক নিৰ্য্যাতন আৰু মনস্তাত্ত্বিক নিপীড়নক আওকান কৰি এই নাটকত সংস্কাৰক গুণাভিৰামে যি সদিচ্ছা সাহস আৰু আদৰ্শনিষ্ঠাৰে বৰ্ণ হিন্দু সমাজত সমাদৃত বৈধবাদৰ্শক সমালোচনা কৰিছিল তাৰ পৰা আজিও মধ্যশ্ৰেণীৰ বাক-সৰ্ব্বস্ব 'সংস্কাৰক' বা হিন্দু পুনৰুত্থানপন্থী 'আধুনিক' লোকে শিকিবলগীয়া কিছু কথা নিশ্চয় আছে। অন্য হাতেদি, উনৈশ শতিকাৰ সংস্কাৰান্দোলনৰ অন্তনিহিত দুৰ্ব্বলতাৰ আংশিক প্ৰতিফলন হিচাপেও 'ৰামনবমী নাটক'ৰ গুৰুত্ব অনস্বীকাৰ্য্য। কোৱা বাহুল্য যে মোহবশতঃ বা অজ্ঞাতাবশতঃ এই দুৰ্ব্বলতাসমূহৰ প্ৰতি চকু নিদিলে সুস্থ ভৱিষ্য গঢ়াৰ কামত অতীত ঐতিহ্যক সফলভাৱে ব্যৱহাৰ কৰাটো কোনোপধ্যেই সম্ভৱ নহয়।

## ॥ সংস্কাৰক গুণাভিৰাম ॥

নিৰ্মোহ ইতিহাস-চৰ্চাকাৰীসকলে এই মত পোষণ কৰে যে উনৈশ শতিকাৰ শিক্ষিত সমাজত প্ৰকৃত জাতীয়তাবাদী বুদ্ধিজীৱীৰ সংখ্যা আছিল

বৰ তাকৰ। তেওঁলোকৰ চিন্তা-চেতনা আছিল ঔপনিবেশিক শিক্ষাৰে পুষ্ঠ; তেওঁলোকৰ নিৰাপত্তা, প্ৰতিপত্তি তথা সাম্পদিক সমৃদ্ধি আছিল ঔপনিবেশিক শাসন-শোষণৰ সৈতে যুক্ত। স্বাভাৱিকতে এইচাম লোক প্ৰত্যক্ষ বা পৰোক্ষ-ভাৱে বৃটিছ-নিৰ্ভৰ হৈ পৰিছিল। পিছে ইয়াৰ অৰ্থ এইটো নহয় যে এই শিক্ষিত সমাজৰ অগ্ৰণী অংশত স্বদেশানুৰাগী লোকৰ অভাৱ আছিল। বিদ্যাসাগৰ, অক্ষয়কুমাৰ দত্ত, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিৰ চিন্তা আৰু কীৰ্তিসমূহ আলোচনা কৰিলে কথাটো পৰিস্কাৰ হব। লক্ষণীয় এই বুদ্ধিজীৱী গোষ্ঠীৰ স্বদেশানুৰাগ সকলো সময়তে সমধৰ্মী নাছিল— তেওঁলোকৰ স্বদেশানুৰাগৰ মাজত দেখা যায় বিভিন্ন ধাৰাৰ সংঘাত আৰু সমন্বয়। উনৈশ শতিকাৰ এই ঔপনিবেশিক স্বদেশানুৰাগৰ প্ৰধান ধাৰা কেইটা আমি এই ধৰণে ভগাব পাৰো:

স্বদেশানুৰাগ

আত্মসমালোচনামূলক
(ধৰ্মীয়, ধৰ্ম-নিৰপেক্ষ
ইত্যাদি)

আত্মপ্ৰতিষ্ঠামূলক
(ভাষিক, সাংস্কৃতিক, বাণিজ্যিক,
সামাজিক, ৰাজনৈতিক ইত্যাদি)

আত্মআৱিষ্কাৰমূলক
(আত্ম-শক্তিৰ সন্ধান, ঐতিহ্য-চৰ্চা ইত্যাদি)

সংস্কাৰকসকলৰ মাজত স্বদেশানুৰাগৰ আত্মসমালোচনা-মূলক ধাৰাটোৰ প্ৰাধান্য বেছি। তেওঁলোকৰ সমালোচনাৰ অন্যতম প্ৰধান লক্ষ্য আছিল দেশীয় সমাজৰ—বিশেষকৈ গোড়া হিন্দু সমাজৰ—কেতবোৰ যুক্তি-হননকাৰী আৰু মানৱতা বিৰোধী নীতি নিয়ম। এই ক্ষেত্ৰত তেওঁলোকৰ অনুপ্ৰেৰণাৰ প্ৰধান উৎস আছিল পশ্চাত্য শিক্ষা-সংস্কৃতিৰ প্ৰভাৱ মিছনেৰীৰ সমালোচনা আৰু উৎসাহ, আত্মোন্নতিৰ আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ আত্মচৰ্চা আৰু বৃটিছ ভাৰতৰ

নতুন আৰ্থ সামাজিক পৰিস্থিতিৰ লগত নিজকে খাপ খুওৱাৰ আগ্ৰহ। অসমৰ সংস্কাৰধৰ্মী স্বদেশানুৰাগী লোকসকলৰ সংস্কাৰাগ্ৰহৰ অন্য এটি উৎস আছিল বংগদেশৰ সংস্কাৰান্দোলনৰ প্ৰেৰণা আৰু প্ৰভাৱ।

একঅৰ্থত গুণাভিৰাম বৰুৱাৰ 'ৰামনবমী নাটক' আত্মসমালোচনামূলক স্বদেশানুৰাগৰ এক স্মৰণীয় দৃষ্টান্ত। আনন্দৰাম ঢেকিয়াল ফুকনৰ ঘনিষ্ঠ সান্নিধ্যত থকা গুণাভিৰামে নিশ্চয় অতি কম বয়সৰ পৰাই উন্নত চিন্তাৰ মোল বুজিব পৰা হৈছিল সংস্কাৰমুখী চিন্তা-চৰ্চ্চাৰ স্নায়ুকেন্দ্ৰ **কলিকতাত** থকা কালচোৱাত ন ন চিন্তাৰ দ্বাৰা যে গুণাভিৰামৰ চেতনা উদ্‌বুদ্ধ আৰু উদ্দীপ্ত হৈছিল। সেই বিষয়েও সন্দেহৰ অকনো থল নাই। ১৮৫৬ চনৰ শেষ ভাগত কলিকতাত অনুষ্ঠিত দুখন বিধবা বিবাহৰ বিৱৰণ দি 'অৰুণোদই'ৰ ( ১ জানুৱাৰী, ১৮৫৭ ) পাতত গুণাভিৰামে লিখিছিল :

হে সম্পাদক চাহাব, আমি সৰ্বতিকালে বিধৱা-বিবাহ যে ভাল, এনে কিৰ্তন কৰি থাকোঁ। যোৱা ৰাতিৰ পৰা আমাৰ ভাৰতবৰিষত এক নতুন অব্দ অৰ্থাৎ সকঁ চলিব পাই। কিয়নো কোনো প্ৰধান ঘটনাৰ পৰাহে সকঁ চলে। এতেকে এই ঘটনা ইমান কুসংস্কাৰ ঠেলি থোৱাৰ বাবে আমি এটা নতুন সকঁ চলাব খোজো। এক [ এই ? ] সকঁৰ নাম বিধৱা বিবাহাব্দা :। ১

১। যতীন্দ্ৰনাথ গোস্বামী, **অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা,** গুৱাহাটী, ১৯৮৫, পৃ : ৬৯ হৰিশচন্দ্ৰ ভট্টাচাৰ্য্যই লিখিছে যে কলিকতাত থাকোতে গুনাভিৰামে বিদ্যাসাগৰৰ পুতেকৰ বিয়াত যোগ দিয়ে আৰু এইখনেই আছিল প্ৰথম বিধৱা বিবাহ (হৰিশচন্দ্ৰ ভট্টাচাৰ্য্য, **অসমীয়া নাট্য সাহিত্যৰ জিলিঙণি,** গুৱাহাটী, ১৯৮৮, পৃঃ ১২৪) এই তথ্য সঠিক নহয়। বিদ্যাসাগৰ—আয়োজিত প্ৰথম বিধৱা বিবাহ খনত গুণাভিৰাম উপস্থিত থকাৰ কথা পোৱা যায়। (যোগেন্দ্ৰ নাৰায়ণ ভূঞা সম্পাদিত, **জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী,** যোৰহাট, ১৯৮১, পৃ : ১৫৯ ) পিছে এইখন বিদ্যাসাগৰৰ পুতেকৰ বিয়া নাছিল।

একেশ্বৰবাদ আৰু উদাৰনৈতিক চিন্তাৰ বোল সানি হিন্দুধৰ্মৰ সংস্কাৰ সাধিব বিচৰা ব্ৰাহ্ম-আন্দোলনৰ দ্বাৰাও গুনাভিৰাম অনুপ্ৰানিত আৰু প্ৰভাৱিত হৈছিল। তেওঁৰ নিজৰ স্বীকাৰোক্তি মতেই: 'যেতিয়া তেওঁ [ গুনাভিৰাম ] কলিকতাত থাকে তেতিয়াই তেওঁৰ মন ব্ৰাহ্মধৰ্মৰ প্ৰতি ভালকৈ গৈছিল ........। ২ পণ্ডিতসকলৰ মতে এই ব্ৰাহ্মসকলেই আছিল উনৈশ শতিকাৰ সংস্কাৰান্দোলনৰ বাটকটীয়া আৰু গুৰিধৰোঁতা। ৩ সন্দেহ নাই, বিদ্যাসাগৰ আৰু এই ব্ৰাহ্ম-আন্দোলনে গুনাভিৰামৰ উৰ্ব্বৰ চেতনাত সিঁচি দিছিল সংস্কাৰাগ্ৰহৰ সম্ভাৱনাময় বীজ। অসমৰমাটিত উপযুক্ত ৰদ-পানী নোপোৱাৰ বাবেই 'এই বীজ পূৰ্ণ আত্মৱিকাশৰ সুযোগ নেপালে বুলি কলে বোধহয় ভূল কোৱা নহব।

গুণাভিৰামৰ সংস্কাৰ চিন্তাক এচাম পণ্ডিতে আওকাণ কৰা বা তাৰ সামাজিক তাৎপৰ্য্যৰ ওপৰত যথাযথ গুৰুত্ব নিদিয়া দেখা যায়। এনে মনোভাৱৰ লগত ৰক্ষণশীল ধ্যান ধাৰণাৰ সম্পৰ্ক নথকা নহয়, যদিও এই সম্পৰ্ক সকলো ক্ষেত্ৰত সচেতন বা প্ৰত্যেক্ষ নহবও পাৰে। দৃষ্টান্ত হিচাপে আমি হেমচন্দ্ৰ গোস্বামীৰ '৺গুণাভিৰাম বৰুৱা' শীৰ্ষক নিবন্ধটো উল্লেখ কৰিব পাৰো। ৪ গোস্বামী ডাঙৰীয়াই এই নিবন্ধটোৰ কতো উল্লেখ কৰা নাই যে গুণাভিৰাম ৰিধবা বিবাহৰ সোচ্চাৰ সমৰ্থক আছিল আৰু প্ৰথম পত্নীৰ মৃত্যুৰ পাছত তেওঁ এগৰাকী বিধৱাক বিয়া কৰাইছিল। গুণাভিৰামৰ ব্ৰাহ্মধৰ্মনুৰাগ আৰু পৰৱৰ্তীকালত সেই ধৰ্মত দীক্ষিত হোৱাৰ খবৰও নিবন্ধটিত

---

২। গুণাভিৰাম বৰুৱা, **আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ,** গুৱাহাটী, ১৯৭১, পৃঃ ১৭৬

৩। **D. Kopf, the Brahmo Samaj and the Shaping of Modern Indian Mind, Princeton. 1979, PXIII,**

৪। বেণুধৰ শৰ্মা সম্পাদিত, **হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী,** যোৰহাট, ১৯৭২, পৃঃ ৪৬০-৪৬২

নাই। খুব সম্ভৱ গোস্বামী ডাঙৰীয়াই গুণাভিৰামৰ আত্মসমালোচনামূলক স্বদেশানুৰাগৰ ওপৰত বিশেষ গুৰুত্ব দিব বিচৰা নাছিল, কিয়নো তেখেতৰ নিজৰ স্বদেশানুৰাগত আত্মআবিস্কাৰমূলক আৰু আত্মপ্রতিষ্ঠা মূলক বাধা দুটাৰ প্রাবল্য আছিল বেছি। প্রায় সমগোত্রীয় মনোভাৱ আমি তীর্থ শর্ম্মাৰ ৰচনাতো পাওঁ। 'ৰাম নৱমী নাটক'ৰ সুপাঠ্য 'ভূমিকা'ত শর্মা ডাঙৰীয়াই গুণাভিৰামৰ ব্রাহ্মধর্ম-গ্রহনৰ সন্দর্ভত এটি আনুমানিক বাখ্যাৰ আভাস দিছে। এই ব্যাখ্যাৰ সহজ আৰু পোনপেটিয়া অর্থ এই প্রকাৰ : সনাতন হিন্দু বিশ্বাসৰ লগত গুণাভিৰামৰ বিৰোধ নাই, ব্রাহ্মধর্ম গ্রহন দৰাচলতে তেওঁৰ সংস্কাৰ মুখীনতাৰ ধর্মনৈতিক প্রতিফলন নহয়। শর্মা ডাঙৰীয়াৰ অনুমান মতে 'ধর্ম-বিশ্বাসৰ পৰিবর্তন'তকৈ 'সামাজিক প্রয়োজন'ৰ লগত গুণাভিৰামৰ ব্রাহ্মধর্ম-বিলম্বনৰ সম্পর্ক বেছি, কাৰণ 'বিধবা-বিবাহ কৰি সেই সময়ৰ ব্রাহ্মণ পৰিয়াল আৰু সমাজত সসম্মানে আৰু নির্বিৰোধে বাস কৰা গুণাভিৰামৰ নিচিনা মর্য্যদাপ্রৱন পুৰুষৰ সম্ভৱ নহৈছিল। ·· ব্রাহ্মধর্ম গ্রহণৰ গুৰি কথাও এই খিনিতে যেনেহে লাগে। ৫ এই ব্যাখ্যা কিন্তু তথ্য-সমর্থিত নহয়। কাৰণ

৫। তীর্থনাথ শর্ম্মাৰ ভূমিকা, পৰিশিষ্টত — জীৱনৰ শেহ ছোৱা গুণাভিৰামে কলিকতাত কটাইছিল। এই সন্দর্ভত শর্ম্মা ডাঙৰীয়াই লিখিছে ; 'সমাজৰ পীড়ণত অতীষ্ঠ হৈ নহয়, স্বেচ্ছাই [ গুনাভিৰামে ] এই পন্থা গ্রহণ কৰিছিল। 'স্বেচ্ছাই' শব্দটোৱে এই ক্ষেত্রত কিছু বিভ্রান্তিৰ সৃষ্টি কৰিব পাৰে, কিয়নো ৰক্ষণশীল সমাজৰ পীড়ণৰ আশংকা গুণাভিৰামৰ অসম-ত্যাগৰ এটা প্রধান কাৰণ বুলি আমি জ্ঞানাদিভিৰাম বৰুৱাৰ ৰচনাৰ পৰা জানিব পাৰোঁ। তেওঁ লিখিছে : "এই কাৰণত [ অর্থাৎ গুণাভিৰামে বিধবা বিবাহ কৰাৰ কাৰণে ] আৰু ব্রাহ্ম হোৱাৰ কাৰণে আসামৰ মানুহে আমাক তেওঁলোকতকৈ অলপ যেন আমি বেলেগ, এনে ভাবিছিল। এই দেখিয়েই পেনশ্যান লৈ দেউতাই নগাৱত থাকিবলৈ ভাল নেপাইছিল।" (যোগেন্দ্রনাৰায়ণ ভূঞা সম্পাদিত, পূর্বোক্ত গ্রন্থ, পৃঃ ১৫৯ ) গুণাভিৰামে 'স্বেচ্ছাই' কলিকতালৈ গৈছিল বুলি কলে ৰক্ষণশীল অসমীয়া সমাজৰ সামাজিক চৰিত্রক আওকাণ কৰা হয়।

১৮৬৯ চনত ধুবুৰীৰ প্ৰকাশ্যে ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰাৰ পাছতহে তেওঁ ১৮৭০ চনত বিধবা বিষ্ণুপ্ৰিয়া দেৱীক বিয়া কৰায়। তত্নুপৰি ছাত্ৰবস্থাতেই যে গুণাভিৰাম ব্ৰাহ্মধৰ্মৰ প্ৰতি বাৰুকৈয়ে আকৃষ্ট হৈছিল তাৰ সাক্ষ্য তেওঁৰ নিজৰ লিখনিতেই আছে। তেওঁৰ ব্ৰাহ্মধৰ্ম গ্ৰহণ আছিল এই আকৰ্ষণৰেই যৌক্তিক পৰিণতি।

## ॥ প্ৰেৰণাৰ অন্যতম উৎস বিদ্যাসাগৰ ॥

গুণাভিৰামৰ পুত্ৰ জ্ঞানদাভিৰাম বৰুৱাৰ স্মৃতিকথা মূলক লিখনিৰ পৰা জানিব পাৰি যে বিদ্যাসাগৰে আয়োজন কৰা প্ৰথম বিধবা বিবাহখনত গুণাভিৰাম উপস্থিত আছিল আৰু 'তেতিয়াৰ পৰাই দেউতা বিধবা বিবাহৰ পক্ষপাতী'।৬ ইয়াৰ পাছতেই কলিকতাৰ আন্দোলন আলোড়নৰ প্ৰত্যক্ষ সান্নিধ্য আৰু প্ৰেৰণা পোৱাৰ পাছতেই গুণাভিৰামে অসমলৈ অহাৰ পথত লিখিছিল 'ৰামনৱমী নাটক' (১৮৫৭) সেই কালত কলিকতাতো বিদ্যাসাগৰীয় সংস্কাৰৰ দ্বাৰা উদ্বুদ্ধ হৈ দুই এজনে নাটক লিখাৰ কথা পোৱা যায়। এনে এখন নাটক হ'ল উমেশ মিত্ৰৰ দ্বাৰা বিৰচিত 'বিধবা বিবাহ নাটক' (১৮৫৬)। সুকুমাৰ সেনৰ মতে এই নাটকখনে গুণাভিৰামক প্ৰেৰণা দিছিল 'ৰামনৱমী নাটক' লিখাৰ বাবে।৭ উমেশ মিত্ৰৰ নাটকখন পঢ়াৰ সুযোগ আমি পোৱা নাই। গতিকে এই বিষয়ে ডাঠি কোনো কথা কোৱা নাযায়। তথাপি 'ৰামনৱমী নাটক' আৰু 'বিধবা বিবাহ নাটক'ৰ দুটা সমধৰ্মী বৈশিষ্ট্য আমাৰ বাবে প্ৰণিধানযোগ্য: (১) 'ৰামনৱমী'ৰদৰে উমেশ মিত্ৰৰ

৬। উক্ত গ্ৰন্থ, পৃঃ ১৫৯। বিদ্যাসাগৰৰ মৃত্যুৰ খবৰ পাই গুণাভিৰামে 'কিছু পৰ মৌন হৈ থকাৰ' কথা জ্ঞানাদিভিৰামে লিখিছে। (উক্ত গ্ৰন্থ) গুণাভিৰামে "বিজুলী" আলোচনীত "গুৰু দত্ত" ছদ্ম নামেৰে "ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ বৈকুণ্ঠ প্ৰয়াণত ভাৰত বিলাপ' নামে এটি কবিতা লিখিছিল।

৭। নগেন শইকীয়া সম্পাদিত, আসাম বন্ধু, গুৱাহাটী, ১৯৮৪, পৃঃ ১৯ (পাদটীকা)

নাটকখনতো নায়িকাৰ মৃত্যু হয় আৰু দুয়ো ক্ষেত্রতেই মৃত্যুকালীন সংলাপ যথেষ্ঠ দীঘল আৰু নাট্যকাৰৰ উদ্দেশ্য সিদ্ধিৰ প্রয়োজনত ৰচিত; (২) দুয়োখন নাটকতেই বিদ্যাসাগৰৰ যুক্তিৰ পোণপেটিয়া ব্যৱহাৰ লক্ষ্য কৰা যায়। ৮

প্রশ্ন হল : প্রভাৱিত আৰু অনুপ্রানিত হোৱাৰ কথা স্বকীয়া, কিন্তু গুণাভিৰামে তেওঁৰ নাটকত জানো বিদ্যাসাগৰৰ যুক্তিৰ পোণপেটিয়া ব্যৱহাৰ কৰিছিল ? গুণাভিৰামৰ যুক্তি বিন্যাস বিদ্যাসাগৰৰ ওচৰত কি পৰিমাণে ঋণী তাৰ স্বৰূপ বুজিবলৈ আমি বিদ্যাসাগৰৰ ৰচনাৰ নিৰ্ব্বাচিত কিছু অংশৰ লগত গুণাভিৰামৰ নাটকৰ কেতবোৰ অংশ ৰিজাই চাব পাৰো : ৯

---

৮। উমেশ মিত্ৰৰ নাটকৰ বৈশিষ্ট্যৰ বাবে দ্রষ্টব্য—স্বপন বসু, **বাংলায় নবচেতনাৰ ইতিহাস,** কলিকতা, ১৯৮৫, পৃঃ ২৭৮-২৭৯ বিধবা বিবাহৰ সমৰ্থনত কেশৱচন্দ্র সেনে এখন নাটক লিখিছিল। সেই নাটকতো গোপন প্রেম আৰু বিধবা নায়িকাৰ আত্মহত্যাৰ ঘটনা আছে। ১৮৫৯ চনত নাটকখন মঞ্চস্থ হয় (S. Tattrabhusan, Social Reform in Bengal Calcutta, 1989, P 124)

৯। বিদ্যাসাগৰৰ ৰচনাৰ বাবে দ্রষ্টব্য—অশ্রু কুমাৰ সিকদাৰ, দেবেশ ৰায় সম্পাদিত, বিদ্যাসাগৰ—নিৰ্ব্বাচিত ৰচনা : সাহিত্য ও সমাজ জলপাইগুড়ি, ১৯৭১ ('সমাজ' শীৰ্ষক বিভাগ)। পৃষ্ঠা সংখ্যা উদ্ধৃতিৰ শেহত দিয়া হৈছে। 'ৰামনৱমী নাটক'ৰ উদ্ধৃতিসমূহৰ শেহতো পৃষ্ঠা সংখ্যা দিয়া হৈছে। দ্রষ্টব্য, যতীন মোহন ভট্টাচাৰ্য্য সম্পাদিত পূৰ্বোক্ত সংস্কৰণ। (ইয়াৰ পাছত ৰামনৱমী' বুলি সংক্ষেপে উল্লেখ কৰা হব।)

| বিদ্যাসাগৰৰ ৰচনাৰ পৰা | 'ৰামনৱমী নাটক'ৰ পৰা |
|---|---|
| পরাশর কলিযুগের বিধবাদিগের পক্ষে তিন বিধি দিয়াছেন, বিবাহ, ব্রহ্মচর্য, সহগমন। তন্মধ্যে রাজকীয় আদেশ ক্রমে, সহগমনের প্রথা রহিত হইয়া গিয়াছে। .. কলিযুগে ব্রহ্মচর্য অবলম্বন করিয়া, দেহযাত্রা, নির্বাহ করা বিধবাদিগের পক্ষে অত্যন্ত কঠিন হইয়া উঠিয়াছে। (পৃঃ ৪৬) | বিধবা বিবাহৰ মত বহু কালৰ পৰা আছে। পৰাশৰ মুনিৰ বচন আছে। প্ৰথম সহমৰন; দ্বিতীয় ব্ৰহ্মচাৰ্য; তৃতীয় বিবাহ। সহমৰণতো এতিয়া হবই নোৱাৰে। ব্ৰহ্মচাৰ্য ব্ৰত কৰি থাকাও অতিশয় কঠিন। (পৃঃ ৫০) |
| যাবৎ এই শুভকরী প্রথা [বিধবা বিবাহ] প্রচলিত না হইতেছে, তাবৎ ব্যভিচার দোষের ও ভ্রূণহত্যা পাপের স্রোত, কলঙ্কের প্রবাহ উত্তরোত্তর প্রবল হইতেই থাকিবেক। (পৃঃ ৪৯) | ভ্ৰূণহত্যা ব্যভিচাৰ দোষ গুপুত প্ৰেমৰ অসন্তোষ<br>আৰু নানাৰূপ পাপ সকলো হইব নিঃশেষ (পৃঃ ৭৩) |
| অনুসন্ধান করিয়া দেখিলে, আমাদের দেশের আচার পদে পদে পরিবর্তিত হইয়া আসিয়াছে বস্তুতঃ, ক্রমে ক্রমে, আচারের এত পরিবর্তন হইয়াছে যে ভারতবর্ষের ইদানীন্তম লোক, পূর্বতন লোকদিগের সন্তান পরম্পরা এরূপ প্রতীতি হওয়া অসম্ভব। (পৃঃ ৫৩) | দেশাচাৰ নো কি? ইনো লৰ হোৱা নাই নে? সৰহৰ কথায় নকওঁ, আমাৰ পিতামহৰ দিনর দেখাচার আৰু এতিয়ার দেশাচাৰ কিমান লৰচৰ চোৱাচোন। দেশাচাৰ এনে গম নোপোৱাকৈ লৰ হব লাগিছে যে কবৰ ঠাই নাই। [পৃঃ ৫০] |

'ৰামনৱমী নাটক'ত বিদ্যাসাগৰৰ কথা পোনপেটিয়াকৈ উল্লেখ কৰাৰ দৃষ্টান্তও আছে। গোপন প্ৰেমৰ ফলস্বৰূপে নৱমী অন্তঃসত্বা হোৱাৰ পাছত মাকে কৈছে: 'কলিকতাত হুনু কোনোবা ঈশ্বৰ বিদ্যাসাগৰে কিবা এবিধ

মত উলিয়াছে আৰু তাক দেখি হুনু আমাৰ ইয়াতে কোনো কোনো মানুহে সেই মত চলাবলৈ যতন কৰিছে। তাকে কৰা হলেনো এনে কেলেই হব! ১০ অৰ্থাৎ বিদ্যাসাগৰ সমৰ্থিত বিধবা বিবাহৰ ব্যৱস্থা থকাহেতেনে। নবমীৰ চৰিত্ৰত গোপন প্ৰেমৰ চেকা নপৰিলহেতেন। 'ৰাম নবমী নাটক'ৰ শেহত গোসাঁয়ে দেখা সপোনত গুণাভিৰাম স্বয়ং বিদ্যাসাগৰৰ আৱিৰ্ভাব ঘটাইছে এজন 'আদ বয়সীয়া বঙ্গালি বামুণ, হিচাপে। ১১ ই বিদ্যাসাগৰৰ সংস্কাৰ প্ৰয়াসৰ সশ্ৰদ্ধ স্বীকৃতিৰ বাহিৰে আন একো নহয়। বিদ্যাসাগৰৰ প্ৰেৰণা বিষয়ক এই আলোচনা প্ৰসংগত আমি আৰু এটা চিত্তাকৰ্ষক কথা উল্লেখ কৰা অপ্ৰাসাংগিক নহব। "ৰামনবমী নাটক'ৰ পাতনিত গুণাভিৰামে নিজৰ উপাধি 'শৰ্ম্মা' বুলি লিখিছে। এই উপাধি পৰিবৰ্ত্তনৰ নেপথ্যত বিধবা-বিবাহ বিষয়ক পুস্তিকাত থকা 'ঈশ্বৰ চন্দ্ৰ শৰ্ম্মা।" নামটোৰ উপাধি অনুকৰণ কৰাৰ কিবা আগ্ৰহ আছেনেকি? ১২

১০ **'ৰামনবমী'** পৃ ৫৯, লক্ষণীয় যে 'ৰামনবমী নাটক'ত বিধবা বিবাহ সংক্ৰান্তীয় আইনখনৰ কথা গুণাভিৰামে এবাৰো উল্লেখ কৰা নাই। বিদ্যাসাগৰে কিন্তু এই আইনৰ কাৰণে যথেষ্ট যুঁজ দিবলগীয়া হৈছিল। হয়তো আইন-নিৰ্ভৰ সংস্কাৰতকৈ শাস্ত্ৰ-নিৰ্ভৰ সংস্কাৰৰ প্ৰতি গুণাভিৰামৰ সমৰ্থন আৰু আকৰ্ষণ আছিল বেছি।

১১ উক্ত গ্ৰন্থ, পৃ ৭১-৭২। ডিম্বেশ্বৰ নেওগৰ এখন তথ্য সমৃদ্ধ কিতাপত গোসাইৰ সপোনৰ বিৱৰণ ভুলকৈ দিয়া হৈছে। গোসাঁনীক 'মোৰ গাত এই বিলাক খোচ দেখা নাইনে' বুলি কোৱা ব্ৰাহ্মণজন বিদ্যাসাগৰ নহয়, পৰাশৰহে। নেওগ ডাঙৰীয়াই ব্ৰাহ্মণ গৰাকায়ে কোৱা বুলি যিখিনি কথা লিখিছে তাৰলগতো মূল নাটকৰ পাৰ্থক্য চকুত পৰে। ডিম্বেশ্বৰ নেওগ, **নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী** গুৱাহাটী, ১৯৬৪, পৃ ৩০১)

১২ এই প্ৰকাৰ শ্ৰদ্ধাপ্ৰসূত অনুকৰণৰ পৰা বোধহয় হেমচন্দ্ৰ বৰুৱাও মুক্ত নাছিল। 'আদি পাঠ ৰচোতাৰ নাম হেমশৰ্ম্মা দেবশৰ্ম্মা। এই বিষয়ত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ তেওঁৰ আৰ্হি যেন লাগে।' (যতীন্দ্ৰনাথ গোস্বামী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৬)

এইখিনিতে আমি উল্লেখ কৰা উচিত হব যে গুণাভিৰামৰ বাহিৰেও উনৈশ শতিকাৰ অন্যান্য দুই এজন অসমীয়া বুদ্ধিজীৱীও বিদ্যাসাগৰৰ সংস্কাৰাদৰ্শৰ দ্বাৰা উদ্বুদ্ধ আৰু উৎসাহিত হৈছিল। হেমচন্দ্ৰ বৰুৱা আছিল এওঁলোকৰ ভিতৰত অন্যতম। ১৩ এই সম্পৰ্কে বিতং আলোচনালৈ নগৈ আমি ভোলানাথ দাসৰ কৱিতা এফাঁকি প্ৰসংগতঃ উদ্ধৃত কৰিব পাৰোঁ:

ঈশ্বৰ কৃপাৰ বলে জনমি ভাৰত স্থলে
'ঈশ্বৰ পীযুষকৰ বিধবাৰ বন্ধু
প্ৰদৰ্শাই নানা যুক্তি বাহিৰ কৰিছে বিধি
বিধবা বিবাহ ৰীতি প্ৰচলন হেতু ॥ ১৪

## ॥ 'ৰামনৱমী নাটক আৰু অন্ধবিশ্বাস বিৰোধিতা ॥

তীৰ্থ শৰ্ম্মাই 'ৰামনৱমী নাটক'ৰ ভূমিকাত লিখিছে: 'হিন্দুজীৱনৰ আচাৰ-নীতি ধৰ্ম্ম কৰ্ম্মৰ প্ৰতি তেওঁৰ [ গুণাভিৰামৰ ] বিৰাগ আছিল। বুলি মনে নধৰে। বহুত ক্ষেত্ৰত আস্থা থকাৰহে প্ৰমাণ পাওঁ। ১৫ আস্থা থকাৰ প্ৰমাণ হিচাপে শৰ্ম্মা ডাঙৰীয়াই যিটো দৃষ্টান্ত দাঙি ধৰিছে তাতকৈ

১৩ উক্ত গ্ৰন্থ, পৃ: ৬৮ যতীন্দ্ৰনাথ গোস্বামীয়ে লিখিছে যে হেমচন্দ্ৰ বৰুৱা কেৱল বিধবা বিবাহৰ সমৰ্থকেই নাছিল, 'ব্যক্তিগত জীৱনত তেওঁ তাৰ আৰ্হি দেখুৱালে। ( উক্ত গ্ৰন্থ, পৃ: ৬৬ ) হেমচন্দ্ৰই নহয়, গুণাভিৰামেহে আৰ্হি দেখুৱাইছিল ব্যক্তিগত জীৱনত।

১৪ অতুলচন্দ্ৰ বৰুৱা সম্পাদিত, **ভোলানাথ দাস ৰচনাৱলী** গুৱাহাটী ১৯৭৭ পৃঃ ৯৯ পদ্মনাথ গোহাঞি বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মচৰিততো বিদ্যাসাগৰ সম্পৰ্কে সশ্ৰদ্ধ উল্লেখ পাওঁ। ( পদ্মনাথ গোহাঞি বৰুৱা, **মোৰ সোঁৱৰণী**, ১৯৭১, পৃ: ৩০, লক্ষ্মীনাথ বেজবৰুৱা, **মোৰ জীৱনসোঁৱৰণ** যোৰহাট, ১৯৭২, পৃ: ৪৮ )

১৫ ৰামনৱমী পৃ ৫ ( ভূমিকা )

পোনপেটিয়া আৰু বিশ্বাসযোগ্য দৃষ্টান্ত গুণাভিৰামৰ জীৱনত পোৱা যায়। যেনে, এবাৰ তেওঁ কৈছিল : 'মই যিকেইদিন জীয়াই থাকোঁ, ঘৰৰ বামুনেই ৰান্ধিব।' ১৬ ব্ৰাহ্মণ্য পৰম্পৰাৰ প্ৰতি ব্ৰাহ্ম গুণাভিৰামৰ এই আনুগত্যই পিছে তেওঁৰ আদৰ্শ তথা আচৰণৰ স্ববিৰোধিতাৰহে পৰিচয় দিয়ে। ই তেওঁৰ সংস্কাৰাদৰ্শৰ সামগ্ৰিক স্বৰূপ আৰু চৰিত্ৰক প্ৰতিনিধিত্ব কৰা বুলি ভাবিলে ভুল কৰা হব বুলিয়েই আমাৰ ধাৰণা। 'ৰামনবমী নাটক'ত গুণাভিৰামে উচ্চ বৰ্ণ হিন্দু সমাজত বহুলভাবে সমাদৃত আৰু অনুসৃত বিশেষ এটা 'আচাৰ নীতি'ক— বৈধব্যাদৰ্শ নামক অন্ধবিশ্বাসক—সমালোচনা কৰিছে কোনো লুকধাক নোহোৱাকৈ। ই অৱশ্যেই হিন্দু সমাজৰ বিচাৰ বিহীন নীতিৰ প্ৰতি তেওঁৰ 'বিৰাগ'ৰ অভিব্যক্তি। বিচাৰ বিশ্লেষণ কৰি চালে 'ৰামনবমী নাটক'ত এই প্ৰকাৰ অন্ধবিশ্বাস বিৰোধিতাৰ আৰু নমুনা পোৱা যাব। আমাৰ সৰহভাগ লেখক সমালোচকে নাটকখনৰ এই দিশটোক আওকাণ কৰা বা তাৰ ওপৰত উপযুক্ত গুৰুত্ব নিদিয়া বুলি ধাৰণা হয়।

হিন্দুসকলৰ প্ৰচলিত বিশ্বাস অনুযায়ী তীৰ্থযাত্ৰাৰ সুফল সন্দেহাতীত। এই বিশ্বাসৰ—বশবৰ্তী হৈ আজিও লক্ষ লক্ষ হিন্দুৱে তীৰ্থযাত্ৰা কৰে। 'ৰামনবমী নাটক'ৰ প্ৰথম অঙ্কৰ প্ৰথম দৰ্শনতেই কিন্তু একেশ্বৰবাদী গুনাভিৰামে হিন্দুসকলৰ তীৰ্থযাত্ৰা সংক্ৰান্ত অন্ধবিশ্বাসৰ অন্তঃসাৰশূন্যতা আৰু বন্ধ্যাত্ব পৰোক্ষভাৱে উদঙাই দেখুৱাইছে সুন্দৰভাবে। নবমীৰ মৃত্যুৰ সংবাদ দি নাৰায়ণে কৈছে : শিবকান্ত গঙ্গাতীৰৰ পৰা আহোঁতে জোৱাইয়েকৰ ঘৰত সোমাইছিল। সেইদিনাই হুন্তু জোয়াইএক জহনীত পৰি মৰিল। ১৭ তীৰ্থযাত্ৰী শিৱকান্ত তীৰ্থৰপৰা আহি ঘৰ পোৱাৰ আগতেই তেওঁৰ মূৰত পৰিল বিনা মেঘে বজ্ৰপাত, নিমিষতে থান-বান হৈ গ'ল তেওঁৰ সুখৰ কাৰেং। এই ঘটনা-ক্ৰমে জানো পৰোক্ষভাবে তীৰ্থযাত্ৰাৰ অসাৰতাকেই প্ৰমাণ নকৰে?

---

১৬ যোগেন্দ্ৰনাথ ভূঞা সম্পাদিত, পূৰ্বোক্ত গ্ৰন্থ পৃ : ১২২-১২৩

১৭ **ৰামনৱমী** পৃ : ৫

নিজৰ মঙ্গলৰ কাৰণে আৰু পূণ্য আৰ্জ্জিবলৈ হিন্দুসকলে মাজে সময়ে ব্ৰত পালন কৰে। এই ব্ৰত সম্পৰ্কেও 'ৰামনবমী নাটক'ত সমালোচনা আছে। নবমীয়ে সৰুতে পৃতি বছৰে ব্ৰত কৰিছিল। কিন্তু তাৰ ফল কি হ'ল ? অকালতে তাই মূৰ পাতি লবলগীয়া হ'ল কৃচ্ছসাধনাৰ কঠোৰ কৰ্ত্তব্য। নবমীয়ে অৱশ্যে এই সন্দৰ্ভত কোনো আপত্তি-অভিযোগ কৰা নাই। পিছে নবমীয়ে নকৰিলেও তাইৰ বিধবা বান্ধবী উৰ্ব্বশীয়ে কৰিছে।

বাঁৰি হলো যেতিয়াই, খাঁৰি হলো তেতিয়াই। আমি আৰু শিৱৰাত্ৰিৰ ব্ৰত নকৰো। শৰুৰে পৰা আজি ওঠৰ বচৰ বয়সলৈকে ব্ৰত কৰি যি ফল পালো সেইহে সৰহ হ'ল। আৰু আমাক নালাগে। ১৮

উৰ্ব্বশীৰ এই অভিযোগ ব্ৰাহ্ম গুণাভিৰামৰ সমালোচনাৰেই আচ্ছাদিত অভিব্যক্তি বুলি কলে নিশ্চয় অত্যুৎক্তি কৰা নহব।

## ॥ সমাজ-চিত্ৰ হিচাপে 'ৰামনবমী নাটক ॥

সাহিত্যত সামাজিক ইতিহাসৰ প্ৰচুৰ উপাদান সোমাই থাকে। কেতিয়াবা সেই উপাদানসমূহ খুবেই পৰিস্কাৰ আৰু চকুত পৰা বিধৰ কেতিয়াবা আকৌ সেইবোৰক খুঁচৰি উলিয়াব লাগে। 'ৰামনবমী নাটক'ত আমি যি ৰক্ষণ-শীলতাৰ কথা পাওঁ সি পৰিস্কাৰ উপাদানৰ পৰ্য্যয়ত পৰে। পিছে নাটকখনত

---

১৮। উক্ত গ্ৰন্থ, পৃঃ ১৯ হিন্দু সমাজৰ অন্ধবিশ্বাসক কোনো কোনো ক্ষেত্ৰত গুণাভিৰামে সংস্কাৰমূলক চিন্তাৰ প্ৰচাৰৰ কাৰণে কৌশলেৰে ব্যৱহাৰ কৰিছিল বুলি ভবাৰ থল আছে। যেনে, নাটকখনৰ নামটো দিওঁতে গুণাভিৰামে নিশ্চয় হিন্দুসকলক, তেওঁৰ মূল উদ্দেশ্য ঢাকি ৰাখি, কৌশলেৰে আকৃষ্ট কৰাৰ কথা ভাবিছিল। আকৌ, ব্ৰাহ্মণৰ মুখত সংস্কাৰমূলক বক্তব্য দিলে গোড়া হিন্দুসকলৰ বাবে সহজগ্ৰাহ্য হব— এনে বাস্তববুদ্ধিৰ দ্বাৰা পৰিচালিত হৈহে খুব সম্ভব তেওঁৰ শেহৰ উক্তিটো পূজাৰীৰ মুখত দিছিল [ ৰামনবমী, পৃঃ ৭৩-৭৪ ]

একাধিক ঘটনা আৰু উক্তিৰ আঁৰত এনে কিছু কথা লুকাই আছে যি বোৰৰ পৰা আমি তৎকালীন অসমীয়া সমাজৰ বিভিন্ন স্তৰৰ বিষয়ে বেছ চিত্তাকর্ষক আৰু গুৰুত্বপূর্ণ কেতবোৰ খবৰ পাওঁ।

অভিজাত্যৰ এটা প্ৰধান বৈশিষ্ট্য শ্ৰমবিমুখতা। এই ফোপোলা ভেমে যে অসমীয়া সমাজৰ সৰু এটা অংশক গ্ৰাস কৰিছিল তাৰ সাক্ষ্য গুণাভিৰামৰ নাটকত আছে। ঘাইকৈ বৃটিছৰ আগমনৰ বাবেই অসমীয়া সমাজত চাকৰি-জীৱি লোকৰ খ্যাতি সমাদৰ আৰু প্ৰতিপত্তি কিছু বাঢ়িছিল। দেবদত্তৰ কথাত এই পৰিবৰ্তিত মূল্যবোধৰ আভাস বিদ্যমানঃ ····এটা কাম থাকিলে ভাল। তেহে মানুহে জানে আৰু ভয় কৰে।১৯ ৰামচন্দ্ৰৰ বাপেক হৰনাথ কিন্তু অৱসৰ—সৰ্ব্বস্ব অলস অভিজাত্যৰ সমৰ্থক। তেওঁ আনকি পুতেকে চাকৰি কৰাটোও পছন্দ নকৰে। তৎকালীন অভিজাতসুলভ মান-সিকতাৰ বিশ্বাসযোগ্য প্ৰতিফলন হৰনাথৰ কথাত স্পষ্ট ঃ

> কাম হলেই যে পৰৰ তত আপোনাৰ স্বাধীনতা স্বৰূপ ৰত্নে সইতে শৰীৰটি বিক্ৰয় কৰিব লাগে তাক [ অভিজাত্যৰ সমা-লোচকসকলে ] নাজানে। পিতৃ-মাতৃ হই ল'ৰাক যদি সেইদৰে শৰীৰটোকে বিক্ৰয় কৰিবলৈ দিলো। তেন্তে ই সজ পিতৃ-মাতৃৰ আৰু উপকাৰীৰ কৰ্ম্ম নহল। নোয়াৰা নোয়াৰাতেহে চাকৰীলৈ মন দিব লাগে।২০

প্ৰথম অঙ্কৰ পঞ্চম দৰ্শনত নবমীৰ বান্ধবী জয়ন্তীয়ে গুৱাহাটীত ছপাশাল এটা পতাৰ উদ্দেশ্যে সভা এখন আয়োজন কৰাৰ কথা উল্লেখ কৰিছে। পিছে শেষ পৰ্য্যন্ত সভাখন নহল। কাৰণ, লোকৰ অভাৱ। কথাখিনি কৈয়েই জয়ন্তীয়ে মন্তব্য দিছেঃ 'আমাৰ ইয়াৰ মানুহে জানো তেনে কথালৈ মন দিয়ে ?'২১ আগ্ৰহ আৰু আন্তৰিকতাৰ অভাৱত উনৈশ শতিকাৰ

১৯। উক্ত গ্ৰন্থ, পৃঃ ৩৫
২০। উক্ত গ্ৰন্থ, পৃঃ ৩৫
২১। উক্ত গ্ৰন্থ, পৃঃ ১৫

মাজভাগত সৰহসংখ্যক শিক্ষিত আৰু গণ্যমান্য অসমীয়াই যে স্বদেশানুৰাগৰ দ্বাৰা উদ্বুদ্ধ হৈ সংঘবদ্ধভাবে কিবা কৰাৰ চেষ্টা হাতে-কামে কৰা নাছিল— তাৰ স্পষ্ট ইংগিত জয়ন্তীৰ কথাৰ যোগেদি গুণাভিৰামে পাঠকক দিছে। লক্ষনীয় যে আমি ইতিমধ্যে উল্লেখ কৰা দৃষ্টান্ত দুটাত সমাজৰ যি প্ৰতিফলন ঘটিছে সি কিন্তু মন্তব্য মুক্ত প্ৰতিফলন নহয়। আৰু কোৱা বাহুল্য যে, জয়ন্তীৰ মন্তব্য বা দেবদত্তৰ উক্তি গুণাভিৰামৰ সমালোচনাত্মক দৃষ্টি-ভঙ্গীৰেই পৰোক্ষ প্ৰকাশ। এই দৃষ্টিভঙ্গী দৰাচলতে আত্মসমালোচনামূলক স্বদেশানুৰাগৰেই অভিব্যক্তি।

গুণাভিৰামে নাটকখনৰ শেহ অঙ্কত দতো আৰু সীহুৰাম নামৰ দুটা গাৱঁলীয়া চৰিত্ৰৰ অৱতাৰণা কৰিছে। খুব সম্ভৱ সমাজৰ বিশেষ কেইটামান নেতিবাচক দিশ উদঙাই দেখুৱাবলৈ চৰিত্ৰ দুটা সৃষ্টি কৰা হৈছে, কিয়নো কাহিনীৰ নিজস্ব প্ৰয়োজনত চৰিত্ৰ দুটা নাটকখনত ঠাই পাইছে বুলি মনে নধৰে। দতো আৰু সীহুৰামৰ কথোপকথন আৰু মন্তব্যৰ পৰা সেই কালৰ সামন্ততান্ত্ৰিক নিপীড়ন আৰু ধৰ্মগুৰুৰ নিস্পেষণৰ বিষয়ে কিছু গুৰুত্বপূৰ্ণ খবৰ পোৱা যায়। গোঁসাইক কেইখনমান গাওঁৰ মানুহে ভাৰ-ভেটি দিব নোৱাৰাৰ বা নিবিচৰাৰ কাৰণে গোঁসায়ে তেওঁলোকক দণ্ড বিহে। কাণ্ড দেখি জীৱনৰ পাঠশালাত শিক্ষা পোৱা হোজা সাহুৰামে অতি চমুকৈ বেছ তাৎপৰ্য্যপূৰ্ণ মন্তব্য এটি দিছে: ' দেখছাহন্। চধৰী হলি দৰ্কস দি সাৰবা পাৰি। আংসো পুংখা আকো দিহা নাই'।২২ অৰ্থাৎ, চৌধুৰীৰ সামন্ততান্ত্ৰিক নিস্পেষণৰ পৰা দৰ্খাস্ত দি সাময়িকভাবে ৰেহাই পাব পাৰি, কিন্তু ধৰ্মগুৰুৰ পীড়নৰ বেলিকা উদ্ধাৰৰ কোনো উপায় নাই। এই, দৃশ্যটিৰ শেহৰ পিনে নবমীৰ গোপন প্ৰেমৰ কলঙ্কময় পৰিনতিৰ বাবে গোঁসায়ে শিৱকান্তহঁতক এঘৰীয়া কৰি পাঁচশ টকা জৰিমনা কৰে। আধ্যাত্মিক গুৰুৰ এই বিচাৰৰ পাছত সীহুৰাম আৰু দতোৰ মুখৰ যি ব্যংগাত্মক ভৎসৰ্না শুনা যায় সি যেন ধৰ্মগুৰুসকলৰ বৈষয়িক স্বাৰ্থ চিন্তা, সাধাৰণ প্ৰজাৰ ওপৰত চলা সৰ্ব্বাত্মক

২২। উক্ত গ্ৰন্থ, পৃঃ ৬৪

অর্থনৈতিক পীড়ন আৰু সমাজৰ সামগ্ৰিক অৰ্থ-লালসাৰ স্বৰূপ সুন্দৰকৈ ফুটাই তুলিছে ঃ

মহা। তেনেহলে শিৱকান্তৰ ঘৰত চাট মাৰা। তাৰ ঘাট পানী এলাগ পাচ শ টকা দিলেহে দায় ভাগিব।

সীহু। (এফলীয়া হই) কাকা আৰু টাকা দিলি হবো পাপ খন্দিব ? পুৎখা সকলোতেই টকাহি।

দতো। (এফলীয়া হই) এখান টকাৰ হে দিন হচি দে।২৩

দতোৰ এই উক্তিৰ প্ৰাসংগিকতা যে আজিও হেৰাই যোৱা নাই সেই কথা বোধহয় খুব কম লোকেই অস্বীকাৰ কৰিব। ঠিক সেইদৰে যেতিয়া 'পুতখাৰ পুতেক চধৰি'ৰ প্ৰভাৱ প্ৰতিপত্তিৰ স্বৰূপ উদঙাই দি দতোই কৈছে, তেহঁতে আমলা আৰু উকীলহঁতক ভেঁটী দি মকতামাত জিক্‌বো ২৩ক তেতিয়াও আজিৰ দুৰ্নীতি-পীড়িত লোকে হোজা দতোৰ কথাত বিচাৰি পাব বৰ্তমানৰ প্ৰতিচ্ছবি।

## ॥ সাহিত্যৰ বুৰঞ্জীত 'ৰামনৱমী নাটক'ৰ স্থান ॥

ওপৰৰ আলোচনাৰ পৰা এটা সিদ্ধান্তলৈ আহিব পাৰো ঃ উনৈশ শতিকাৰ সমাজ-বাস্তৱক আংশিকভাবে প্ৰতিফলিত কৰাৰ বাবে গুণাভিৰামৰ 'ৰামনৱমী নাটক' এ বুৰঞ্জীত নিঃসন্দেহে স্মৰণীয় স্থান দখল কৰি আছে আৰু থাকিবও। কিন্তু কেবল এই বাস্তৱধৰ্মীতাৰ বাবেই নাটকখন স্মৰণীয় বুলি কলে ভুল কোৱা হব। কিয়নো, অসমীয়া নাট্য-সাহিত্যৰ বুৰঞ্জীৰ লগত সামান্যতম সম্পৰ্ক থকা লোকেই জানে যে গুণাভিৰামৰ এই নাটকখনেই 'প্ৰথম অসমীয়া আধুনিক আৰু সামাজিক

২৩ উক্ত গ্ৰন্থ, পৃ ৬৬

২৩ক উক্ত গ্ৰন্থ, পৃ ৬২

নাটক।' ২৪ 'আধুনিক' আৰু সামাজিক'—এই শব্দ দুটা আমাৰ বাবে বিশেষভাবে গুৰুত্বপূৰ্ণ। কাৰণ, আধুনিক চিন্তা-চৰ্চাৰ লগতেহে মানৱ কেন্দ্ৰিক সাহিত্যাদৰ্শ সম্পৃক্ত আৰু 'ৰামনবমী নাটক'ৰ দৰে সামাজিক সাহিত্যকৰ্ম এনে মানব কেন্দ্ৰিক সাহিত্যাদৰ্শৰেই সাৰ্থক ফচল। শাস্ত্ৰ, ঈশ্বৰ বা ধৰ্মাশ্ৰয়ী নৈতিকতাৰ কথা থাকিলেও নাটকখনৰ কেন্দ্ৰীয় বিষয় হল প্ৰথাপীড়িত বিধৱাসকলৰ বঞ্চনা আৰু তৎজনিত জ্বালা যন্ত্ৰনা। কোৱা বাহুল্য যে বিষয়ৰ এই অভিনৱত্বৰ মাজেৰেই ঘোষিত হৈছে 'ৰামনবমী নাটক'ৰ আধুনিকতা আৰু সমাজমুখীনতা। বাটকটীয়া হিচাপে—কেৱল সাধাৰণ বাটকটীয়া হিচাপেই নহয়, সাৰ্থক আৰু সাহসী বাটকটীয়া হিচাপে—গুণাভিৰামৰ এই নাটকখনে অসমীয়া নাট্য সাহিত্যৰ বুৰঞ্জীৰ পাতত লাভ কৰিছে এক অটুট অমৰত্ব।

'ৰামনবমী নাটক' ৰচনা কৰাৰ সময়ত গুণাভিৰামৰ বয়স কম। অভিজ্ঞতা আৰু অনুশীলনে সাহিত্যকৰ সৃষ্টিত সাধাৰণতে যি পৰিপক্কতা আনে তাৰ অভাৱ নাটকখনত মাজে সময়ে স্পষ্ট হৈ পৰা দেখা যায়। ৰামচন্দ্ৰৰ চৰিত্ৰাংকণত এই দুৰ্ব্বলতা পৰিস্কাৰভাবে ওলাই পৰিছে। তদুপৰি সংস্কাৰাদৰ্শ প্ৰচাৰৰ অত্যাকাঙ্খাইও কলিকতা ফেৰত ডেকা গুণাভিৰামক কিছু অত্যুৎসাহী কৰি পেলাইছিল বুলি ভবাৰ থল আছে। সেই নিমিত্তেই বোধহয় বাস্তৱানুগ নহলেও মৃত্যুৰ আগমূহূৰ্তত নবমীৰ মুখত নাট্যকাৰে দিছে

২৪ মহেশ্বৰ নেওগ, **অসমীয়া সাহিত্যৰ ৰূপৰেখা**, গুৱাহাটী, ১৯৭৪, পৃঃ২৪৩ হৰিশচন্দ্ৰ ভট্টাচাৰ্য্যই লিখিছে; আধুনিক অসমীয়া নাট্য সাহিত্যত এইখনেই পোনপ্ৰথম নিভাঁজ প্ৰেম-কাহিনীমূলক পূৰ্ণাঙ্গ নাটক।' (হৰিশচন্দ্ৰ, ভট্টাচাৰ্য্য, পূৰ্বোক্ত গ্ৰন্থ, পৃ ১২৬) কোৱা বাহুল্য যে 'ৰামনবমী নাটক'ত প্ৰেমৰ অৱতাৰণা কৰা হৈছে ঘাইকৈ বৈধৱাদৰ্শৰ অযুক্তিকৰ আৰু অনিষ্টকৰ দিশটো উদঙাই দেখুৱাবলৈহে, নিভাঁজ প্ৰেমৰ মহিমা-কীৰ্তন কৰিবলৈ নহয়।

দীৰ্ঘ ভাবগধুৰ সংলাপ। নাটকখনৰ এই প্ৰকাৰ দুৰ্ব্বলতাৰ উল্লেখ কৰি সমালোচক সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে: কিন্তু নাটখন সামাজিক সংস্কাৰকামী মনোবৃত্তিৰে লেখাৰ কাৰণে চৰিত্ৰ-সৃষ্টিত আৰু ঘটনা বিকাশত নাট্যকাৰে সফলতা লাভ কৰিব নোৱাৰিলে'।২৫ শৰ্মা ডাঙৰীয়াৰ এই ব্যাখ্যা অৱশ্যে বিতৰ্ক সাপেক্ষ। কিয়নো, 'সামাজিক সংস্কাৰকামী মনোবৃত্তিৰে' নাটক বা অন্যান্য সাহিত্য কৰ্ম সৃষ্টি কৰিলেই 'চৰিত্ৰ-সৃষ্টি আৰু ঘটনা বিকাশত' সাহিত্যিকে 'সফলতা' লাভ কৰিব নোৱাৰে বুলি আমাৰ মনে নধৰে। আচলতে উপায় সৌন্দৰ্য্যাশ্ৰিত হলে উদ্দেশ্য কেতিয়াও সৌন্দৰ্য্য হৰণকাৰী হব নোৱাৰে। সাহিত্যৰ ক্ষেত্ৰত উপায় আৰু উদ্দেশ্যৰ সুসমন্বয় ঘটোৱাটো আটাইতকৈ ডাঙৰ কথা!

'ৰামনবমী নাটক'ৰ সাহিত্যিক দুৰ্ব্বলতাৰ আলোচনা প্ৰসংগত আমি গোসাঁইৰ সপোন দৃশ্য আৰু তাৰ পৰিনতিৰ কথা উল্লেখ কৰিব পাৰো। গোসাঁই ৰক্ষণশীলতাৰ প্ৰতিভূ, তেওঁ পুৰণি পৰম্পৰাৰ বাহক আৰু ব্যাখ্যাকাৰ। পিছে নাটকৰ শেহ দৃশ্যত আমি দেখোঁ যে সপোন এটা দেখাৰ লগে লগে গোসাঁইৰ মনৰ পৰা পুৰণিকলীয়া এন্ধাৰবোৰ আপোনা আপুনি আঁতৰ হয়, তেওঁৰ চেতনা উদ্ভাসিত হয় মানৱিকতাৰ ৰেঙনিৰে। গোসাঁইৰ এই তাৎক্ষনিক প্ৰতিক্ৰিয়া ইমানেই অপ্ৰত্যাশিত আৰু দ্ৰুত যে গোটেই ঘটনাটো নাট্যকাৰে ওপৰৰ পৰা জাপি দিয়া বুলি মনত হোৱাটো খুবেই স্বাভাৱিক। গুণাভিৰামে বিচাৰিছিল শাস্ত্ৰশ্ৰয়ী সংস্কাৰ চিন্তাৰ প্ৰভাৱ আৰু প্ৰেৰণাত ৰক্ষণশীল সমাজখন প্ৰায় স্বতঃস্ফুৰ্তভাবে সলনি হৈ যাওঁক। তীৰ্থ শৰ্মাই কবৰ দৰে 'পৰাশৰ আৰু বিদ্যাসাগৰৰ মতৰ প্ৰভাৱত মহাজনৰ নিচিনাকৈ অসমীয়া ৰক্ষণশীল সমাজবো মত সলনি হৈ যাব এয়ে নাট্যকাৰৰ আশা।২৫ক

---

২৫। সত্যেন্দ্ৰনাথ শৰ্মা, **অসমীয়া সাহিত্যৰ ইতিবৃত্ত**, পাঠশালা, ১৯৬৭, পৃঃ ২৮৭

২৫ ক। **ৰামনবমী**, পৃঃ ১৪ (ভূমিকা)

গোসাঁইৰ অপ্ৰত্যাশিত হৃদয় পৰিবৰ্ত্তনৰ প্ৰকৃত উৎস গুণাভিৰামৰ এই আশা। পিছে নিজৰ আশাক গোসাঁইৰ সপোন আৰু তাৰ শুভ-পৰিণতিৰ মাজেৰে ৰূপ দিবলৈ যাওঁতে গুণাভিৰামে ঘটনা ক্ৰমক বিশ্বাসযোগ্য আৰু বাস্তবানুগ কৰি তুলিব পৰা নাই। নাটকখনৰ এই দুৰ্ব্বলতাৰ লগত পশ্চাদপদ অসমৰ মন্থৰপন্থী ব্ৰাহ্ম সংস্কাৰক গুণাভিৰামৰ সংস্কাৰ-পদ্ধতিৰ দুৰ্ব্বলতা সমপৃক্ত বুলি ভবাৰ যথেষ্ট থল আছে।

## ॥ বিধবা বিবাহ আন্দোলন আৰু 'ৰামনবমী নাটক : দুৰ্ব্বলতা আৰু সীমাবদ্ধতা ॥

বংগদেশৰ সংস্কাৰ আন্দোলন আৰু আনুষঙ্গিক আলোড়নক এসময়ত পশ্চিমৰ নৱজাগৰণৰ ( renaissance ) লগত সগৰ্বে তুলনা কৰা হৈছিল। ২৬ সাম্প্ৰতিক কালৰ বস্তুনিষ্ঠ ঐতিহাসিক সকলে কিন্তু এনে নিঃচৰ্ত তুলনাৰ মাজত বিচাৰি পাইছে অন্ধপ্ৰশস্তিৰ অতিৰঞ্জনাশ্ৰিত প্ৰবনতা। ২৭ এই চাম ঐতিহাসিকে উনৈশ শতিকাৰ বহুতো আলোড়নকাৰী ঘটনাৰ স্বৰূপ নিৰপেক্ষ-নিৰ্মোহ দৃষ্টিভংগীৰে বিচাৰ কৰাৰ প্ৰয়াস কৰিছে নতুন মানদণ্ডেৰে। এই প্ৰচেষ্টাৰ ফলত ৰামমোহন বিদ্যাসাগৰৰ দৰে বহুজনবিনন্দিত ব্যক্তিৰ ভূমিকা হৈ পৰিছে নন অধ্যয়ন অনুসন্ধানৰ বিষয়, ঐতিহাসিক বাস্তৱতাৰ কষটি শিলত ঘঁহি-পিহি পৰীক্ষা কৰি চোৱা হৈছে তেওঁলোকৰ ভূমিকাৰ ৰাজনৈতিক আৰু আৰ্থ-সামাজিক চৰিত্ৰ।

উনৈশ শতিকাৰ বিভিন্ন আলোড়নকাৰী ঘটনাৰ ভিতৰত বিধবা বিবাহ আন্দোলন অন্যতম। বিদ্যাসাগৰে এবাৰ ভায়েকলৈ লিখিছিল : 'বিধবা

---

২৬ R.C. Mazumdar **Renascent India.** Calcutta, 1976, PP. 1-2

২৭ দ্ৰঃ বিনয় ঘোষ, **বাংলায় নবজাগৃতি**, কলিকতা, ১৯৭৯, পৃ : ১৪২ ১৮৫, নীহাৰঞ্জন, ৰায় **ইতিহাস চৰ্চা** কলিকতা, ১৯৮৭, পৃ : ৯-৪৪

বিবাহ প্ৰবৰ্তন আমার জীৱনের সৰ্বপ্ৰধান 'সৎকৰ্ম'।২৮ বস্তুনিষ্ঠ ঐতিহাসিক সকলে দেখুৱাইছে যে বিদ্যাসাগৰৰ জীৱনৰ এই 'সৰ্ব্বপ্ৰধান সৎকৰ্ম' ও সীমাবদ্ধতা আৰু দুৰ্ব্বলতাৰ পৰা মুক্ত নাছিল। এই বিষয়ে বিতংকৈ আলোচনা কৰাৰ প্ৰাসংগিকতা বৰ্তমান নাই। আমি কেৱল 'ৰামনৱমী নাটক'ৰ দুৰ্ব্বলতা আৰু সীমাবদ্ধতা সম্পৰ্কে কিছু আভাস দিবলৈ বিদ্যা-সাগৰীয় সংস্কাৰৰ দুটা দিশৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ।

সংস্কাৰ সাধনৰ উদ্দেশ্য সংস্কাৰকসকলে একে ধৰণৰ পদ্ধতিৰ ওপৰত সমানে গুৰুত্ব দিয়া নাছিল। যেনে কিছু সংস্কাৰকে সংস্কাৰৰ নাযতা প্ৰমাণ কৰিবলৈ বিশুদ্ধ যুক্তিবাদৰ শৰনাপন্ন হৈছিল, অন্য কিছুৱে আকৌ আশ্ৰয় হৈছিল মানবিক আবেদনৰ। আৰু এচাম সংস্কাৰক আছিল যিসকলে প্ৰস্তাৱিত সংস্কাৰ-কৰ্মৰ শাস্ত্ৰীয়তা প্ৰমাণ কৰিবলৈ বিশেষভাৱে তৎপৰ হৈ পৰা দেখা যায়। এই শেষোক্ত বিধ-সংস্কাৰকৰ পদ্ধতিক আমি শাস্ত্ৰ-নিৰ্ভৰ সংস্কাৰ-পদ্ধতি বুলি কব পাৰোঁ। বিধবা-বিবাহ সম্পৰ্কীয় বিদ্যাসাগৰৰ ৰচনা-সমূহ পঢ়িলে বুজা যায় যে এই ক্ষেত্ৰত যুক্তি-তৰ্কৰ শাস্ত্ৰ-নিৰ্ভৰ পদ্ধতিয়েই আছিল বিদ্যাসাগৰৰ প্ৰথম আৰু প্ৰধান অৱলম্বন।২৯ অৱশ্যে বিদ্যাসাগৰৰ এই নিৰ্ভৰতা ধৰ্ম-ভীৰু লোকৰ অন্ধ শাস্ত্ৰনুগত্যৰ সমগোত্ৰীয় নাছিল। খুব সম্ভৱ শাস্ত্ৰ-নিৰ্ভৰ যুক্তি-তৰ্কক তেওঁ কৌশল হিচাপে ব্যৱহাৰ কৰিছিল। বিদ্যাসাগৰৰ ৰচনাতেই ইয়াৰ সাক্ষ্য আছে: 'যদি যুক্তি মাত্ৰ অৱলম্বন করিয়া, ইহাকে কৰ্তব্য কৰ্ম বলিয়া প্ৰতিপন্ন কর, তাহা হইলে, এতদ্দেশীয়

---

২৮ বিনয় ঘোষ, **বিদ্যাসাগৰ ও বাঙালী সমাজ**, কলিকতা, ১৯৭৩, পৃ ২৩৯।

২৯ অজেয়ন্দ্ৰনাথ সৰকাৰ, **উনৈশ শতকেৰ সমাজ সংস্কাৰ ও বাংলা বিতৰ্ক ৰচনা**, কলিকতা, ১৯৮২, পৃ ১৩৯ সংস্কাৰ পদ্ধতিৰ বিষয়ে আমি অন্যত্ৰ বিশদভাবে আলোচনা কৰিছোঁ।

লোকে কখনই ইহা [বিধবা বিবাহ] কর্তব্য কর্ম বলিয়া স্বীকার করিবেন না।' ৩০ কিন্তু নিজৰ উদ্দেশ্যসিদ্ধিৰ খাতিৰত শাস্ত্ৰবাক্যৰ ওপৰত অত্যাধিক গুৰুত্ব দিয়াৰ ফলস্বৰূপে যে বিদ্যাসাগৰে মানুহৰ চেতনাৰ আধুকৰণৰ প্ৰক্ৰিয়াটোক অজ্ঞাতসাৰেই বাধা দিছিল সেই বিষয়ে বোধহয় তেওঁ অকণো সচেতন নাছিল। নিৰ্ভেজাল যুক্তিবাদৰ স্বচ্ছন্দ বিকাশৰ ক্ষেত্ৰত এই শাস্ত্ৰ-নিৰ্ভৰতা আছিল অন্তৰায় স্বৰূপ। অন্যপাতেদি, বিদ্যাসাগৰৰ ৰচনাত মৰ্মস্পৰ্শী আবেদন থাকিলেও বৈধবাদশৰ পাৰ্শ্ব-পৰিণতি হিচাপে বিধবা-সকলৰ ব্যাভিচাৰ, ভ্ৰূণ ইত্যাদিৰ ওপৰত তেওঁ মাত্ৰাধিক জোৰ দিয়া বুলি ধাৰণা হয়। এনে যুক্তিত নাৰীৰ ব্যক্তিসত্তাক স্বীকৃতি দি তেওঁলোকক আত্মনিয়ন্ত্ৰণৰ অধিকাৰ দিয়াৰ কোনো প্ৰস্তাৱ নাই। ৩১

বিদ্যাসাগৰীয় যুক্তি তৰ্কৰ এই দুৰ্ব্বলতা সমূহ গুণাভিৰামৰ 'ৰামনবমী নাটক' তো বিদ্যমান। শাস্ত্ৰ, ঈশ্বৰ ইত্যাদিৰ দোহাই নিদিয়াকৈ বিশুদ্ধ যুক্তিবাদৰ ভিত্তিত গুণাভিৰামে নাটকখনত বিধৱা বিবাহৰ সপক্ষে

---

৩০ অশ্ৰুকুমাৰ সিকদাৰ দেবেশ ৰায় সম্পাদিত, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪২ শাস্ত্ৰশ্ৰয়ী সংস্কাৰৰ দ্বাৰা বিদ্যাসাগৰে যি ৰূপান্তৰৰ সপোন দেখিছিল সি অৱশ্যে সফল নহল। ইয়াৰ এটা প্ৰধান কাৰণ হলঃ আৰ্থ সামাজিক ব্যৱস্থাৰ লগত নাৰী-নিপীড়ণৰ যি সম্পৰ্ক তাৰ সামগ্ৰিক স্বৰূপ বিদ্যাসাগৰে বা অন্যান্য সংস্কাৰকসকলে অনুধাবন কৰিব পৰা নাছিল। (দ্ৰ A Sen, **Vidyasagar and his Elusive Milestones** calcutta, 1977, P 78-7৭ বিনয় ঘোষ, বাংলাৰ নবজাগৃতি, পৃ ১৫৭-১৫৮)

৩১ ৰাজেন্দ্ৰলাল মিত্ৰই অৱশ্যে বিধবা বিবাহক সমৰ্থন কৰিছিল ব্যক্তি স্বাধীনতাৰ ভিত্তিত, ব্যভিচাৰ বিৰোধী ব্যৱস্থা হিচাপে নহয়। (A Sen OP. cit, p 73) বিদ্যাসাগৰ বা গুণাভিৰামৰ লগত এই দৃষ্টিভংগীৰ পাৰ্থক্য স্পষ্ট।

যুক্তি উত্থাপন কৰা নাই। নবমীয়ে এঠাইত অৱশ্যে বেছ যুক্তিপূর্ণ কথা এবাৰ কৈছে : আৰু তিৰোতাই যে এবাৰ স্বামী মৰিলে বিয়া কৰাব নেপায় পুৰুষে নো কিয় আকৌ পায় ? ৩২ এই ধৰণৰ যুক্তি 'তত্ত্ববোধিনী পত্রিকা'ৰ পাতত বিদ্যাসাগৰৰ সহ-সংস্কাৰক অক্ষয়কুমাৰ দত্তই উত্থাপন কৰিছিল। ৩৩ নবমীৰ কথাত হয়তো যুক্তিবাদী অক্ষয়কুমাৰৰ যুক্তিয়েই প্ৰতিধ্বনীত হৈছে। পিছে ব্ৰাহ্ম সংস্কাৰক গুণাভিৰামৰ নাটকৰ চৰিত্ৰ নবমীৰ যুক্তি শাস্ত্ৰ নিৰপেক্ষ হলেও ঈশ্বৰ নিৰপেক্ষ নহয় : শাস্ত্ৰনো কি ? ঈশ্বৰৰ নিয়মৰ ওপৰত কোনো শাস্ত্ৰ হব নোৱাৰে।৩৪

অৱশ্যে মৃত্যুৰ আগমুহূর্তত নবমীয়েও নিজ কার্য্যৰ নায্যতা প্ৰমাণ কৰিবলৈ শাস্ত্ৰৰ দোহাই দিছে : শাস্ত্ৰতো বিশেষ বিধি আছে, এনে অবস্থাত আমাৰ স্বামী লব পাই। তথাপিযে এনে হইছে ই কোন দৰুণ দেশাচাৰ।' ৩৫ বিদ্যাসাগৰৰ সমালোচনাৰ মূল লক্ষ্য আছিল দেশাচাৰ আৰু এই দেশাচাৰৰ বিৰুদ্ধে তেওঁ যুজ দিছিল শাস্ত্ৰৰ শ্লোকসজ্জিত যুক্তিৰে। গুণাভিৰামৰো দেশাচাৰ বিৰোধিতাত এই শাস্ত্ৰ-নির্ভৰতা লক্ষনীয়। সদ্য-উদ্ধৃত নবমীৰ সংলাপত এই নির্ভৰতাৰ আভাস পৰিস্কাৰ। ৰামচন্দ্ৰৰ উদাৰতা বলিষ্ঠ আৰু দৃঢ় নহয় যদিও শাস্ত্ৰীয় সমর্থনৰ সহায়ত তেওঁও বিধৱা বিবাহৰ সপক্ষে যুক্তি দাঙি ধৰা দেখা যায়··· ···বিধবা বিবাহৰ মত বহুকালৰ

৩২ ৰামনবমী পৃ : ২৭

৩৩ বিনয় ঘোষ, **সাময়িক পত্রে বাংলার সমাজচিত্র**, চতুর্থ খণ্ড, কলিকতা ১৯৮০, পৃ : ১৫৮

৩৪ ৰামনবমী পৃ ২৭

৩৫ উক্ত গ্ৰন্থ, পৃ ৬৭ নবমীৰ মৃত্যুৰ পাছত দেউতাকে দেশাচাৰক দোষ দিলেও ব্যক্তিগত বিপর্য্যয়ৰ পৰম্পৰাগত হিন্দু ব্যাখ্যাৰ স্বস্তিকৰ আশ্ৰয়ও পোৱা দেখা যায় ; ই আমাৰ কৰ্ম দোষ আৰু দেশৰ দোষ।' (উক্ত গ্ৰন্থ, পৃ : ৬৯) এই উক্তিত ন আৰু পুৰণি ভাবধাৰাৰ পৰস্পৰ বিৰোধী সহ অৱস্থান লক্ষনীয়।

পৰা আছে। পৰাশৰ মুনিৰ বচন আছে। ৩৬ এই প্ৰসঙ্গত আমি 'ৰামনবমী নাটক'ৰ একেবাৰে অন্তিমাংশৰ পৰা কিয়দংশ উদ্ধৃতি কৰিব পাৰোঁ। কথাখিনি পঢ়িলে বুজিবলৈ অসুবিধা নহয় যে গুণাভিৰামে কেৱল শাস্ত্ৰৰেই দোহাই দিয়া নাছিল, তেওঁ বিদ্যাসাগৰৰ দৰেই বিধৱা বিবাহৰ প্ৰচলনৰ দ্বাৰা ব্যভিচাৰ, ভ্ৰূণ হত্যাদি সমাজৰ পৰা দূৰ কৰাৰ কথাও কৈছিল।

কলিৰ শাস্ত্ৰ কৰ্ত্তা পৰাশৰে কহিছে স্মৃতিত উচ্চৈঃস্বৰে॥
বিধবা নাৰীৰ পতিৰনো বিধিয়তে॥
হেনয় শাস্ত্ৰৰ পৰিহৰি, মিছা আচাৰক সত্য কৰি,
কিনো অযুগুত আচৰিছা দৃঢ় কৰি।
... ... ... ...
ভ্ৰূণ হত্যা ব্যভিচাৰ দোষ, গুপুত প্ৰেমৰ অসন্তোষ,
আৰূ নানা পাপ সকলো হইব নিঃ শেষ। ৩৭

সংস্কাৰৰ নায্যতা আৰু প্ৰয়োজনীয়তা প্ৰমাণ কৰিবলৈ ব্যবহাৰ কৰা এই প্ৰকাৰ যুক্তি পদ্ধতি যে দুৰ্ব্বলতা মুক্ত নহয় সেইকথা আমি বিদ্যাসাগৰৰ সংস্কাৰ-পদ্ধতিৰ কথা আলোচনা কৰোঁতে চমুকৈ উল্লেখ কৰিছোৱেই। 'ৰামনবমী নাটক'ত হিন্দুসমাজৰ অনিষ্টকৰ আৰু অমানৱিক অন্ধাচাৰক সমালোচনা কৰোঁতে গুণাভিৰামে আধুনিক যুক্তিবাদৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নাই। সেইটো কৰাহেঁতে ননাৰী পুৰুষৰ সমান-ধিকাৰ প্ৰশ্নটোও বিবেচিত হলহেঁতেন। অন্যহাতেদি, ব্যক্তি সত্তা আৰু ব্যক্তি-স্বাধীনতাৰ অৱমাননাৰ প্ৰশ্নটোক কেন্দ্ৰীয় যুক্তি হিচাপে লৈও তেওঁ বৈধবাদৰ্শৰ নাৰী নিপীড়ণমূলক চৰিত্ৰক সমালোচনা কৰা নাই। এই দুৰ্ব্বলতাসমূহৰ এটা ঘাই উৎস যে বিদ্যাসাগৰীয় প্ৰভাৱ সেই বিষয়ে সন্দেহৰ কোনো অৱকাশ নাই।

---

৩৬ উক্ত গ্ৰন্থ, পৃ ৫০
৩৭ উক্ত গ্ৰন্থ, পৃ ৭৩

কিন্তু কেৱল পদ্ধতিগত দুৰ্ব্বলতাই নহয়, বিদ্যাসাগৰৰ সংস্কাৰ প্ৰচেষ্টাৰ সামাজিক ক্ষেত্ৰও আছিল সীমিত। ৩৮ সমাজৰ নিম্ন স্তৰত থকা ব্যাপক লোক-সমষ্টিক বিদ্যাসাগৰৰ সংস্কাৰে উন্নত আৰু উপকৃত কৰাৰ বিশেষ সম্ভাৱনা নাছিল, কিয়নো পৰাশৰ সংহিতাৰ বহুজনউদ্ধৃত শ্লোকৰ সৈতে কোনো পৰিচয় নাথাকিলেও সমাজৰ সেই অশিক্ষিত বা তথাকথিত অশিক্ষিত—স্তৰত বিধবাৰ ওপৰত বৈধব্যাদৰ্শৰ বোজা জাপি দিয়া হোৱা নাছিল। সামাজিক স্তৰভেদে নৈতিকতাৰ মানদণ্ড ভিন্ন হোৱাৰ বাবে ঘাইকৈ উচ্চবৰ্ণ সমাজৰ সংস্কাৰাৰ্থে বিদ্যাসাগৰে আৰম্ভ কৰা বিধবা বিবাহ আন্দোলনৰ আবেদন আৰু সামাজিক গুৰুত্ব আছিল সংকীৰ্ণ। বংগত বিদ্যাসাগৰৰ আন্দোলনৰ সামাজিক ব্যাপ্তি আপেক্ষিকভাবে চমকপ্ৰদ হলেও তেওঁৰ সংস্কাৰ প্ৰচেষ্টাৰ এই সীমবদ্ধতাৰ কথা আমি মনত ৰখা উচিত হব।

সংস্কাৰ-প্ৰচেষ্টাৰ এই সামাজিক সীমাবদ্ধতাৰ পৰা গুণাভিৰামৰ 'ৰামনবমী নাটক' যে মুক্ত নহয় সেই কথা কোৱা বাহুল্যহে মাথোন। ঘাইকৈ জনজাতীয় নৈতিকতাৰ প্ৰভাৱ বা তাৰ অৱশিষ্ঠ থাকি যোৱাৰ বাবে আৰু বিলম্বিত তথা সীমিত হিন্দু প্ৰভাৱৰ নিমিত্তে অসমৰ সমাজত শাস্ত্ৰশ্ৰয়ী পুৰুষ প্ৰাধন্যৰ ব্যাপক প্ৰভাৱ তুলমামূলকভাৱে কম। ফলস্বৰূপে হিন্দু বৈধব্যাদৰ্শৰ পীড়ণমূলক ভূমিকাও এইখন সমজত সীমিত। এই প্ৰসঙ্গত ৰত্নেশ্বৰ মহন্তৰ এযাৰ মন্তব্য উল্লেখ্য: 'ভাৰতৰ অন্যান্য দেশৰ দৰে আমাৰ দেশত পিয়াহ খোৱা ল'ৰা-ছোৱালীৰ বাল্য বা শিশু বিবাহ নাই—ব্ৰাহ্মণ বা

৩৮ বদৰদীন ওমৰ, **ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ ও ঊনিশ শতিকাৰ** বাঙালী সমাজ, কলিকতা, ১৯৮০, পৃ ৫৫-৫৬, স্বপন বসু, পূৰ্বোক্ত গ্ৰন্থ, পৃ ১৪৯

গনকৰ বাজে আমাৰ যাবতীয় ইতৰ জাতিয়েই বিধবা বিবাহ কৰে···।'৩৯ অসমীয়া জন-সমাজৰ –'ইতৰ' জাতিৰ সমাজৰ···এই বৈশিষ্ট্য দেখিয়েই নিশ্চয় শতাধিক বছৰ আগতে অসমলৈ অহা ব্ৰাহ্ম-প্ৰচাৰক ৰামকুমাৰ বিদ্যাৰত্নই তেওঁৰ অধুনা দুষ্প্ৰাপ্য পুথি 'উদাসীন সত্য শ্ৰাবৰ আসাম ভ্ৰমণ' ত লিখিছিল : 'তাহাদিগের [ বঙ্গবাসীর ] সমাজ সংস্কারকরা প্রাণপনে চেষ্টা করিয়া বঙ্গদেশে বিবাহ প্রচলিত কৰিতে পাৰিতেছে না, ; কিন্তু আসামীদিগের [ অসমীয়াৰ ] মধ্যে আৰহমান কাল হইতে তাহা প্ৰচলিত হইয়া আসিতেছে।' ৪০ সহজেই

৩৯ যোগেন্দ্ৰনাৰায়ন ভূঞা সম্পাদিত, ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী, গুৱাহাটী, ১৯৭৭, পৃ ২৮৭, কমলাকান্ত ভট্টাচাৰ্য্যইও লিখিছে : ব্ৰাহ্মণ কায়স্থ সমাজত বিধবা বিবাহ নোহোৱাৰ কাৰণেই ঈশ্বৰৰ অভিশাপ পৰিছে।' ( প্ৰফুল্লদত্ত গোস্বামী সম্পাদিত, **কমলাকান্ত ভট্টাচাৰ্য্য ৰচনাৱলী** গুৱাহাটী, ১৯৮২, পৃঃ ২২৭ ) হিন্দু সমাজৰ নিম্ন স্তৰত যে বিধবাৰ পুনৰ্বিবাহ প্ৰচলিত আছিল তাৰ স্পষ্ট উল্লেখ হেমচন্দ্ৰ বৰুৱাৰ লিখনিত আছে। ( দ্ৰঃH. C Baruah, Notes on the Marriage systems of the peoples of Assam. Gauhati, 1984, P 45. লক্ষণীয় যে ৰত্নেশ্বৰ মহন্ত আৰু কমলাকান্ত ভট্টচাৰ্য্যৰ মতে কেৱল ব্ৰাহ্মণৰ মাজতেই বিধবা বিবাহ নিষিদ্ধ নহয়।

৪০ ৰামকুমাৰ বিদ্যাৰত্ন, **উদাসীন সত্যশ্ৰাবৰ আসাম ভ্ৰমণ,** কলিকতা পৃঃ ১০৬ এশ বছৰ আগতে কলিকতাৰ পৰা অহা আৰু এগৰাকী ব্ৰাহ্ম প্ৰচাৰকে 'আসাম ভ্ৰমণ' নামৰ এখন কিতাপ লিখিছিল। এই কিতাপৰ কিয়দংশ বৰ্তমান প্ৰসংগত উল্লেখ্য : 'আসামের মেয়েরা অনেকটা স্বাধীন। এখানে বিধবা বিবাহ ও বিধবা বিচ্ছেদ (**divorce**) প্রথা প্রচলিত আছে।······ বাঙ্গলায় দেয়ালের ওপৰ দেয়াল দিয়াৰ অবরোধে স্ত্রী জাতিকে বন্দী করিয়া রাখা সত্ত্বে যে ৰূপ ভীষণ ভ্রূণ হত্যার কাণ্ড চলিয়াছে, তাহার সহিত তুলনায় আসামী [ অসমীয়া ] সমাজ বহুগুণে সমুন্নত।' (**আসাম ভ্ৰমণ, কলিকতা,** ১২৯৬, পৃ : ১৩৮) [ব্ৰাহ্মপ্ৰচাৰকে লিখা এই অধুনা-দুষ্প্ৰাপ্য কিতাপ দুখন কলিকতাৰ বঙ্গীয় সাহিত্য পৰিষদৰ পুথিভঁৰালত আছে। ৰামকুমাৰৰ কিতাপখনৰ কিছু অংশ অৱশ্যে নষ্ট হৈছে। দুয়োখন কিতাপত উনৈশ শতিকাৰ অসমীয়া সমাজৰ বিষয়ে বিস্তৰ গুৰুত্বপূৰ্ণ তথ্য আছে। ]

অনুমেয় যে অসমীয়া সমাজৰ অতি ক্ষুদ্ৰ এটা অংশক উদ্দেশ্য কৰি গুণাভিৰামে 'ৰামনবমী নাটক' ৰ যোগেদি তেওঁৰ সংস্কাৰমূলক বাৰ্তা বিলাইছিল। বিদ্যাসাগৰৰ সংস্কাৰৰ ক্ষেত্ৰতকৈ সম্ভৱতঃ গুণাভিৰামৰ ক্ষেত্ৰ আছিল অধিকতৰ সংকীৰ্ণ আৰু এই অৰ্থত 'ৰামনবমী নাটক'ৰ আবেদন আৰু সামাজিক গুৰুত্ব আছিল অধিকতৰ সীমাবদ্ধ।

এই সীমাবদ্ধতাৰ বিষয়ে গুণাভিৰামে সচেতন নাছিল নেকি ? অসমীয়া সমাজৰ অতীত-বৰ্তমানৰ খবৰ ৰাখোটা গুণাভিৰামে নিশ্চয় জানিছিল যে চিৰবৈধব্য ব্যাপক অসমীয়া সমাজৰ সমস্যা নহয়। 'আসাম বুৰঞ্জী'ত তেওঁ দ্ব্যৰ্থহীন ভাষাত লিখিছে : ব্ৰাহ্মণৰ মাঝতেহে বিধবা বিবাহ অপ্ৰচলিত। সাধাৰণতঃ বিধবা বিবাহ ব্ৰাহ্মণ ভিন্ন সকলো জাতিতে প্ৰচলিত আছে'। ৪১ এই সামাজিক সত্যৰ আভাস 'ৰাম নবমী নাটক'তো আছে। যদিও নাটকৰ দুই-এটা অংশ পঢ়ি এনে ধাৰনা মনলৈ অহাটো স্বাভাৱিক চিৰ বৈধব্যৰ সমাস্যাটোৱে সমগ্ৰ হিন্দু সমাজকে জুৰুলা আৰু ৰুগীয়া কৰি পেলাইছে)। চতুৰ্থ অংকৰ তৃতীয় দৰ্শনত ৰামচন্দ্ৰই বিধবা-বিবাহৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰোঁতে তেওঁৰ ৰক্ষণশীল বন্ধু কামদেবে কৈছে ◦

কাম। তেনে হলে ভাৰ্য্যা স্বামীৰ স্নেহ কমিব,
ৰাম। আমাৰ দেশৰ বামুনৰ মাজতেহে নাই। অপৰ জাতিত এই নিয়ম আছে·········তাহাতৰনো কি হানি হৈছে ? কি স্নেহ কমিছে ?

নাটকৰ এই আভ্যন্তৰীন সাক্ষ্যৰ পৰাই বুজা যায় যে গুণাভিৰামৰ সংস্কাৰ প্ৰচেষ্টাৰ ক্ষেত্ৰ আছিল সীমিত। বিদ্যাসাগৰৰ বিষয়ে লিখোঁতে সমাজতাত্ত্বিক বিনয় ঘোষে এঠাইত কৈছে : 'ব্ৰাহ্মণ সন্তান হয়ে তিনি ব্ৰাহ্মণ্য অনাচারের বিৰুদ্ধে বিদ্ৰোহ ঘোষনা করেছিলে, কেৱল সমাজেৰ সৰ্বজনের স্বাৰ্থে

৪১। গুণাভিৰাম বৰুৱা **আসাম বুৰঞ্জী**, গুৱাহাটী, -১৯৭২, পৃ : ১৯৯

নয়, ব্রাহ্মণের স্বার্থেও।" ৪২ প্রায় একেষাৰ, কথা বোধহয় গুণাভিৰামৰ বিষয়েও কোৱা যায়। 'আসাম বুৰঞ্জী' আৰু ৰামচন্দ্ৰৰ সংলাপৰ পৰা আমি উদ্ধৃত কৰা কথা খিনিয়ে এই অনুমানৰ সপক্ষে সাক্ষ্য দিব। প্রসংগত আমি এই কথাও উল্লেখ কৰা উচিত হব যে ব্রাহ্মণসকলৰ বাদেও ব্রাহ্মণ্য বাদৰ দ্বাৰা প্ৰভাৱিত বা অনুপ্রানিত বর্ণ সমাজৰ একাংশৰ মাজতো নিশ্চয় বিধবা বিবাহৰ নিয়ম প্ৰচলিত নাছিল। এই অর্থত 'ৰামনৱমী নাটক'ত উত্থাপিত সমস্যাই ব্রাহ্মণ্যবাদী অ-ব্রাহ্মণ সমাজৰো বিশেষ এটা সমস্যাক প্রতিফলিত কৰিছে।

গুণাভিৰামৰ 'ৰামনৱমী নাটক'ৰ সীমাবদ্ধতাৰ প্ৰশ্নটোক আমি সমাজ-তাত্ত্বিক দৃষ্টিকোনৰ পৰাও বিচাৰ কৰি চাব পাৰো। এনে বিচাৰে বোধকৰো সংকীর্ণ সংস্কাৰ প্রচেষ্টাৰ সুদূৰ প্ৰসাৰী ভূমিকা তথা তাৎপর্য্য সম্পর্কে আমাক নতুনকৈ কিছু কথা চিন্তা কৰাৰ খোৰাক দিব পাৰে। সামাজিক মর্য্যদা বঢ়াবলৈ ব্রাহ্মণ বা অনান্য প্রভাবশালী জাতিক অনুকৰণ কৰাৰ যি প্রক্রিয়া—যাক সমাজতাত্ত্বিক সকলে সংস্কৃত্যায়ন **(Sonskritisation)** বোলে—৪৩ তেনে এটি প্রক্রিয়া সমাজত সক্রিয় থকাৰ কথা যদি স্বীকাৰ কৰি লওঁ তেন্তে তাৰ আনুষঙ্গিক সিদ্ধান্ত হিচাপে আমি বোধহয় আৰু এটা গুৰুত্বপূর্ণ কথা স্বীকাৰ কৰি লব লাগিব। এই গুৰুত্বপূর্ণ কথাটো হল : ব্রাহ্মণ বা উচ্চবর্ণ সমাজৰ সংকীর্ণ স্বার্থত চলোৱা সংস্কাৰ প্রচেষ্টাই বহুক্ষেত্রত সমাজৰ এক বুজন অংশৰ মংগল সাধন কৰে পৰোক্ষ আৰু অসচেতনভাবে। কিয়নো, সংস্কৃত্যায়ন প্রক্রিয়াৰ এটা অন্যতম প্রধান ধর্মই হল ব্রাহ্মণ্যবাদৰ নিম্নমুখী সমাজিক গতি : অর্থাৎ, এই ধর্মৰ ফল হিচাপে ব্রাহ্মণ বা উচ্চবর্ণ সমাজৰ অন্ধ, অমানবিক আৰু অনিষ্টকৰ আচাৰ অনুষ্ঠানবোৰ ক্রমে নিম্ন বর্ণলৈ বিয়পি যোৱাৰ বা নিম্ন বর্ণৰ মর্য্যদাকামী

---

৪২। বিনয় ঘোষ, **বিদ্যাসাগৰ ও বাঙালী সমাজ,** পৃঃ ৪২০

৪৩। **M.N. Srinivas, Social Change in Medern India New Delhi, 1984. P.6.**

অংশৰ দ্বাৰা সেইবোৰ সগৰ্বে সমাদৃত হোৱাৰ প্ৰচুৰ সম্ভাৱনা থাকে। কোৱা বাহুল্য যে এই সামাজিক প্ৰক্ৰিয়াৰ অংগ হিচাপে চিৰ বৈধব্যৰ কঠোৰ আদৰ্শ আপেক্ষিকভাবে উদাৰ জন সমাজৰ একাংশৰ দ্বাৰা আদৃত আৰু অনুসৃত হোৱাৰ দৃষ্টান্ত অসমৰ সামাজিক ইতিহাসত বিৰল নহয়। ব্ৰাহ্মণ্যবাদৰ সম্প্ৰসাৰণৰ এই সমাজতাত্ত্বিক পটভূমিৰ ওপৰত গুৰুত্ব দি বিচাৰ কৰিলে কিন্তু 'ৰামনবমী নাটক'ৰ সামাজিক ভূমিকা—তাৎক্ষনিক নহয়, সুদূৰপ্ৰসাৰী সামাজিক ভূমিকা—কেৱল ব্ৰাহ্মণ বা উচ্চবৰ্ণ সমাজৰ ঠেক গণ্ডীতেই আবদ্ধ বুলি কব নোৱাৰি। ৰত্নেশ্বৰ মহন্তই উল্লেখ কৰা 'ইতৰ জাতি'ৰ বৈধবাদৰ্শ-মুক্ত সমাজৰ বাবে গুণাভিৰাম সংস্কাৰ মূলক বক্তব্যৰ পৰোক্ষ আৰু অসচেতন ভূমিকা আছিল বহুলাংশে প্ৰতিষেধক মূলক ঔষধৰ নিচিনা।

আমি অৱশ্যে কব বিচৰা নাই যে গুণাভিৰাম বিৰচিত 'প্ৰথম অসমীয়া আধুনিক আৰু সামাজিক নাটক'খনৰ সংস্কাৰমূলক বক্তব্যৰ আবেদনৰ ক্ষেত্ৰ বহল আছিল, এনে উক্তিয়ে অজ্ঞতা বা অন্ধতাৰেই পৰিচয় দিব। হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন'ৰ যি বক্তব্য তাৰ সৈতে ব্যাপক অসমীয়া সমাজৰ সমস্যা পোনপেটিয়াকৈ জড়িত। ই নিঃসন্দেহে আত্মসমালোচনামূলক স্বদেশানুৰাগৰ এক উৎকৃষ্ট নিদৰ্শণ। গুণাভিৰামৰ 'ৰামনবমী নাটক'ৰ বিষয়ে কিন্তু এই কথা কব নোৱাৰি। এই ক্ষেত্ৰত গুণাভিৰামৰ স্বদেশানুৰাগ আত্ম-সমালোচনাৰ বাবে বাচি লৈছিল তেওঁৰ আজন্ম পৰিচিত এখন সংকীৰ্ণ ক্ষেত্ৰ। নাটকখনৰ মূল আবেদনৰ ক্ষেত্ৰ সম্পৰ্কে বিশ্লেষণ কৰি আমি ইতিমধ্যে দেখিছো যে এইখন নাটকত গুণাভিৰামৰ আত্মসমালোচনামূলক স্বদেশানুৰাগ প্ৰায় আত্ম-শুদ্ধিমূলক স্ববৰ্ণানুৰাগলৈ পৰ্য্যবসিত হৈছে। 'ৰামনবমী নাটক'ৰ এই সীমাবদ্ধতা দৰাচলতে উনৈশ শতিকাৰ সংস্কাৰান্দোলনৰ সামাজিক সীমাবদ্ধতাৰেই প্ৰতিফলন।

পিছে সীমাবদ্ধতা আৰু দুৰ্ব্বলতা থাকিলেও সংস্কাৰক হিচাপে 'ৰামনবমী নাটক'ৰ নাট্যকাৰৰ ভূমিকাৰ গুৰুত্বক অস্বীকাৰ কৰিলে অন্যায় কৰা হব

বা তাৰ শিক্ষাক উপেক্ষা কৰিলে ভুল কৰা হব। কাৰণ, সংস্কাৰমূলক আবেদনৰ ক্ষেত্ৰ যিমানেই সংকীৰ্ণ নহওঁক বা সংস্কাৰ পদ্ধতিত যিমানেই দুৰ্ব্বলতা নাথাকক, অন্ততঃ আন্তৰিক সদিচ্ছা, বিৰল সাহস আৰু অকৃত্ৰিম আদৰ্শনিষ্ঠাৰ বাবে 'ৰামনবমী নাটক'ৰ ৰচক গুণাভিৰাম যে সংস্কাৰনুৰাগী হিচাপে অসমৰ সামাজিক ইতিহাসত স্মৰণীয় হৈ থাকিব সেই বিষয়ে সন্দেহৰ অকনো অবকাশ নাই।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ বঙলা বিভাগৰ প্ৰাক্তন মূৰব্বী শ্ৰীযুত যতীন্দ্ৰ মোহন ভট্টাচাৰ্য্যৰ সুদক্ষ সম্পাদনাত 'ৰামনবমী নাটক'ৰ প্ৰথম পুনঃমুদ্ৰন প্ৰকাশ হৈছিল ১৯৬৫ চনত। ভট্টাচাৰ্য্য ডাঙৰীয়াই যথেষ্ঠ পৰিশ্ৰম কৰি লিখা সম্পাদকীয় ভূমিকাৰ বাবে এই সংস্কৰণৰ মূল্য আজিও আছে। 'ৰামনবমী নাটক'ৰ সামাজিক তাৎপৰ্য্য, ভূমিকা আৰু চৰিত্ৰৰ ওপৰত যথাযথ গুৰুত্ব নিদিলেও ভট্টাচাৰ্য্য ডাঙৰীয়াই লিখা সম্পাদকীয়টি আৰু পৰিশিষ্টত সন্নিবিষ্ট কৰা তথ্যসমূহ নিঃসন্দেহে গৱেষসকলৰ বাবে এক আপুৰুগীয়া সম্পদ। এই সংকলনৰ কাৰণে ভূমিকা লিখিছিল প্ৰসিদ্ধ সাহিত্যিক শ্ৰীযুত তীৰ্থনাথ শৰ্মাই। সকলো ক্ষেত্ৰতে তেখেতৰ মত আৰু মন্তব্যৰ সৈতে একমত হব নোৱাৰিলেও এই কথা অনস্বীকাৰ্য্য যে ভূমিকাটিত তেখেতে বেছ কিছু সাৰুৱা আৰু গভীৰ কথা লিখি গৈছে। ভাষাৰ সাৱলীল আৰু সুমধুৰ ব্যৱহাৰ তেখেতৰ ভূমিকাৰ আন এটি বৈশিষ্ট্য। এই ভূমিকা বৰ্তমান সংস্কৰণৰ পৰিশিষ্টত সন্নিবিষ্ট কৰিবলৈ অনুমতি দিয়াৰ বাবে আমি শ্ৰীযুত সত্যেন্দ্ৰনাথ শৰ্মাৰ ওচৰত কৃতজ্ঞ। 'ৰামনবমী নাটক'ৰ যতীন্দ্ৰমোহন ভট্টাচাৰ্য্য সম্পাদিত সংস্কৰণটি আমি ডিব্ৰুগড়ৰ কানৈ কমাৰ্চ কলেজৰ বঙলা বিভাগৰ মূৰব্বী শ্ৰীযুত দেবৰঞ্জন ধৰৰ পৰা পাইছো এই ছেগতে তেখেতৰো শলাগ লৈছো।

প্ৰসেনজিৎ চৌধুৰী

ডিব্ৰুগড়,
২৩ মাৰ্চ, ১৯৮৯

# ৰামনৱমী নাটক।

## প্ৰথম অঙ্ক।

### প্ৰথম দৰ্শন।

নাৰায়ণৰ বাটী।

নাৰায়ণ আৰু ধৰ্ম্মনাথৰ প্ৰবেশ।

নাৰায়ণ। শুনিছেনে ? হৰিভকত।

ধৰ্ম্মনাথ। কি ?

নাৰা। কালি ৰাতি অধ্যাপকৰ জীএকে কলে, বোলে, তেওঁ হুনু কালি গধূলী বাৰিলৈ যোয়াত শিৱকান্ত হঁতৰ বেটী পেলনীক লগ পাইছিল, তাতে তাই কলে যে শিৱকান্তৰ নৱমী বোলা জীএক জনিৰ গিৰিএক মৃত্যু হল।

ধৰ্ম্ম। সিহঁতেনো কেনেকৈ শুনিলে ? তৰপৰা মানুহ আহিছিলনে কি ?

নাৰা। শিৱকান্ত গঙ্গাতীৰৰ পৰা আহোঁতে জোঁয়াইএকৰ ঘৰত সোমাইছিল। সেইদিনাই হুনু জোয়াইএক জহনীত পৰি মৰিল।

ধৰ্ম্ম। অস! অস! বৰ শোকৰ কথা! সেই চোৱালীটীত বাজে শিৱকান্তৰ আৰু লৰা চোৱালী এটীও নাই। তাইএ যদি ভালে থাকিল হেঁতেন তেও [১] তেঁও বুৰাকালত সুখে থাকিল হেঁতেন। সিও গল যাৰ হয় তাৰ এনেহে হয়। উস! হৰি! হৰি!

নাৰা। এস! তাৰ তেনে দশা হবই পায়! ময় তেতিয়াই কওঁ এনে কথা নকৰিবা! আমাৰ হাক নুশুনিলে। কি কবাহে দেওহে এতিয়াৰ কালৰ মানুহৰ কথা।

ধৰ্ম্ম। কি ? তুমি কি কইছা, হৰিভকত ? তাক তুমি আৰু হৰিএহে বুজিলে। আমাৰ বুঝিবৰ সাধ্য নহল।

নাৰা। ময় কলোঁ কি ? যেতিয়া শিৱকান্তৰ সেই চোৱালীটীৰ নামকৰণ কৰে তেতিয়া ময় কইছিলোঁ যে তিথীৰ নামে নাম ৰাখিব নেপায়, ৰাখিলে বাঁৰি হয় তাতে সি কলে বোলে তাৰ ঘইনিএকে হুনু সামাজিকত সেইনামটী পাইছে সেই নামেই ভাল। এতিয়া কেনে। আমাৰ হাক নুশুনা ; হৰিভকত, তুমি বঁহা। মই ক্ষুদ্ৰ শৌচ কৰি আহোঁ।

[ইতি প্ৰস্থান।

ধৰ্ম্ম। (মনে মনে) কেনে দেখোঁন। তাৰ জোঁয়াইএক মৰে ই আকৌ কেনে বচন বোলে। ইএ সইতে তাৰ কিবা আছে হবলা ? তেনে নহলে এনে কথা কিয় কব ? যি হওক শিৱকান্তৰ ঘৰলৈ যাঁও। তীৰ্থৰ পৰা আহিছে সাক্ষাৎ কৰাও হব। বুজ লোয়াও হব। (স্পষ্টকৈ) হৰিভকত ময় এতিয়া বিদায় হলোঁ আবেলিকৈ আকৌ আহিম।

নেপথ্যৰ পৰা—যায়নে, বাৰু। [ধৰ্ম্মনাথৰ প্ৰস্থান। [২]

## দ্বিতীয় দৰ্শন

শিৱকান্তৰ বাটী।

ফুলেশ্বৰী, পেলনী এবং অন্যান্য গৃহ পৰিজনৰ প্ৰৱেশ।

ফুলেশ্বৰী। (কান্দি কান্দি) হাঁ গোঁসাই, এনেহে কঁপালত আছিল। হাঁ গোঁসাই! অ-মোৰ-আইটী-ঔ! ময় তোক কেনেকৈ চাই থাকিম ঔ! অ-মোৰ সোনাই ঔ (ক্ৰন্দন)।

পেলনী। আই! উঠক! কান্দিলে আৰু কি হব ? আমাৰ কঁপালত যি আছিল সেই হল। অ! মোৰ সোনাই তোকনো এই গাভৰু কালত খাৰুমণি নিপিন্ধা দেখি কেনেকেই জীম ঔ! অ মোৰ আইটী ঔ ?

(গৃহ পৰিজন সমস্তৰে ক্ৰন্দন।)

শিৱকান্তৰ প্ৰৱেশ।

শিৱকান্ত। আইটীৰ মাক! কিয়নো এনে বিয়াকুল হলা ? আৰু বিয়াকুল হলেনো কি হব ? নেকান্দিবা। নেকান্দিবা। শোক এৰি এতিয়া যাতে জাতি-কুল লাজ কায ৰয় তালৈ মন কৰা। পিছত যাৰ যি কপালত আছে সেই হব।

ফুলে। অ! মোৰ আইটী ঔ এনে মাৰ বাপেৰ তোৰ কপালত পাইছিলি ঔ! তোক জনমাই আমি একো সুখ দিব নোয়াৰিলোঁ। অ, মোৰ আইটী ঔ। [৩]

শিব। আইটীৰ মাক! মোৰে শপত নেকান্দিবা কান্দিলেনো কঁপালৰ লেখা খণ্ডাব পাৰিবানে? যদি পাৰা তেন্তে এবচৰ কান্দা। যদিহে নোয়াৰা তেন্তে কান্দিনো শৰীলটোক দুঃখ দিবৰ কি সকাম।

ফুলে। অ! মোৰ সোনাই ঔ! (স্বামীৰ প্ৰতি) হয়! এখেৰবাকি? এখেত গঙ্গা, গয়া, কাশী, প্ৰয়াগ, কৰি ফুৰক, ঘৰত থকা কেইটা দিনো ইঘৰ সিঘৰকৈ খেদাওক ময় জ্বলা জুই কুৰা আগত লই পুৰি মৰো। (এই-বুলি হিয়া ভুকুয়াই কান্দিবলৈ ধৰিলে)।

শিব। কোন আছ হঁক্ ধৰ। মানুহ জনি একেবাৰে বিয়াকুল হইছে, ভিতৰলৈ নে। (ফুলেশ্বৰীক সকলোয়ে ধৰাধৰিকৈ ভিতৰলৈ নিলে)

[ পেলনী ব্যতিৰেকে সকলৰে প্ৰস্থান

পেলনী। (মনে মনে) অস্! গোঁসাই! আমাৰ কঁপালত কনা বিধাতাই ইয়াকেহে লেখিছিল। আপোনাৰ লৰা চোয়ালী একো নাইএই। গিৰিহঁতৰ এই জনিকে তুলিতালি ডাঙ্গৰ কৰিলো, এইৰ মুখ চাই এইৰ লগতে দিন খেদাম। তাকো ঈশ্বৰে বঞ্চিলে। আমাৰ আঠ আঙ্গুলীয়া কঁপালত কনা বিধতাই ইয়াকেহে লেখিলে। অস! হৰি! হৰি! গোঁসাই।

হৰিপ্ৰিয়াৰ প্ৰবেশ।

হৰিপ্ৰিয়া। আই কি হল কিয়নো কান্দিছ?

পেলনী। আমাৰ কথা আৰু কি শোধা আই! এতিয়া আমাৰ মাৰিলেই ভাল। [৪]

হৰি। এ! আই! কি কম! আমাৰ কিবা কৰিবৰ সক্তি আছেনে?

পেলনী। দুঃখৰ কথা কি কম! আই! সিদিনা খোন চোয়ালী জনিৰ নোয়াই তোলনী হল। ময়েই সেই কাল শত্ৰুৰ ঘৰত জননি দি আহিলোঁ। এতিয়াহে এনে হবলৈ পালে। এটী লৰা চোয়ালী এৰি

যদি তাৰ তেনে হল হেঁতেন সিও নহল। কাউৰি খোৱা গণকে দেখোঁ পাজী পুথী চাই কলে বোলে নবমীয়ে স্নুভগা যোগ পাইছে।

হৰি। এতিয়াৰ গণকে মুঠে খাবহে জানে। গণিব পিটিব নোৱাৰে। এই দৰে ফাঁকি ফুঁকাকৈ পেট প্ৰবৰ্ত্তাই থাকে মাথোন। ভাল চোৱালী জনী, দেহি! কেনে অবস্থা হল। এতিয়া জেনেহে দিনকাল হইছে ভালে থকাই বৰ কঠিন।

পেলনী। আশীৰ্ব্বাদ কৰা আই! ভালে থাওক।

শিবাৰ প্ৰবেশ।

পেলনী। ( মনে মনে ) মৰ! এই জনিবা কেলেই আহিছে? কাৰ কত কি হল, কাৰ কত কি নহল এই বিলাক বুজ লবলৈ আৰু দন্দ কৰিবলৈ আহিছেনে কি?

শিব। হেৰ! পেলনী! সিদিনা খোনৰে পেৰা কেই বেলি তোৰ এখেলৈ আহোঁ। তোক লগকে নেপাওঁ। পয়সা কেইটা দিব লগা আছিল যে কি কৰিলি?

পেলনী। বাৰু! আই! দেখিছাই গিৰিহঁতৰ এই বিপত্তি হইছে। কেই দিন মান থাকা পিছে পয়সা পাবা। তোমাৰ পয়সা কেইটা লই আমি হেৰাই পলাই নেযাওঁ। [ ৫ ]

শিব। তোৰে দেখো বৰ বৰ কথা। ময় আকৌ ভালক প্ৰতি সুধিলোঁ তাই আকৌ বৰ বৰ মাত মাতে। কটাৰজী বেটী! বান্দী! বৰ সাহ পাই গলিনে?

হৰি। থাকা! আজি একো বুলিব নেলাগে। পিছে যি হয় হব। আঁহা! বাই! সাঁজ লাগিল। ঘৰলৈ যাঁও লৰা চোৱালীয়ে কান্দিব।

শিব। তোৰ লৰা চোৱালী আছে কান্দিব। তয় যা! ময় এতিয়া নাযাঁও। এবেলি ইঘৰ সিঘৰ কৈ ফুৰি আহোঁগই। [ শিবাৰ প্ৰস্থান। ]

পেলনী। এই জনিৰ সাঁজ লাগিলেহে ফুৰিবৰ সময় হয়। জানো আই! এইৰ কথা সকলো জানো!

হৰি। এৰি পেলোৱা আই। যি যিমানলৈ নামে, সি সিমানলৈ তিতিব।

[ ইতি নিষ্ক্ৰান্তাঃ। ]

## তৃতীয় দর্শন

কামদেবৰ বাটী।

কামদেব আৰু ৰামচন্দ্ৰৰ প্ৰবেশ।

কামদেব। বন্ধো! আঁহা! এই খিনি দিন তোমাক নেদেখি মন বৰ ভাবনাত আছিল। আজি হে আনন্দ!

ৰামচন্দ্ৰ। বন্ধো! ইমান দিন মোমাইঅকৰ ঘৰত সকলো সুখ [৬] পাইছিলোঁ। কিন্তু তোমাত বাজে অইন কোন লগ সমৰিয়া সকলৰ কাকত নেপায় বৰ ভাবনা কৰিছিলোঁ। ময় যে এওঁ বিলাকলৈ কাকত লেখিছিলোঁ এওঁ বিলাকে পাইছিল নে?

কাম। মোৰ কেই খন হলে পাইছিলোঁ। এতিয়া ডাকত ৰসীদ নাই। নাপাঁও বুলিলেই হল। নকবাহে বন্ধো! ইয়াৰ মানুহ বিলাকে দূৰদেশৰ বন্ধুয়ে সইতে কেনেকৈ প্ৰীতি ৰাখিব লাগে নেজানে। কাকত নেলেখে মিচাই কয় লেখিছো। মুখত হে ককাই! ভিতৰলৈ যোৱা যদি "একো নাই বুপাই।"

ৰাম। তাকেতো বন্ধো! ময় মনত বৰ বেজাৰ পাইছোঁ।

কাম। সি কথা এৰি পেলোৱা! কেই দিন মান তোমাৰ সৈতে থাকি মনৰ হাবিলায পলুয়াঁও।

ৰাম। মোৰ এই মাহৰ পেৰা মনতো বৰ উদ্বিগ্ন হইছে একোতো সুখ নেলাগে। সৰ্বদাই হাঁহি মাতি থাকিবলৈ ইচ্ছা যায় কিন্তু তেনে কৰিলেও অলপতে বেজাৰ ধৰে। তাৰ পৰা আকৌ অকল সৰিয়া হই থাকোঁ গই। তাতো সুখ নাপাওঁ। যতে ততে বৰ অসুখেই হে কাল যাই।

কাম। তুমিনো ইয়াৰ কিবা কাৰণ অনুভৱ কৰিব পাৰিছানে?

ৰাম। নাই একোকে কব নোয়াৰোঁ।

কাম। ময় এটা অনুভৱ কৰিছোঁ। বোধ হয় সেইটো অবশ্যে হব। নতুবা জ্বৰ নৰীয়া একো নাই শুদাই এনে কিয় হল।

ৰাম। কোৱা চোন! মোৰে শপত কি?

কাম। এতিয়া তোমাৰ যৌবন কাল উপস্থিত। বিশেষতঃ [ ৭ ] বসন্তকাল! যি সময়, পথ্য নহলে নৰীয়া পৰিবৰ অতি সম্ভব।

ৰাম। কিনো? নুবুজিলোঁ। ভালকৈ কোয়া চোন?

কাম। এঃ তাকে নুবুজিলা। পঢ়া নাইনে?

"বসন্তে ভ্ৰমণং পথ্যং অথবা অগ্নি সেবনং।
অথবা যুবতী নাৰী অথবা নীম্ব ভোজনং॥"

তুমি যি কালত ভৰি দিছা ই সকলোতকৈ বিষম। লগত যুবতী ভাৰ্য্যা নহলে একোকে ভাল নেলাগে যি যুবাৰ যুবতী আছে তালৈ চাবা চোন। তাৰ অইন হেজাৰ অসুখতো সুখ। নতুবা অন্য প্ৰকাৰ সুখ দিবপৰা বস্তু থকাতো অসুখ পোয়া যায়।

ৰাম। মোক ভেঙ্গুচালি কৰিচানে কি?

কাম। নহয়! ই ভেঙ্গুচালি কৰা কথা নহয়। তুমি ন মানুহ বুজা নাই। থাকা পিছে বুজিবা।

ৰাম। তেনে হলেও মোক তেনে নেভাবিবা। অ! বন্ধো! শিবৰাত্ৰিলৈ কেইদিনমান আছে?

কাম। আজি সপ্তমী। আৰু সাতদিন আছে। কেলেইনো?

ৰাম। অইন সকাম একোনাই মোমাই অকৰ ঘৰলৈ যাম।

কাম। বাৰু যাবা! এতিয়া একেলগে লুইতত গাধুই আহোঁগই বলা। আজি অনেক দিন তুমিয়ে সইতে একে লগে গা ধোয়া নাই।

ৰাম। বাৰু বলা। [ ইতি নিস্ক্ৰান্তাঃ। [ ৮ ]

## চতুৰ্থ দৰ্শন।

ৰাজআলী।

মঙ্গলুৰ প্ৰবেশ।

মঙ্গলু। (স্বগত) গিৰিহঁতৰ ঘৰত খাটোঁতে খাটোঁতে দিন গ'ল। আপোনাৰ একো বনকে কৰিবৰ আহৰি নেপাওঁ। এনেকৈ কেনেকৈ থাকিম।

ইমানদিন কৰি খুৱালোঁ। হেঁতেন যাতো আয়ে সোণাফুলী বিয়া দিব খুজিছে দেখিছে। কথাতে "গোলম হে গোলাম, গোলাম হে গোলাম।" কি বৰ গোলাম পাইছে? এতিয়া সি দিন আছেনে? "যেতিয়াৰ দিন তেতিয়াই গ'ল। চুমা খোৱা ঠাই**।" সেণাফুলী চোৱালী জনী দেখিবলৈ সুয়নী আৰু বন বাৰীত কাযি। আয়ে বুলিবৰে পেৰাতাই মোক দেখিলে মুৰত কাপোৰ লয়। গিৰিহঁতৰ জীএক আই দেওয়েও মোক দেখিলে ধেমালিকৈ সোণাফুলীৰ কথা শোধে। আৰু তাইৰ আগতো মোৰ কথা শোধে। যদি তাইক হে পাঁও থাকিম, নহলে যি হয় হব।

সয়ন্ত্ৰীৰ প্ৰবেশ।

(তাইক দেখি) ৰঃ এই আহিছে! এই দেখোঁ এটাইকে তিৰী তিৰোতা আনা দৰব দি ফুৰে। এইত শোধাচোঁন। লগত এটা বা এজনি নহলে নচলে। (প্ৰকাশ্যে) কলৈ গৈছিলা আই?

সয়ন্ত্ৰী। এ! কি শোধ? বুপাহে! বজাৰলৈ গইছিলোঁ, বস্তু বেহানী জুই চাই মৰগ। [৯]

মঙ্গলু। কিনো কিনিবলৈ গইছিলা?

সয়ন্ত্ৰী। বণিয়াৰ দেকানলৈ এটা দৰব কিনিবলৈ গইছিলোঁ। তাতে সি যি ফেৰাহে দিলে। তাক দেখিলেই খঙ্গ উঠে। সি আকৌ "কলে বোলে এই বেলি হুন্নু সেই বস্তুৰ" "এমদানী" অহা নাই।

মঙ্গলু। কি বস্তুনো, আই! আমি শুনিব নেপাওঁনে?

সয়ন্ত্ৰী। তোৰনো শুনিলে কি হব। মোক কিমান বস্তু লাগে নে জাননে?

মঙ্গলু। ময় তোমাক জানো। তেওঁআই কালৈনো? কি বস্তু?

সয়ন্ত্ৰী। তাকনো তয় কিয় শোধ? আজি কালি মোৰ ঠেঙ্গত শৰণ লোয়া মানুহবহে একাল লাগিছে।

মঙ্গলু। তেওঁ আই! কোয়া চোন কিনো? কালৈ?

সয়ন্ত্ৰী। কাম সেন্দূৰ।

মঙ্গলু। ইয়াৰেনো কি হয় ?

সয়ন্ত্ৰী। পৰৰ তিৰোতা আৰু পৰ মুনিহ তুইকো লগ লগাব পাৰি।

মঙ্গলু। কালৈনো আই! মোৰ বধে চূৰ কোয়া ?

সয়ন্ত্ৰী। ঐ! আই! কি মানুহ অ এইটো ? তয় কাৰো আগত নক যদি কব পাৰোঁ।

মঙ্গলু। বাৰু আই! গুৰুৰ শপত খাইছো নকঁও। কোয়া আই!

সয়ন্ত্ৰী। ৰাম! ৰাম! এনে শপত খাব পায় নে! বাৰু কঁও শুন, তহঁতৰ ঘৰত যে সোণাফুলী বুলি নবমী আইটীৰ বেটীচোয়ালিটী আছে তাইলইকে। তাই হুনু এটা মানুৰক খুয়াব।

মঙ্গলু। কাকনো খুয়াব ? অ! তাইৰ স্বাভাবটী ভাল নহয়! [১০] অধ্যাপকৰ পুতেকক ? বৰাৰ পুতেকক ? ইহঁত তুইকো হলে ময় তাইৰ গীদে গীদে ফুৰা দেখিছোঁ।

সয়ন্ত্ৰী। সিও হব পাৰে! এতিয়াৰ ভাল মানুহৰ লৰাই বান্দী বেটী লৈহে চকু দিবলৈ ধৰিছে। তেওঁ তাই হলে দৰব কৰিবলৈ দিওঁতে তাৰ নাম কুশল বুলি কইছে। তয় যা ময় এই পিনে হাজৰিকীয়াৰ পতুলীয়ে সোমাও।

মঙ্গলু। (স্বগত) এইত বাপেকে সোধোঁ ৰ! কাম সেন্দূৰনো কেনে ? কত পাই, কিমান দৰ; (স্পষ্টকৈ) আই! কাম সেন্দূৰনো কেনে ? কত পায় ? কি দৰনো ?

সয়ন্ত্ৰী। এ বোপাই তাৰ ৰং কাম চৰাইৰ গাৰ নিচিনা। দিনত ফোঁট লই আকাশলৈ চালে তৰা দেখি। দৰ মৰ মৰগ। টকাত এৰতি। যাকে তাকে বনিয়াই নিদিএ। চিনা মানুহকহে দিয়ে। তহঁত গলে মিচা মিচিকৈ এবিধ দিব তাৰে গুণ নকৰে। বাৰু ময় এতিয়া যাঁও। (প্ৰস্থান)

মঙ্গলু। (সগত) হেঁই আই! তাইনো কাক দৰব কৰিব খুইছে! আমাক দেখোন এনেই পায়। বহ বুলিলে সোঁও। এনে টোকনো দৰব কৰিব লাগে

কিয় ? অইন কোনো ভাল মানুহৰ লৰাক হে ? কুশলনো কাৰ নাও। ভাবিগুণি ময় ইয়াকে জনা নাই। তাই চাগৈ মিচাই এটা নাও কইছে। তাকেইনো কব কিয় ? দৰব কৰাত জানো মিচা নামত হয় ? কেতিয়াও নহয়। এইহে মোক ভূৰুকিয়ালে। ইয়াৰ বুজ লঁও। যদিহে বুজ পাঁও তেন্তে এটাইকে শিকাম বাপেকে। যদি তাক নোয়াৰো তেওঁ তাইকতো এবেলি পাম। বণিয়াৰ [ ১১ ] দোকানত কাম সেন্দূৰৰ বুজ লওঁ। এতিয়া যাঁও। পলম হলে আকৌ গালি পাৰিব ?

[ ইতি প্ৰস্থান।

## পঞ্চম দৰ্শন।

### শিবকান্তৰ বাটী।

ফুলেশ্বৰী, জয়ন্তী এবং নবমীৰ প্ৰবেশ।

জয়ন্তী। আমই ! সোণাফুলিয়ে কইছিল গই বোলে তুমি হুনু মোক মাতিছিলা ?

ফুলে। হয় মাতিছিলোঁ। সখীয়েৰে অকলে থাকে। তঁহত আহিলে তেও হাঁহিয়ে মাতে ভালে থাকে। তাছ চাছ খেদিবও পাৰ আৰু তাইক পঢ়িবলৈ শিকালেও শিকাব পাৰ।

নবমী। আই ! ময় পঢ়িবলৈ শিকিছোঁ। শৰু শৰু পুথী চূথী পঢ়িব পাৰো। সখীয়ে মোক শিকাইছে।

ফুলে। ( জয়ন্তীৰ প্ৰতি ) চোয়ালীজনিৰ কপাঁলত হে নাটিলে কাপোৰ চাপোৰ স্নুন্দৰকৈ বব পাৰে, ফুলতীও বাৰু হইছে। এতিয়া আকৌ তয় পঢ়িবলৈকো শিকাইছ।

জয়ন্তী। ময় সখীৰ ফুল দেখিছেঁ। সি বচৰত মোৰ ননন্দ কুমলী আইটীৰ বিয়াৰ সময়ত এখন শৰু সূতাৰ চেলেঙ্গ লগাই ছিলোঁ, তাতে সখীয়েহে ফুল দিছিল।

ফুলে। কিবা ভাল ভাল পুথী তঁহতৰ আছেনে ? [১২]

জয়ন্তী। এটাই আছে। অন্নদামঙ্গল, বিদ্যাস্নুন্দৰ, কামিনীকুমাৰ, ভূগোল,

পুৰাবৃত্তসাৰ, পদাৰ্থবিদ্যা, মহাভাৰত, ৰামায়ণ, শকুন্তলা, আৰু কাদম্বৰী সকলো আছে। সখীয়ে সকলো পঢ়া নাই। এতিয়া মুঠে ৰামায়ণৰ আদিকাণ্ডহে পঢ়িবলৈ ধৰিছে।

ফুলে। নহলে মোত কবি ময় কিনিবলৈ পয়সা দিম।

জয়ন্তী। বাৰু।

ফুলে। অসমিয়া পুথী পঢ়িছনে কিবা?

জয়ন্তী। ময় কেই খন মান পঢ়িছো। সখীয়ে হলে হাতে লেখা পঢ়িব নোয়াৰে। "অসমিয়া লৰাৰ মিত্ৰ" আৰু মাজে মাজে "অৰুণোদয়ো" পঢ়ে। তাত অনেক ভাল ভাল কথা আছে।

নৱমী। আই! সখীয়ে নাম দিবও পাৰে। মাতোটীও ভাল। পদো সৰহ জানে। আৰু কুমলী আইটীৰ বিয়াৰ দিনা এনেহে যোৰানাম দিছিল দৰা ঘৰীয়া বিলাক কান্দি গল।

ফুলে। অসমিয়া পুথী পঢ়িলেহে পদ শিকিব পাৰি। আই নৱমী! তয়ও পঢ়িবি।

নৱমী। ছাপা নহলে ময় পঢ়িব নোয়াৰোঁ।

ফুলে। আমাৰ গুয়াহাটীতো হুনু ছাপা আনিবলৈ কিবা যতন কৰিছিল। সিদিনা বৰবপায় কইছিল। আই জয়ন্তী! তয় শুনিছনে কি হল?

জয়ন্তী। আমই! ময় সিদিনা শুনিলো বোলে তাকে কৰিবলৈ কিবা হুনু এখন সভা পাতিছিল, তালৈ বৰ বৰ দৰ্মহা খোয়া মানুহ তিনটী কি চাইটীত বাজে কোনো নগল। কাৰো হুনু জাৰকালী বৰ ৰদ হল। কাৰো হুনু মুৰ বিষালে এই দৰেই নগল। পিছে [১৩] সেই সভা তেনেই তললৈ গল। আমাৰ ইয়াৰ মানুহে জানো তেনে কথালৈ মন দিয়ে?

ফুলে। তাকেতো আইহে! কাৰ কত কি হল, তাকে সৰহ ভাগে খোজে। আৰু হলা গছ পালেই বাগি কুঠাৰ মাৰে।

নৱমী। আই! উৰ্ব্বসী সখীক নমতালী?

ফুলে। মতাইছিলোঁ। তাই হুনু আজি নোয়াৰা হইছে। (জয়ন্তীৰ প্রতি) আইটী তয় আৰু উর্ব্বসী দুইও আহি ইয়াতে পঢ়ি শুনি উমলি থাকিবি।

জয়ন্তী। বাৰু আমই আহিম। ময় নাহিলে জীকাফুলীক পঠাই দিম। সখীকে পঠাই দিবা। আৰু আমই সখীক এনে দেখিব নোয়াৰোঁ। সদাই পাটৰ কাপোৰ পিন্ধিব, আৰু মুৰো মেলাব, অলঙ্কাৰো পিন্ধিব। মুঠে সেন্দুৰ হে পিন্ধিব নেলাগে।

ফুলে। বাৰু দে দোষ নাই।

নৱমী। আই! আজি ময় সখীউৰুৰ তালৈ যাঁও। আজি এমাহমান যোয়া নাই। কুমলী আইটীও আহিছে হুনু চাই আহিম। আৰু সেই পোনে উর্ব্বসী সখীৰো বুজ লই আহিম।

ফুলে। বাৰু যা।

জয়ন্তী। তেনে হলে সখী যাঁও বলা। [ইতি সর্ব্বে নিষ্ক্রান্তাঃ।

প্রথম অঙ্ক সমাপ্ত। [১৪]

## দ্বিতীয় অঙ্ক

### প্রথম দর্শন

(প্রথমতঃ ভবনাথৰ বাটী, শেষত ফুলনীৰ সৰোবৰ।)

ৰাম। বন্ধো! আজি শিবৰাত্রিৰ ব্রত। একো খোয়াও নাই। গাটো বৰ হেলেঙ্গ পেলেঙ্গ লগাইছে। একেই অসুখ গা, তাতে আকৌ আজি ব্রত হল।

কাম। মোমাইয়েকৰ ঘৰলৈ যাব নুখুজিছিলা নগলানে?

ৰাম। হয় নগলোঁ। দেউতায় হাক দিলে বোলে এতিয়া যাব নেলাগে একেলগে ফাঁকুয়াৰ সময়ত যাবি।

কাম। গাটোনো আগতকৈ এফেৰিও সন্তা পোয়া নাইনে?

ৰাম। এফেৰিও পোয়া নাই। দিনে দিনে বাঢ়িবহে লাগিছে।

কাম। বন্ধো! বাৰু এটা কথা শোধোঁ সচাঁকৈ কবানে?

ৰাম। বাৰু কম ; কি কোয়া কোয়া ?

কাম। আগেয়ে সত্য কাঢ়া তেহে কম।

ৰাম। বাৰু কাঢ়িলো, কোয়া ?

কাম। এতিয়া তোমাৰ যৌবন অবস্থা তাতে বসন্ত কাল। কোনবা বন্ধুয়নীত চকু পৰিছেনে কি ? সেই দেখিহে এনে হইছে।

ৰাম। ছি: ৰাম ! ৰাম ! তুমি এনে কথা নোকোয়া বুলিহে জানিছিলোঁ। মোৰ কেনে স্বভাব তুমি নেজানানে ? তেও তুমি এনে কথা কোয়া ইয়াতেহে ময় মৰিছোঁ।

কাম। বন্ধো ! ময় তোমাৰ স্বভাব জানো। তেও কালৰ গতি বুজিব নোয়াৰি। কিয়নো একেই যৌবন অতি বিষম কাল, তাতে বসন্ত কাল। ইয়াতেহে কঁও।

ৰাম। তেও মোৰ কথা নপতিয়ালানে ? [:৫]

কাম। ওহো হঠাৎ পতিয়াব নোয়াৰিলোঁ।

ৰাম। বাৰু তেনে হলে চাবা। ময় যদি কোনোবা তিৰোতাৰ প্ৰতি আসকতি কৰোঁ তেতিয়া মোৰ নামে কুকুৰ পুহিবা। ছিঃ বন্ধো ! ছিঃ মোক এনে পালানে ? দেখিবা দেখিবা ! তিৰোতাক কোনে বিশ্বাস কৰে। সাপৰ যেনে দুখন জীবা তিৰোতাৰো সেই ৰূপ। দলিবাৰী পচৰীয়াৰ গাখিৰৰ নিচিনা। গৰুয়ে যেনেকৈ প্ৰতিদিনে ন ন ঘাহ খাব খোজে সিহঁতো সেই ৰূপ। "বিৰলিয়ে যেনেকৈ পেট ভৰাই উঠি গামুৰী এটা দি দোখোজ মান কাঢ়িলে আকৌ সেই দৰে খাবৰ ইচ্ছা কৰে সিহঁতেও খাই উঠি এবেলি গামুৰী দি বাহিৰৰ পৰা আহিলে আকৌ সেইৰূপ ক্ষুধাৰ্ত্তা হয়। সিহঁত চঞ্চল প্ৰকৃতি, আৰু সন্দিগ্ধচিত্তা। ৰাতিপুয়া এবিধ, দুপৰীয়া এবিধ, গধূলী এবিধ, আৰু টোপনী আহিলে এবিধ। সিহঁতত বিশ্বাস নাই। এতেকে তুমি নিশ্চয় জানিবা ময় তিৰোতাৰ জন্য কেতিয়াও তেনে নহঁও।"

কাম। বাৰু তেনে থাকিলে ভাল। কিন্তু তোমাৰ দৰে পুথীত পঢ়া জ্ঞানৰ

দ্বাৰাই কোনেও সংসাৰ নকৰি নোয়াৰে। এতিয়া ফুলনীৰ সৰোবৰ ফুৰি আহোঁগই বলা। তৰপৰা আহি পূজা কৰি এঁকে লগে সাৰে থাকিম। ঘিনাই, মকুন্দ এওঁ বিলাকো আহিব খুজিছে চৌপট অথবা তাছ খেদিম।

ৰাম। আহাঁ, কিন্তু মোৰ হলে একোতো ভাল নেলাগে। যাবৰ মন নগলেও তুমি কিবা বোলা বুলি যাব লাগিব।

এইবুলি ফুলনীলৈ গমন। [ ১৬ ]

( বাদ্য ভাণ্ড ) ফুলনীত উপস্থিত হই সৰোবৰ দেখি।

কাম। বন্ধো! আহা! এই সৰোবৰটী কেনে সুন্দৰ। ইয়াৰ চাৰিও ফালে কেনে সুৰেৰে চৰাই বিলাকে আৰাও কৰিব লাগিছে। কেনে চিকোনে ফুল বিলাক ফুটীছে, দেখোঁতেই মনত তৃপ্তি জন্মে।

ৰাম। বন্ধো! সচাঁ কৈছা। এতিয়াহে মোৰ মনটী অলপ ভাল লাগিছে।

কাম। আহাঁ! সেই নাহৰ গছৰ তলৈ যাঁও তাতে বহি অলপ জীৰাও গৈঁ।

[ এইবুলি নাহৰ গছৰ তলৈ গল। ]

ৰাম। এই ঠাই ডুখৰী বৰ শীতল, মোৰ গাটো প্ৰথমে পুৰিব লাগিছিল। এতিয়াহে শীতল পাইছোঁ।

কাম। তুমি ইয়াতে অলপ জীৰোয়া, ময় এহেজাৰ বেলপাত আৰু কিছু মান ভাল ফুল তুলি আনোগই। ৰাতি পূজা কৰিবলই লাগিব।

ৰাম। বাৰু যোৱা সোনকালে আহা গই। [ কামদেবৰ প্ৰস্থান।

ৰাম। (স্বগত) বন্ধুও গল। মোৰো টোপনী আহে যেন লাগিছে। এফেৰি বাগৰ দিও। ৰাতি সাৰে থাকিবও লাগিব। পিছে তেওঁ আহি জগাব। আহা! কেনে সুন্দৰ ঠাই! হে জগদীশ্বৰ তুমি সকলোতে তোমাৰ লীলা প্ৰকাশ কৰিছা। হে ঈশ্বৰ! [ ইতি নিদ্ৰা। [ ১৭ ]

## দ্বিতীয় দৰ্শন।

প্ৰথমে শিবকান্তৰ বাটী। শেষে ফুলনীৰ সৰোবৰ

নবমী, জয়ন্তী আৰু উৰ্ব্বশীৰ প্ৰবেশ।

নৱমী। সখি! আজি ব্ৰত কৰিছানে?

জয়ন্তী। কৰা নকৰা তুইও হল। তেওঁ হলে ব্ৰত কৰিছে। ময় লুকাই কেইটামান আখই গুৰি খালোঁ। নেখালে টানিব নোয়াৰি। যিহে চত মহিয়া দিন!

নবমী। মোৰ হলে কৰিবৰ ইছা আছিল। আইয়েহে খুয়ালে। শৰুতে ময় প্ৰতি বচৰে কৰিছিলোঁ। তেওঁ তোমালকে যদি আহাঁ, ৰাতি একে লগে সাৰে থাকিব পাৰিম। (উৰ্ব্বশীৰ প্ৰতি) লগ! তুমি ব্ৰত কৰিছানে?

উৰ্ব্বশী। এঃ আমাৰ বা কি? বাঁৰি হলোঁ যেতিয়াই থাঁৰি হলো তেতিয়াই। আমি আৰু শিবৰাত্ৰিৰ ব্ৰত নকৰো। শৰুৰে পৰা আজি ওঠৰ বচৰ বয়সলৈকে ব্ৰত কৰি যি ফল পালোঁ সেইয়ে সৰহ হল। আৰু আমাক নেলাগে। লগ! তোমাক দেখো আগতকই এতিয়া বৰ খিনোয়া দেখিছোঁ।

নবমী। ওঁতো! নোয়াই তোলনী হবৰ পিছবেলী নোয়াৰা হবৰে পৰা বৰকৈ গা যায় সেই দেখিহে হবলা?

উৰ্ব্বশী। (জয়ন্তীৰ প্ৰতি) সখী! শুনিছানে? শান্তিয়নি হোয়া হলে এনে নহলহেঁতেন। আইঔ দেহি ডুখুৰী একোকে নেজানে আমি তেও যমৰ আগত কবলৈ এবেলি পালোঁএই। এ ওক হে ঈশ্বৰে বঞ্চিলে। [১৮]

জয়ন্তী। যাৰ যি কঁপাল। সেই বোৰ এৰি পেলোয়া। এতিয়া আমি অলপ শোকতে আনন্দ কৰোঁ।

নবমী। লগ। বলা এবেলি ফুলনীৰ সৰোবৰ ফুৰি আহোঁগই। পিছে আহিও ঘৰা ঘৰি যাবা।

উৰ্ব্বশী। কোন কোন যাবনো?

নবমী। কিয় ? কিয় ? তুমি, ময়, সখী, আৰু সোণাফুলীক লগত নিম। আৰু লাগে যদি কুমলী আইটিকো নিব পাৰোঁ।

জয়ন্তী। তাইক (কুমলীক) নিব নালাগে। তাই থাকিলে আমি একো হাঁহি মাতি দুঃখ সুখৰ কথা কব নোয়াৰিম। তাই পোনেই গই আইৰ আগত কই দিয়েগই। তত আকৌ যেনেহে কবৰ ঠাই নাই। মুখতে দন্দ। যাতো ময় দেখিছে। তেঁও মোক আয়ে সইতে দন্দ কৰিবলৈ হাক দিছে। নিদিয়া হলে ময় পাৰিলেঁাহেঁতেন।

উৰ্ব্বশী। এনেকেই যাব নোয়াৰো। আমাৰ সিদিকি এনেই দুৰ্যশস্যাৰ সীমা নাই তাতে আকৌ আজি সাঁজবেলীয়া ফুৰিবলৈ গলে আৰু ৰক্ষা পাম নে? "পচোয়া বতাহে দুয়াৰ মেলে, বৰলাৰ গাত দায়" লগা কথা। যদি পেলনী বাই যায় তেনেহলে যাব পাৰোঁ।

নবমী। বাৰু! হেৰ সোণাফুলী! সোণাফুলী অ। এঃ বাকলি এই জনীক দেখোঁ আমাৰ নিচিনা মানুহে মাতিলে মাতিও মাত নেপাঁও। এই আজি কালি বৰ ৰসকি হইছে। হেৰ সোণাফুলী!

নেপথ্যৰ পৰা। আইদেও! গইছোঁ!

নবমী। বেগতে আহ। বাইকো মাতি লই আহ। [ ১৯ ]

সোণাফুলী আৰু পেলনীৰ প্ৰবেশ।

নবমী। বাই বল! মোৰে শপত বল! ফুলনীৰ সৰোবৰ ফুৰি আহোঁগই সখীউৰুও যাব।

পেলনী। বল! তোৰ লগত ময় হেবাথৰী খালোঁ। আইত কইছিলিনে?

নবমী। কোয়া নাই। সোণাফুলী! আইত শুধি আহগই যা। হেনে আমি ফুলনীৰ সৰোবৰ ফুৰিবলৈ ওলাইছো। নেপথ্যেৰ পৰা। বাৰু। [ সোণাফুলীৰ প্ৰস্থান।

সোণফুলীৰ প্ৰবেশ।

সোণাফুলী। আইদেও আয়ে যাব দিছে।

নবমী। বাই চাচোঁ? এই আজিকালি বৰ উদণ্ড হইছে। অঃ সখী! বলা।

উৰ্ব্বশী }
জয়ন্তী } বাৰু বলা।

ফুলনীলৈ গমন।

পেলনী। আই নৱমী! তয় মাজত যা।

জয়ন্তী। বাই! সখীক কোনেও ধৰি নিনিয়ে, দে-দে-হওক দে, মাজত নিও।

পেলনী। নহয় আই! আমাৰ হইছে কঁপাল বেয়া, সেই দেখিহে কঁও।
(ফুলনীত উপস্থিত এবং চতুৰ্দ্দিকে ভ্ৰমণ।)

জয়ন্তী। সখি! চোৱাচোন কেনে সুন্দৰ ঠাই ইয়াতনো কাৰ মনত তৃপ্তি নজনমে! [২০]

উৰ্ব্বশী। ইয়াত এনে অনুভৱ হয় যেন স্বয়ং বসন্ত ৰাজত্ব কৰিছেহি। (এই বুলি এটিয়া এটি হই সকলোৰে ভ্ৰমণ।)

নৱমী। ঔ! সখি ধৰ! ঔ বাইধৰ!

সকালায়ে। কি হল? কি হল, কি হল?

নৱমী। এই ভোমোৰাটো মোৰ মুখৰ ওচৰলৈ আহি বৰকৈ ভোঁ ভোঁ কৰি উৰিগল। তেতিয়াৰে পৰা মোক সৰ্ব্বনাশ কৰিছে।

উৰ্ব্বশী। তোমাক নকৈ ফুটা পদ্ম হেন দেখি সেই দৰ কৰিছে। অইন একো নহয়। * * *

জয়ন্তী। লগে যি কথা কইছে মিচা নহয়। তুমি বাস্তকতে নকৈ ফুটা পদ্ম। তোমাৰ মধু আজিলৈকে কোনেও পান কৰিব পৰা নাই।

নৱমী। তোমাৰ আকা?

জয়ন্তী। (হাঁহি হাঁহি) আমাৰ হলে মধু নাই। এতিয়া গুৰ হইছে। অভাবতহে। তেওঁ ভালকৈ জনাই চুহিলে মধু পাব। কিন্তু তোমাৰ দৰে নহয়। পানী মিহলোয়া হে পাব। মধ্যম ৰূপে জনাই চুহিলে গুৰ পাব। অপল জনাই চুহিলে লালী গুৰ পাব। নজনাই হলে সিটাকো নেপায়।

নৱমী। কিবা ঠাৰে ঠোৰে কোয়া বাকলি আমি বুজিব নোয়াৰোঁ।

উৰ্ব্বশী (জয়ন্তীৰ প্ৰতি) তেওক এই সকল ৰসিকালী কথা নকবা। কিমান

দিন থাকে নজনাকৈয়ে থাওক। জানিলে জেনেহে চোয়ালী কিবা এটা হব।

জয়ন্তী। বাৰু ?

নৱমী। সখি! তোমালোকে ইয়াতে থাকা, ময় নাহৰ গছৰ [২১] পাত কেইটা মান লই আহোঁ গই। বিহুৰ দিনা "জৈমিনিশ্চ" লেখিব লাগিব।

উৰ্ব্বশী। আজি মুঠে শিবৰাত্ৰি, বিহুলৈ ভালে মান দিন আছে।

জয়ন্তী। বাৰু যোয়া ? আমি সিফালে যাঁও। (উৰ্ব্বশীৰ প্ৰতি) ফুৰক দেহি ডুখৰী। ফুৰিএই তেও মনৰ হাবিলাষ পলুয়াওক।

নেপথ্যৰ পৰা। সোণাফুলি! তয়ে আৰু বাইএৰে বেগাই আহ। আইটী হঁত তাতে থাওক। ঘুৰি আকৌ যাবি।

পেলনী। আই অ! ভিতৰত আয়ে মাতিছে আমি দুইও যাঁও। তয় সখীয়েৰ হতে সইতে উমলি থাক। ময় পিছে আহি লই যাম। ময় নহাকৈ নেযাবি দেই! আই! দেই!

নৱমী। মোৰে শপত বাই খৰকৈ আহিবি। মোৰ ইয়াত থাকিবৰ মন নেযায়। সখীউৰু নহা হলে নাহিলোঁ হেতেন। হেৰ সোণাফুলি! সখীউৰু ঘৰলৈ যাব আৰু ৰাতিও সাৰে থাকিবলৈ আহিব। তয় তামোল চামোল কাটি যতনাই থ গই। আৰু কামিনীউৰুৰ তৰপৰা তাছ যোৰ লই আহ গই।

সোণাফুলি। বাৰু আইদেউ।

(সোণাফুলি আৰু পেলনীৰ প্ৰস্থান, উৰ্ব্বশী আৰু জয়ন্তীৰ অহাদিকে গমন এবং নৱমীৰ ধীৰে ধীৰে নাগেশ্বৰ সমীপেৰে গমন [১২]

## দ্বিতীয় অঙ্ক ঃ
### তৃতীয় দৰ্শন

ফুলনীৰ সৰোবৰ।

(এই বিলাকৰ হাইত টোপনী ভাগী আৰু চকু মেলি নৱমীক দূৰৈৰ পৰা নিৰীক্ষণ কৰি — সূৰ্য্য উদয় হেন মনে ভাবি।)

ৰামচন্দ্ৰ। শ্ৰীগুৰো ! শ্ৰীগুৰো ! শ্ৰীগুৰো ! সুৰ্য্য, ৰাতি পুয়াল, সুৰ্য্য উদয় হল মই ইহাতে শুই থাকিলোঁ। শিব পূজা কৰাও নহল। পিতায় বা কি বোলে বন্ধুয়েও নেমাতিলে। ( কাতি হই পশ্চিমৰ ফালে নিৰীক্ষণ কৰি সূৰ্য্যক চকা পাটত বহা দেখি ) নে-নহয়। এটা সূৰ্য্য অস্ত আৰু এটা উদয় হব নোয়াৰে। এইটো চন্দ্ৰহে উদয় হব ধৰিছে। চন্দ্ৰই বা কেনেকৈ হব ? আজি কৃষ্ণপক্ষৰ চতুৰ্দ্দশী শিবৰাত্ৰি। এনেইবা কিয় হব ? সমাজিক দেখিছো নে কি ? না সিও নহয়। বন্ধু আৰু অলপতে মুঠে ফুল তুলিবলৈ গইছে। এতিয়াই আহিব। চাও কি হল। ( পিছত নৱমী কিছু ওচৰলৈ অহাত মনুষ্যৰ আকাৰ হেন দৃষ্টি কৰি ) আহা ! ধন্য ! ধন্য ! এই জনা অপেস্বৰা স্বৰ্গৰ পেৰা নামি, এই সৰোবৰত ক্ৰীড়া কৰিবলৈ আহিছে। ময় ইয়াতে টোপনীৰ ভাও যুৰি থাকোঁ পিছত দেবতা নে, গন্ধৰ্ব্ব নে, মানুহ জনা যাব। ( এই বুলি টোপনীৰ ভাও যুৰি ৰল। )

নৱমী। এই জনানো কোন ? নাগেশ্বৰৰ তলত ফুলনী পহৰ কৰি আছে ময় কেনেকেই ওচৰলৈ যাঁও। [২৩] নাহৰ পাত আনিব লাগে। এওঁক মানুহহেন হে দেখিছোঁ কিন্তু সংসাৰত যিবিলাক মানুহ দেখোঁ সেই সকলোতকৈ এওঁক পৃথক যেন দেখোঁ। এওৰ শৰীলত দৈব শক্তি আছে। নতুবা এনে নহয়। তেঁও শুই আছে এবেলি তেঁওৰ ওচৰেৰে গা মাৰি যাঁও। তাতে ভালকৈ দেখিম। ( এই বুলি ৰামচন্দ্ৰৰ ওচৰেৰে গা মাৰি গল। যাঁওতে মনে মনে ) এঁও অবশ্যে মানুহ তাত কোনো সন্দেহ নাই।

ৰাম। ( তদ্ৰূপ ) অঃ ছাঁ আছে। অবশ্যে মানুহ। কিন্তু এটা কথা। এঁওক যিৰূপ বয়সিয়াল দেখা গইছে সেই ৰূপ অলংকাৰাদি একো নাই। বোধহয় স্বামীহীনা হব পায়। অঃ অবশ্যে হয়। কঁপালত সেন্দুৰ নাই হা ! কিয় তেঁওৰ প্ৰতি স্নেহোদয় হইছে ?

নৱমী। ( তদ্ৰূপ ) হৃদয় ইমান চঞ্চল হইছা কিয় ?

ৰাম। (তদ্ৰূপ) এঁওৰ পৰিচয় লোয়া নিতান্ত আৱশ্যক। কেনেকেই লওঁ। কোনো কথা আৰু বন্ধু এতিয়াই আহিব। মই যদি এঁওত উপযাচক হই অগাবাঢ়িগৈ শোধোঁ এওঁয়েইবা কি বুলিব? বন্ধুয়েইবা কি বুলিব?

নবমী। অইন দিনা যে ইমান চঞ্চল চিত্ত নহয় আজিনো হইছে কিয়? হৃদয় স্থিৰ হোয়া।

ৰাম। (তদ্ৰূপ) উঠিব লাগিব। তেওঁ থিয় হৈ আছে। পৰিচয় লব লাগে। মন অতিশয় চঞ্চল হইছে। নুঠিলে নহয়। (স্পষ্টকৈ) নাৰায়ণ! নাৰায়ণ! নাৰায়ণ! ইমান বেলি গুলোঁ কোনেও নেমাতিলেও। সন্ধ্যা লাগিল। [২৪]

নবমী। (লজ্জায় নম্ৰমুখী হই ওৰণি টানি দি মনে মনে) কি আশ্চাৰ্য্য! আজি মোৰ কিয় এনে হইছে? মোৰ দেখোঁ এই অচিনাকি পুৰুষ জনে সইতে কথা বাৰ্ত্তা কৰৰ ইচ্ছা হইছে। অধিক কি? তেওঁৰ কোলাত যেন বহিম গই।

ৰাম। (তদ্ৰূপ) এওঁয়ে সইতে নো কি ছলেৰে কথা কওঁ! উঃ যেন কোলাত লম।

নবমী। (তদ্ৰূপ) সখীউৰুয়ে এতিয়াই মাতিব। মোৰ ইয়াত থকা উচিত নহয় কিন্তু এঁওক এৰি যাববো সত নেযায়। সৰ্ব্বদা চকুৰ নিমিষ নমৰাকৈ যেন চাই থাকিম। তেও যেন তৃপ্তি নহয়। নহয়! যাবহে লাগে। নহয় নেযাঁও। যাবহে লাগে। (এই বুলি ডুখোজ মান কাঢ়ি পিছলৈ উভতি চাই) অঃ কিয় এনে হল? ইয়াৰ পৰা মুখ ঘূৰাই এখোজো যাবৰ মন নেযায়। (এইবুলি আকৌ দোখোজমান কাঢ়ি উভতি চালে)

ৰাম। ঈশ্বৰৰ কি ইচ্ছা! মোৰ যেনে অবস্থা বোধ হয়, সেই স্বৰ্গ সুন্দৰীৰো তেনে অবস্থা। নতুবা এই দৰে গই গই উভতি কিয় চাব? আৰু মোৰচকুয়ে চকু পৰিলে সিফালে চায়। নপৰিলে মোৰ ফালে একেথৰে চায় থাকে।

নেপথ্যৰ পৰা — আই অ! আইয়ে মাতিছে।

নবমী। (মনে মনে) অঃ বাইয়ে মাতিছে ময়নেঃ আজি কেনেকেই যাঁও। ইয়াৰপৰা যোয়াতকৈ দেখোঁ পৰি মৰাই ভাল।

ৰাম। (তদ্রূপ) কোনোবাই এই কন্যাক মাতিছে। ময় অলপ আঁতৰ হই, চঁপা ফুলৰ তললৈ যাঁও। [এইবুলি চঁপা ফুলৰ তললৈ গল। [২৫]

পেলনীৰ প্রবেশ।

পেলনী। আই অঃ খৰকৈ আহ।

নবমী। (মনে মনে) সেই পূরুষ জনো আতৰলৈ গল। আঃ সেই জন গছৰ তলত থিয় হই আছে। হাঁ গোসাই! মই কেনেকেই এঁওক নেদেখি থাকিম? (স্পষ্টকৈ) বাই সখীউৰু আহিল নে। নাই যদি মাতি আন। সৌ সিফালে গইছে।

জয়ন্তী আৰু উৰ্ব্বশীৰ প্রবেশ।

পেলনী। আইটী আহ। সখীয়েৰহঁত আহিল। যাঁও আহ।

নবমী। (মনে মনে) অইন দিনা বাইৰ কথা শুনিলে কানত মধু হেন লাগে আজিনো এনে কাঠ হেন লাগিছে কিয়? (স্পষ্টকৈ) বাৰু বল। (এই বুলি দোখোজ মান কাঢ়ি) বাই ময় যাব নোয়াৰোঁ মোৰ ভৰিত কাইটে ফুটিছে। এই বুলি চাপৰি ভৰি চাবৰ নাম কৰি ৰামৰ ফালে দৃষ্টি কৰি, বাই! মোৰে শপত আহ। কাঁইটটো উলিয়াহি।

পেলনী। এঃ তোৰ আকৌ ভৰিত কাঁইট ফুটিল। মোৰ জানো চকু আছে, তোৰ কাঁইট উলিয়াব। জয়ন্তী আইটী! সখীয়েৰৰ ভৰিত হুনু কাঁইট ফুটিছে উলিয়াহি।

ৰাম। (মনে মনে) এই চোয়ালীটীৰ অবশ্যে মোৰ প্রতি কিবা স্নেহ হইছে, নতুবা এনে বাগতি কিয় কৰিব? দেখা চোন? কেনেকেই সময়ে সময়ে মোৰ ফালে চাইছে।

জয়ন্তী। সখি চাঁও কত কাঁইট ফুটিছে। (এই বুলি ভৰি চাই কাঁইট নেদেখি) কতা কাঁইট নাই ওলাই পৰিল হবলা। [২৬]

উৰ্ব্বশী। (ৰামচন্দ্ৰৰ প্ৰতি দৃষ্টি কৰি মনে মনে) অঃ বুজিলোঁ। এঁওৰ কঁাইট ফুটা মিচা। এই পুৰুষ জনৰ প্ৰতি প্ৰেমৰ ইচ্ছা স্বৰূপ কঁাইটেইহে এঁওৰ গতি ৰোধ কৰিছে। কিবাহে কথা দেই। (স্পষ্টকৈ) সখি। কঁাইট নাই বলা।

নবমী। (মনে মনে) কি আপদ। (স্পষ্টকৈ) বাৰু সখি বলা (পথত মনে মনে) কেনে কেইনো যঁাও? আহা! মোৰ কি দুৰ্ভাগ্য। যে এনে ঠাইৰ পৰা আহিব লাগিল। যি থাকে কঁপালত সেই হব। ময়নো কেনেকেই এই পুৰুষ জনক পাম, যে তেঁওয়ে সইতে দুআখাৰ মান কথা কই তৃপ্তি হম। ময় দেখোঁ বিধবা। ময়তো আৰু অইন পুৰুষৰ মুখ চাব নেপাঁও। কিয়নো নেপাঁও, ময়তো বিধবা হইছো। হয়। তেও ময় কেতিয়াও ঈশ্বৰৰ নিয়ম পেলাব নোয়াৰোঁ। ৰিপুৰ অবশ কেতিয়াও হব নোয়াৰোঁ। এই এই নহয় তাৰ প্ৰমাণ। এতেকে অবশ্যে পুৰুষ সম্ভাষ কৰিব পায়। বিবাহৰ মুখ্য তাৎপৰ্য্য যি সি যাৰ দ্বাৰা সিদ্ধি হয় সেই এই স্বামী। ময় এঁওক ভজনা কৰি অন্যৰ প্ৰতি মন নকৰি থাকো মাত্ৰ তেনেহলে মোৰ পতিসেবা হল। এজন পতি মৰিলেই যে অইন পতি হব নোয়াৰে ই কোনো কোনো শাস্ত্ৰত আছে। থাকিলে কি হয়? শাস্ত্ৰনো কি? ঈশ্বৰৰ নিয়মৰ ওপৰত কোনো শাস্ত্ৰ হব নোয়াৰে। আৰু তিৰোতাই যে এবাৰ স্বামী মৰিলে বিয়া কৰাব নেপায় পুৰুষেনো কিয় আকৌ পায়? ইয়াতে থাকি জনা গইছে, সে পক্ষপাত আছে। সেই পক্ষপাত সত্য কালত চলিছিল। এতিয়া আৰু চলিব নোয়াৰে। [২৭] তাৰ প্ৰমাণ, পৰা হলে এনে নহল হেঁতেন। আৰু আমাৰ মনেতেইবা অন্য পুৰুষলৈ প্ৰেম কিয় জন্মিব? এঁওক ভজনা কৰিলে লোকে অসতী বুলিব? সি নহয়। কিয়নো এঁওক ভজনা কৰি যদি প্ৰথম বিবাহিতা স্বামীৰ দৰে এঁওতে পতিব্ৰতা ধৰ্ম্ম পালন কৰোঁ তেনে হলেই সতিত্ব ৰল। যাৰ স্বামী আছে তাই যদি অন্য পুৰুষত আসক্তা হয়, তাই জানো সতী? এনে কেতিয়াও

নহয়। এতেকে মোৰ মনত দৃঢ় বিশ্বাস হইছে। ময় এঁওক ভজনা কৰি পতিব্ৰতা ধৰ্ম্ম পালন কৰিলে কেতিয়াও ধৰ্ম্মৰ ওচৰত পতিত ন হঁও। ৰাম! ৰাম! কি কথা ভাবিছোঁ। (স্পষ্টকৈ) ৰাম! আজি গাটো বৰকৈ পুৰিছে। নাহৰৰ পাতো আনিব নোয়াৰিলোঁ।

শিবকান্তৰ পচুলী পাই

উৰ্ব্বশী। সখি! আমি এই পিনে যাঁও। তুমিও ঘৰলৈ যোয়া। ৰাতিকৈ আকৌ আহিম।

নবমী। বাৰু সখি।

[ নবমী আৰু পেলনীৰ প্ৰস্থান। ]

উৰ্ব্বশী। নবমী লগৰ কিবাহে কথা। ফুলনী বাৰিৰ বাঁও ফালে চপা ফুলৰ তলত কোন থিয় হই আছিল দেখিছানে।

জয়ন্তী। দেখিছো। তেঁও মোৰ এক সম্বন্ধে দেওৰ হয়। তেঁওৰ মোমায়েকৰ পুতেক। তেঁও তেইনে। বাৰু?

উৰ্ব্বশী। এতিয়া আমাৰ অইন একো প্ৰকাশ কৰিবৰ আবশ্যক নাই। নহলেনো লৰা মানুহ হাঁহি হেন দিন কেনেকেই খেদাব। গাতেই গম নে পাইছা। [২০]

জয়ন্তী। কব নেলাগে। ইয়াৰ আজি বুজপাম। এঁওয়ে সইতে আগেয়ে তেঁওৰ সাক্ষাৎ নাই মুঠে আজিহে হব পায়। হলেও মুঠে সাক্ষাৎ মাত্ৰহে। হঠাৎ কেনেকেইনো অইন হব। নবমীৰ যেতিয়া আগবিয়া হোয়া নাই, তেতিয়াই তেঁও মোমাইএকৰ ঘৰলৈ গইছিল, আজি কেইবা বচৰ মানৰ মূৰতহে আহিছে। অইন একো হোয়া নাই। পূৰ্ব্বৰ পৰা যে চিনাকী আছে সিও মনে নধৰে। কিয়নো থাকিলে নবমী সেই বিষয়ত এনে আজলা নেথাকিল হেঁতেন। দেখা নাইনে একোকে নেজানে।

উৰ্ব্বশী। মোৰোতো সেইটো মনে ধৰিছে। বাৰু এতিয়া ঘৰলৈ যাঁও। কতো ই কথা ফাচ নকৰিবা। হয়েই কি নহয়েই। সখি! যাঁও দেই।

ৰাতিকে একে লগে নবমী লগউক্ৰ ঘৰলৈ জাম।

[ ইতি ক্ৰমে ক্ৰমে নিষ্ক্ৰান্তাঃ।

## চতুৰ্থ অঙ্কৰ চতুৰ্থ দৰ্শন

হৰনাথৰ বাটী।

হৰনাথৰ আৰু নিগদতিৰ প্ৰবেশ।

হৰনাথ। হেৰ নিগদতি!

নিগদতি। দেউতা।

হৰ। বপাৰনো কি হইছে অ?

নিগ। জানো দেউতা কব নোয়াৰো। কালি কামদেউ বপাৰে সইতে ফুৰিবলৈ গইছিল। তৰপৰা আহি [২৯] লৰা লৰিকৈ শিব পূজা কৰি, অইন বেলি হলে সাৰে থাকে, ই বেলি সাৰেও নে থাকিল, তেনেই শুলে। জানো দেউতা কি হল। কাকো ওচৰলৈ যাব নিদিয়ে। মাজে মাজে একো একোটা বৰ হুমুনিয়াহ কাঢ়ে।

হৰ। কিনো হল বাকলি? লৰাটৰ এটানে এটা লগৰ পৰা নুগুচেই। ময় এই পিনে ফুৰি আহোঁ গই। তয় ইয়াতে থাক, হোঁকোটো আৰু কঠটো আছে।

[ ইতি প্ৰস্থান।]

কামদেবৰ প্ৰবেশ।

কামদেব। নিগদতি! বন্ধু কত আছে?

নিগ। বাপা! তেওঁৰ কান্নিৰে পৰা গা বেয়া।

কাম। বাৰু মোৰ কথা কগই যা।

নিগ। বাৰু বপা!

[ ইতি প্ৰস্থান।]

নেপথ্যৰ পৰা। বপা বঁহা! বন্ধুয়েৰ যাবলৈ ধৰিছে?

ৰামচন্দ্ৰৰ প্ৰৱেশ ।

ৰামচদ্ৰ। বন্ধো। আহঁা !

কাম। গাবেয়া বোলে। কিনো হইছে ?

ৰাম। মোৰ নৱীয়াতো তুমি জনাই।

কাম। নহয় তেও ভালকৈ কোয়া চোন ?

ৰাম। বন্ধো! তুমি যদি ভাল কৰা তেহে ভাল, নতুবা মৰণ।

কাম। বাৰু! কোয়া। মোৰ যত্নত ত্ৰুটী নহয়।

ৰাম। বোলা বন্ধো! হেকান নেপাৰা আৰু নোসোমঁৰাও। [৩০]

কাম। বাৰু!

ৰাম। কালি সন্ধ্যা বেলিয়া মোক ফূলনীৰ বাৰিৰ নাহৰ গছৰ তলত থই তুমি ফুল তুলিবলৈ গলা। মোৰ টোপনীয়ে ধৰিলে দেখি তাতে অলপ শুলোঁ। তাতে কেইজনি মান তিৰোতাৰ হাইত মোৰ টোপনী ভাগিল। সাৰ পায় দেখোঁ এটী অতি ৰূপবতী স্বৰ্গৰ অপেস্বৰা যেন চোয়ালী, মোৰ ইফালে যেন আহিছে। তেঁওৰ সধবাৰ লক্ষণ নাই। তেঁওক দেখিবৰ পৰা মোৰ মন অস্থিৰ হইছে। তেঁওক নেপালে বন্ধু ময় নিশ্চয় মৰিম। তেঁওৰো মোৰ প্ৰতি মন ধাবমান হোয়া প্ৰমাণ পাইছো। কথা বাৰ্ত্তা হবলৈ নোয়াৰিলোঁ। বন্ধো! তুমি যদি তুমি ৰক্ষা ন কৰা, তেন্তে মোৰ মৰণ জানিবা। এতিয়া তোমাৰ হাতত পৰিলোঁ যি বোলা যি কৰা সেই হব।

কাম। বন্ধো! কোনটীনো ? তিনটী চোয়ালী আছিল ডুটী বিধবা এটী সধবা।

কাম। এই ডুটীৰ এটী।

কাম। কোনটী ?

কাম। ময় নিচিনো তেওঁ যিটী বয়সিয়াল আৰু দীঘলিকৈ সিটী নহয়।

কাম। অঃ বুজিলো। নৱমী ? শিবকান্তৰ জীএক ?

ৰাম। নবমীনে? হাঁ নবমী! মহানবমী! যদি তুমি উদ্ধাৰ ন কৰা, মোৰ দশমী দশা উপস্থিত। (স্বগত হাঁ প্ৰিয়ে নবমী!)

কাম। বন্ধো! তুমি বলীয়া হলানে কি? এনে নহবা। স্থিৰ হই থাকা। ময় ইয়াৰ প্ৰতি বিহিত যত্ন কৰিম। [৩১]

ৰাম। কি কম! বন্ধো! কালি তুমিয়ে সইতে ফুলনীৰ পেৰা আহোঁতে বাটত কি কলোঁ কি মিলিলোঁ একো মনত নাই। ঘৰত শিব পূজা কৰিবলৈ বহিলোঁ। কিন্তু ধ্যান কৰাত সেই সুন্দৰীৰেইহে মনত পৰিছিল। তেঁওৰ ৰূপ লাবণ্যহে মোৰ নয়নৰ পথত পথিক হই আছে। বন্ধো! তোমাৰ ওপৰতে সৰ্ব্বভৰসা।

কাম। ঈশ্বৰে কৰিলেহে কৰা।

ৰাম। সাবধান! যেন প্ৰকাশ ন হয়।

কাম। মোৰ আগত কব নেলাগে। এতিয়া ময় যাঁও তুমি ভিতৰলৈ যোয়া। অস্থিৰ কৰ্ম্ম নহয়। অস্থিৰ নহবা।

[ৰামচন্দ্ৰৰ প্ৰস্থান।]

কাম। নবমীৰ সইতে বন্ধুৰ তেনে সংঘটন হোয়া অতি অনুচিত। বিধবা চোয়ালী, শাস্ত্ৰৰ নিষিদ্ধ কথা। এতেকে তেঁওৰ মন পালটাব লাগিল।

[ইতি প্ৰস্থান।]

## পঞ্চম অঙ্কৰ পঞ্চম দৰ্শন।

শিবকান্তৰ বাটী।

ফুলেশ্বৰী আৰু সয়ন্ত্ৰীৰ প্ৰবেশ।

সয়ন্ত্ৰী। আই! জঁয়াৰ বোলে কিবা নৰীয়া হইছে?

ফুলেশ্বৰী। হয় হে আই! তোমাৰ জেনে কঁপাল তাক কি কম? সিদিনা মাথোন চোয়ালী জনি নৰীয়াৰ পৰা উঠিছে, তেতিয়াৰে পৰা খিনাই যাব লাগিছে। তেও কালি [৩২] গোধূলী ফুলনীৰ ফালে ফুৰিবলৈ গইছিল। তাৰ পৰা আহি একো খোয়াও নাই বোয়াও নাই তেনেই

আছে। গাভৰু চোৱালী মুখ চুখ লাগিছে হবলা।

সয়ন্দ্ৰী। তোমাৰ জঁায়াক দেখিলে মনত বেজাৰ ধৰে।

ফুলে। বেজাৰৰ কথা কি কম আই! গঙ্গাতীৰৰ পেৰা অহাঁত চুৰি, ঢেৰী জুমুকা আৰু এনে কেতবিলাক সোণ ৰূপৰ ভাল ভাল অলঙ্কাৰ তাইলৈকে অধিকাৰে আনিছিল। এতিয়া কোনে পিন্ধিব ? সেই বোৰ দেখি তেঁও কান্দে ময়ো কান্দো। আৰু আই! সিদিনা মিতিনিউকৰ তৰ পেৰা এটা ৰৌ মাচ দি পঠাইছিল। চোৱালী জনিয়ে নেখায় দেখি এটাইকে দিলোঁ ময় নেখালোঁ। এতিয়া তাইৰ নিমিতেই আমাৰ ঘৰত এটাই বিলাক নিৰামুহীয়া আঞ্জাহে। মাচৰ আঞ্জা প্ৰায় নহয়েই।

সয়ন্দ্ৰী। নৰীয়াটোনো কি ? তোমালোকে নে জানানে ?

ফুলে। আমাৰ আগত ন কয়। কালি জয়ন্তী আইটীৰ মুখেহে শুনিলোঁ হুন্নু নোয়াই তোলনী হবৰ পিছ বেলি নোয়াৰা হবৰে পেৰা বৰকৈ গা যায়। লৰা মানুহ বুজিব নোয়াৰে। জান যদি আই হে চোৱালী জনিৰ মুখটোকে ভাঙ্গি দেগই যা।

সয়ন্দ্ৰী। বাৰু আই! ময় সাঁজ বেলীয়া আহিম।

[ সয়ন্দ্ৰীৰ প্ৰস্থান। ]

জয়ন্তীৰ প্ৰবেশ।

জয়ন্তী! আমই! সখীৰ কেনে কৰিছে।

ফুলে। এঃ কেনে কৰিব? আমি শুধিলে জানো সখীয়েৰে কিবা কয়। ময় মাতি দিও তয় শোধ। আই [৩৩] নবমী আইটী! অ আইটী—কলবালৈ গল, শুলে হবলা ? হেৰ সোণাফুলি। আইদেয়েৰক মাতি দে হেনে জয়ন্তী আইটী আহিছে।

নেপথ্যৰ পৰা—আই গইছোঁ। সখি! বহাঁ! সোণাফুলী! তামোলৰ বটাটো লই আহ।

নবমীৰ প্ৰবেশ।

ফুলে। ( জয়ন্তীৰ প্ৰতি ) মাই! ময় যাও দেই। (নবমীৰ প্ৰতি) তয় সখীয়েৰে সইতে ধেমালী কৰি থাক।

উভয়ে। বাৰু আই যোৱা।

[ ফুলেশ্বৰীৰ প্ৰস্থান। ]

জয়ন্তী। সখি! তোমাৰ নো কি হইছে ?

নবমী। সখি! মৰিবলৈ ওলাইছোঁ।

জয়ন্তী। ছিঃ শত্ৰুৰ মুখে নেওচন কেঁওচন যাওক। এনে কথা কব নেপায়।

নবমী। আৰ সখি! আমাৰ মৰাই ভাল।

জয়ন্তী। কি কোৱা চোন ?

নবমী। ৰহস্যে ৰাখিবা আৰু মোৰ উপকাৰলৈ যতন কৰিবা। শপত খোৱা ?

বটা সহিত সোণাফুলীৰ প্ৰবেশ।

জয়ন্তী। বাৰু! খালোঁ!

নবমী। ন হয় ভালকৈ খোৱা। সোণাফুলী তাতে বটাটো থই তয় যা।

[ সোণাফুলীৰ প্ৰস্থান। [৩৪]

জয়ন্তী। বাৰু সখি! তোমাৰ শপত! তেঁওৰ শপত, আইৰ শপত, বাইৰ শপত, এতিয়া কোৱা ?

নবমী। সখি! কালি ভৰিত কাঁইট পাইছিলানে ?

জয়ন্তী। নাই! কিবা শৰু কাঁইট ফুটিছিল হবলা। আপুনি ওলাই পৰিল।

নবমী। মোৰে শপত সখি সঁচাকৈ কবা। কিয় ফুটিছিল জনা নাইনে ?

জয়ন্তী। তোমাৰ শপত জনা নাই।

নবমী। ময় থিয় হই থকা ঠাইৰ পশ্চিমে ফুলনী বাৰীৰ বাঁও ফালে চঁপা ফুলৰ পোনে চোৱা নাইনে ?

জয়ন্তী। তেনেকেই নাই। কিয়নো ?

নবমী। তাত এজন আছিল! সেই জনক দেখিবৰ পৰা সখি! অস্থিৰ হইছোঁ। দিনে ৰাতিয়ে তেঁওকে ভাবি আছোঁ। কালি বাটত কি কথা হলোঁ নহলোঁ একো মনত নাই আৰু সখি চোৱা চোন সপোনতো তেঁওকহে দেখো। তেঁওকেহে যদি নেপাও ডিঙ্গীত কটাৰি দি মৰিম।

জয়ন্তী। ( মনে মনে ) উৰ্ব্বশী লগে যি কথা কইছিল সঁচা হল। ( স্পষ্টকৈ )

তুমি তেঁওক চিনানে ?

নবমী। সখি ! নিচিনো।

জয়ন্তী। (মনে মনে) উৰ্ব্বশীৰ সকলো কথা সঁচা। (স্পষ্টকৈ) সেই ফুলনীলৈ যি জন গইছিল সেই জন মোৰ এক সম্বন্ধে দেওৰ হয়। তেঁওৰ মোমাইয়েকৰ পুতেক। তেঁওৰ নাম ৰামচন্দ্ৰ, মাতোতে ৰাম বুলি মাতে।

নবমী। হা ৰাম ! ৰাম ! ৰাম ! সখি মোক এতিয়া জা কৰা।

জয়ন্তী। বাৰু সখি ! ময় যতন কৰিম। তুমি অস্থিৰ [৩৫] নহবা। ময় তেঁওক ঘৰলৈ মাতি নি বুজাই পৰাই তোমাক দিয়াম।

নবমী। সখি ! বুজাব নেলাগিব। তেঁওৰো মোলৈ মন থকা প্ৰমাণ পাইছোঁ।

জয়ন্তী। বাৰু সখি ! তেনে হলে নেভাবিবা। স্থিৰ হই থাকা এতিয়া ময় আহিলো।

নবমী। বাৰু ! ময়ো এতিয়া ভিতৰলৈ যাঁও। সখি যেতিয়ালৈকে তোমাৰ সম্বাদ নেপাঁও, তেতিয়ালৈকে মৰি থাকিম।

[ ইতি নিষ্ক্ৰান্তাঃ।

দ্বিতীয় অঙ্ক সমাপ্ত [৩৬]

## তৃতীয় অঙ্ক

### প্ৰথম দৰ্শন

### হৰনাথৰ বাটী

হৰনাথ দেবদত্ত আৰু ৰঙ্গনাথৰ প্ৰবেশ।

হৰনাথ। ককাই ! মোমাইয়েকৰ ঘৰৰ পেৰা আহিবৰে পৰা লৰাটোৰ অন্তাই নাই।

দেবদত্ত। ওঁতো ! দেখিছোঁ। সি হুনু আকৌ মোমায়েকৰ ঘৰলৈ যাব। কেইদিনমান থাওক। ফাঁকুয়া ৰামনবমী আৰু বিহু আহিছে। পিছে ও যাব।

ৰঙ্গনাথ। ময়োতো ককাই তাকে কঁও।

হৰ। মোৰো পঠিয়াবৰ ইচ্ছা নাই। মাকেও পঠাব নোখোজে। মোমাই-

য়েকৰ লৰা চোয়ালী নাই তাকে বৰ মৰম কৰে। এজনি চোয়ালীও খুজিছে। সি কেই মাহ মান থাওক।

দেব। লৰা পঢ়ি শুনি উঠিছে। কিবা কৰ্ম্ম কাযৰ চেষ্টা পাইছানে?

হৰ। এঃ ককাই তোমালোকৰ আশীৰ্ব্বাদে জীয়াই থাওক মাথোন। "চাকৰী" কৰিব নেলাগে? তোমালোকৰ ভৰিৰ ধূলীৰে এনেই খাই বই থাকিব পাৰিব।

দেব। নহয়। তেও এটা "কাম" থাকিলে ভাল। তেহে মানুহে জানে আৰু ভয় কৰে। কাম নেথাকিলে [৩৭] অইন হেজাৰ হওক, মানুহে মানুহ হেন নেদেখে। বৰ সাহাবৰ তলৈ গলেই তোমাৰ পোঁয়াৰ কাম হব। সেই সাহাবৰ গুণৰ কথা কি কম? যিবিলাক সদ্‌গুণ মানুহৰ থকা উচিত সেই সকলোঁ তেঁওৰ আছে।

ৰঙ্গ। এতিয়া এনেহে দিন পৰিছে যে কাম নেথাকিলে হেজাৰ বৰ মানুহৰ কি সজৰ ঘৰৰ লৰা হওক, হাজাৰ ধন থাওক, তেও এখন দোলাত উঠিলে কি বৰজাপী এটা ধৰাই গলে কোনো কোনে চকুপোৰা মানুহে বোলে "এই ডাল বা কেনে? কাম নাই কায নাই শুদা ভেম মাৰি ফুৰে" এই বিলাক মানুহৰ নো গিয়ান কাহানি হব দেও?

হৰ। এঃ কিবা কোয়া! সেই বিলাকৰ বিবেচনা নাই। সেই দেখিহে তেনেকেই কয়। কাম হলেই যে পৰৰ তত আপোনাৰ স্বাধীনতা স্বৰূপ ৰত্নে সইতে শৰীৰটী বিক্ৰয় কৰিব লাগে তাক নেজানে। পিতৃ মাতৃ হই লৰাক যদি সেই দৰে শৰীৰটোকে বিক্ৰয় কৰিবলৈ দিলোঁ তেন্তে ই সজ পিতৃ মাতৃ আৰু উপকাৰীৰ কৰ্ম্ম নহল। নোয়াৰা নোয়াৰাতহে চাকৰীলৈ মন দিব লাগে। ইয়াক মানুহে বিবেচনা নকৰে। এজনক আমাৰ ইয়াৰ এজনে "তোমাৰ অমুকৰ দৰে ভাল চাকৰী হওক" বুলি আশীৰ্ব্বাদ কৰিছিল। তাতে সেই জনে তাত তেনে প্ৰশ্ন কৰাত আশিৰ্ব্বাদক জনৰ খঙ্গত ঠাই নাই। ত্বৰ্ব্বাসাৰ

দৰে হোৱা হলে সৰ্বনাশ হলহেঁতেন। এৰি পেলোৱা দেও সেই বিলাক নেগুৰীয়া কথা। হেৰ নিগদতী বাপাক মাতচোন। [৩৮]

নিগদতিৰ প্ৰবেশ।

নিগ। দৌতা বাপা বৰ বপাৰ ঘৰলৈ গইছে, ভিতৰৰ হুনু কিবা কিবি কেঁয়া পটীৰ পেৰা আনি দিব লাগে।

হৰ। বৰবপা জানো ঘৰত নাই?

নিগ। আজি প্ৰত্যূষে ৰাজকাৰ্য্যত পৰগনালৈ গল। একো কিনি বিকি ঘৰত দিবও নোৱাৰিলে। সেই দেখিহে আমাৰ বপাক কই গইছে। তেঁও অলপতে মাথোন গইছে।

হৰ। ককাই, মুক্তিয়াৰৰ ঘৰলৈ যাও বলা। তাতে হুচাল মান চৌপট খেদি আহোঁগই। দিনটো নেযায় মুপুয়াই দেও!

[ইতি] নিষ্ক্ৰান্তাঃ।

## দ্বিতীয় দৰ্শন।

### শিৱকান্তৰ বাটী

নৱমী, আৰু জয়ন্তীৰ প্ৰবেশ।

নৱমী। সখি! তুমি যাবৰে পেৰা ময় যেনেকেই সময় খেদাইছো তাক কবৰ ঠাই নাই। নিমিষকে বচৰ হেন দেখিছিলোঁ।

জয়ন্তী। এনেৰ এনেই কথা। ভুকুতে কলটো পকাব পাৰিনে? তোমাৰ যে কাৰ্য্য সিদ্ধি হবৰ লক্ষণ হইছে।

নৱমী। সখী! মোৰে শপত, বধলাগে। কোৱা কি হল? কি বুলিলে, মোৰে শপত, সোনকালে?

জয়ন্তী। তুমি মন দি শুনা কি কি হল। তেঁও পৰগনালৈ গল। ততাতয়াকৈ যোৱাত বস্তু বেহানি কিনি বিকি [৩৯] দিব নোঁৱাৰিলে, তোমাৰ তেঁওৰ আগত ( নৱমীৰ দীৰ্ঘ নিশ্বাস ) কই গইছিল। তাতে তোমাৰ তেঁও ( পুনৰ্ব্বাৰ দীৰ্ঘনিশ্বাস ) বস্তু বেহানি কিনি দিবলৈ

আহিছিল সেই ছলতে ময় কলোঁ। হেনে সখীয়ে তোমাক চাব খুজিছে তাতে তেঁও মান্তি হইছে আৰু তোমালৈ মৰমেৰে হাতৰ আঙ্গঠীটী দি পঠাইছে। (এই বুলি আঙ্গঠীটী দিলে)

নবমী। (আঙ্গঠীটী চুম্বন কৰি) সখি! তোমাৰ প্ৰতি ময় যে কিমান সন্তুষ্ট হইছোঁ কব নোয়াৰোঁ। যিমান দিন জীয়াই থাকিম সিমান দিন বাধিত হম। তুমি পিতৃ মাতৃৰ কাৰ্য্য কৰিলা। সখী কতনো? কেনেকেই?

জয়ন্তী। আজি আমাৰ ঘৰলৈ তোমাক শুবলৈ মাতিম। আমইয়ে এৰি দিব। তাতে সখি! ময় এতিয়া আমইত তোমাৰ যাবৰ কথা কঁও গই।

নবমী। সখি! যেতিয়ালৈকে তুমি মোক নিবলৈ নাহা তেতিয়ালৈকে ময় বাট চাই থাকিম। [জয়ন্তীৰ প্ৰস্থান।

নবমী। (মনে মনে) হে জগদীশ্বৰ মোৰ প্ৰতি প্ৰসন্ন হোয়া। আজি যেন কাৰ্য্যটী সিদ্ধি হয়। হে কামদেব! নাথ সম্ভাষণৰ নিয়ম শিকাই দিয়া। [ইতি প্ৰস্থান। [৪০]

## তৃতীয় দৰ্শন

### ৰাজআলী

মঙ্গলুৰ প্ৰবেশ।

মঙ্গলু। হেঁই আই! কুসলনো কাৰ নাম। তাকে ভাবি চিন্তি উলিয়াব নোয়াৰিলোঁ। কোননো হল? চোয়ালী জনি বৰ দুষ্ট। তেও তাইৰ মোলৈ মন থকা জানা যায়। বাৰু ঈশ্বৰে যি কৰে। ময় যতন নকৰোঁ। বণিয়া কুকুৰৰ পুতেকে কাম-সেন্দূৰ নিদিলে। বোলে হেনে নাই। পোয়া হলে কথাই আছিল।

হৰিপ্ৰিয়াৰ প্ৰবেশ

হৰিপ্ৰিয়া। নবমী আইটীৰ গা বেগা আছিল বোলে। বাৰু হইছেনে?

মঙ্গলু। অলপ কৰিছে হেন দেখিছোঁ আই।

হৰি। আইৰ আগত কৰি কেইখন মান শৰু সূতাৰ চেলেঙ্গ লগাইছো কিনে যদি কিনিব।

মঙ্গলু। বাৰু আই! কম।

[ হৰিপ্ৰিয়াৰ প্ৰস্থান।

মঙ্গলু। কি যুতিয়েৰেনো এই কথাৰ সন্তেদটো ল'ও। ময় কোন ৰূপে পাঁও।

নিগদতিৰ প্ৰৱেশ।

নিগদতি। হেৰ তই কোন অ। এইদৰে বাটে বাটে বলকি যাব ধৰিছ? [৪১]

মঙ্গলু। কিয় দেখা নাইনে? মানুহ। দুখন হাত, দুখন ভৰি, দুখন কান, এটা নাক দুটা চকু আছে। দেখা নাইনে। এই মানুহটী বাৰু। দেখিও নেদেখে!

নিগ। বোলোঁ তয় কত থাক?

মঙ্গলু। কিয় মাটীৰ ওপৰত, আকাশৰ তলত,খুটাৰ কাণত কেতিয়াবা বা ঘৰৰ ভিতৰত কেতিয়াবা বাহিৰত।

নিগ। তোৰ ঘৰ কত?

মঙ্গলু। মাটীৰ ওপৰত। আগৈয়ে কনা বুলিহে জানিছিলোঁ। এতিয়া জানিলো তই কলাও! এতিয়াই দেখোঁ কলোঁ নুশুনিলিনে? কটা ইও এটা মানুহ। খাইনে চাই!

নিগ। কাৰ ঘৰত থাক?

মঙ্গলু। তাকে নকয় কিয়? শিৱকান্ত ডাঙ্গৰীয়াৰ ঘৰত।

নিগ। তয় কাৰ পুতেক?

মঙ্গলু। আইৰ।

নিগ। আইৰ পুতেক! ই কি অ?

মঙ্গলু। ইয়াকে বুজিব নোয়াৰিলি। মোৰ জানো বোপাইৰ ঠিকনা আছে? কাৰ নামনো কম?

নিগ। তয় তেনেহলে জহৰা?

মঙ্গলু। তয় হে জহৰা সাপেহে সাপৰ ভৰি দেখে। তয় জহৰা সেই দেখি মোকো জহৰা হেন দেখিছ।

নিগ। কটা! ই মানুহটো বৰ দুষ্ট।

হৰনাথৰ প্ৰবেশ।

হৰনাথ। নিগদতি তয় ঘৰলৈ যা। ঘৰত কোনো নাই। ময় এই ফালৰ পেৰা আহোঁ। [ ইতি প্ৰস্থান। [৪২]

মঙ্গলু। ভাল সাৰিলি যা বাপেকে।—এই কথাটোৰ সন্তেদ নললে নহয়। কাত শোধোঁ। কি কৰোঁ। যা। ঘৰলৈকে যাঁও। [ ইতি প্ৰস্থান। ]

## চতুৰ্থ দৰ্শন।

জয়ন্তীৰ শয়নাগাৰ।

জয়ন্তী আৰু হাতত জপা সহিতে নবমীৰ প্ৰবেশ।

নবমী। সখি! কেতিয়ানো?

জয়ন্তী। সখি! ব্যস্ত হোয়ানো কিয়? অলপ ধৈৰ্য্য ধৰা।

নবমী। সখি মোৰ আজি পিন্ধিব উৰিবলৈ বৰ ইচ্ছা গইছে হেন পাইছোঁ।

জয়ন্তী। সখি! আহাঁ! তেনেহলে তোমাক আয়তিৰ দৰে কাপোৰ চাপোৰ পিন্ধাই দিও গই।

নবমী। ময় মোৰ সকলো অলঙ্কাৰ লগত লই আহিছোঁ। তুমি মোক পিন্ধাই দিয়া মুঠে।

জয়ন্তী। বাৰু তেনেহলে মুৰ মেলোয়া। ময় সাজটো লই আহোঁ। [ জয়ন্তীৰ প্ৰস্থান। ]

নবমী। আজি মোৰ এনে আশা হইছে! ইমান দিন চুলি কেডাল ভেকুৰা পৰি আছিল। হাত কান শুদা [৪৩] আছিল; আজিহে এনে ইচ্ছা হল। আহা! সম্ভোগ কেনে সুখভোগ। এনেৰ পৰা যি আমাক বঞ্চিত কৰিব খোজে তাৰ সৰ্ব্বনাশ হওক। ( অলঙ্কাৰৰ প্ৰতি ক্ৰমে ক্ৰমে দৃষ্টি কৰি ) এই খাৰু! এই মণি! এই মাদলী! এই বাজু! এই সিতিপাতী! এই জুনুৰ! এই থুৰীয়া! আহা! দেউতায় অনা এই চুৰী! এই নথ! এই চন্দ্ৰহাৰ! এই বিলাক তেনেই পৰি থাকিলহেঁতেন। মোৰ নিমিত্ত এই মনুষ্য জন্ম বিশেষকৈ এই গাভৰু

কাল বৃথা হল হেঁতেন। ইয়াক পিন্ধাত জানো মোৰ পাপ হয় কেতিয়াও নহয়।

জয়ন্তীৰ প্ৰবেশ।

জয়ন্তী। আহাঁ! অলঙ্কাৰ আৰু কাপোৰ পিন্ধাওঁ। এই বুলি আয়তি সাজ পিন্ধালে।

জয়ন্তী। (পিন্ধাই উঠি) আই অ মোৰ সোনাই কেনে সুন্দৰ দেখি! সখি! চুমা এটী দিয়া। (চুম্বন)

নবমী। সখি! ময় কেনেকেই সম্ভাষণ কৰিব লাগে নেজানো শিকাই দিয়া?

জয়ন্তী। সকলো কৰ্ম্মত গুৰুমুখ নহলে শিকা নেযায়। কিন্তু ইয়াত তাক নেলাগে। স্বভাবে আপুনি শিকাই। বাৰু! মন কৰা চোন ফুলনীৰ বাৰিত কোনবাই তোমাৰ কিবা শিকাই দিছিল নে? সখি! আজি তোমাৰ আকৌ বিয়া চাম।

নবমী। (দীৰ্ঘনিশ্বাস) সখি! যি কৰা কৰিবা। ৰাতি অনেক হল। টোপনীয়ে ধৰিছে। [২৪]

জয়ন্তী। আহেহে লাগে। ৰাতি সৰহ হোয়া নাই। বাৰু পিছে চাম কেনে টোপনীয়ে ধৰে।

নেপথ্যৰ পৰা। বৌ! দুয়াৰ মেলা। সোনকালে এটা কথা কই যাঁও

নবমী। সখি! আকৌ যাব বোলে।

জয়ন্তী। বাৰু ইয়াৰ প্ৰমাণ পাবা। কয়হে এনেকেই। ময় দুয়াৰ মেলি দিঁও তুমি ইহাতে ভালকৈ বঁহা। (কপাটোদ্‌ঘাটন)

ৰামচন্দ্ৰৰ প্ৰবেশ।

ৰামচন্দ্ৰ। [নবমীক আয়তিৰ বেশে নিৰীক্ষণ কৰি চিনিব নোয়াৰি] বৌ! এটা কথা আছিল—এওঁনো কোন?

জয়ন্তী। তুমি শোধা।

নবমী। (নবমী লজ্জায় নম্ৰমুখী) সখি! তামোল কেই খনমান কাটা; বপাকো দিয়া, তুমিও খোয়া, থাকে যদি মোকো দিয়া।

ৰাম। বৌ! এঁওনো কোন?

জয়ন্তী। যাক তুমি ফুলনীত কটাক্ষ স্বৰূপ অস্ত্র প্ৰহাৰ কৰিছিলা, সেই অস্ত্ৰাঘাতত জৰ্জ্জিৰিতা হৰিণীটীক ময় কত যত্নে ৰাখিছোঁ। ব্যাধে ঔষধ নিদিলে তাৰ ঔষধ কোনে দিব?

নবমী। সখি! কটাৰি নাই কিহেৰেনো কাটো। জীকাফুলীক মাতা কটাৰি খন লই আহক।

জয়ন্তী। সখি! বুৰি হলানে কি?

নবমী। কেনে?

জয়ন্তী। দাঁতেৰে কাটি দিয়া।

নবমী। অকল তোমাক পাৰোঁ। [8৫]

ৰাম। অনুগ্ৰহ কৰি দিলে আমিও সেই মুখামৃত পাবৰ অভিলাষ কৰোঁ। তেও নহলে—এই কটাৰি আছে—নিয়া। এই খন তেওৰ তামোল কটাৰ বেচ। মোলৈ এজন বন্ধুয়ে অনেক দূৰৈৰ পেৰা পঠাই দিছিল।

জয়ন্তী। সখি! হাত মেলি কটাৰিখন লোয়া।

নবমী। তুমি লোয়া!

জয়ন্তী। ময় তোমাৰ বস্তু কিয় লম? যোয়া সখি! যোয়া ছিঃ (নবমীৰ কম্পন) ছিঃ সখি যোয়া। (টানি পঠিওয়াত নবমী অগত্যা গই কটাৰী খন ললে)

নবমী। (লঁওতে স্পৰ্শ সুখ অনুভব কৰি) ধন্য এনে সুখ কত আছে? এই সুখ চিৰকাল যেন থাকে। হে ঈশ্বৰ! (তদনন্তৰ তামোল কাটি) সখি নিয়া।

জয়ন্তী। তুমি দিয়া। ময় হে দিব পাঁও তুমি নেপোয়া নে? মোৰ হে ঘৰনে ই তোমাৰ ঘৰ নহয়নে? মোৰ হে আলহিনে?

নবমী। (অগত্যা তামোল দি) সখি! ময় এতিয়া যাঁও। এবাৰ বাহিৰলৈ নগলে নহয়। মোৰ বৰকৈ গা পুৰিছে।

জয়ন্তী। (ৰামচন্দ্ৰৰ প্ৰতি) বপা! ময় তোমাক মোৰ এই সখি নবমীক গতাই

দিলো। তুমি এওঁয়ে সইতে কথা বাৰ্ত্তা কোয়া। কিন্তু তুইতো কইছোঁ তুইতো তুইৰো যেন প্ৰেম প্ৰীতি থাকে। অন্যৰূপ যেন নহয় মানুহে যি কয় কওক। যদি অন্যহে হয় তেন্তে ধৰ্ম্মৰ আগত তিনিৰো পতিত হব লাগিব। সৰহ নকঁও, তোমালকে এতিয়া তুইও তুইত মন সমৰ্পণ কৰা তেনে হলেই হল। উভয়ে ( মনে মনে ) বাৰু—(নবমীক ৰামচন্দ্ৰৰ হাতত দিলে)। [৪৬]

জয়ন্তী। বপা! সখি তোমাৰ আজিৰ পৰা ধৰ্ম্ম পত্নী হল। বাপা থাকা। সখি থাকা ! ময় এতিয়া যাঁও। বাপা ময় যেনে, সখিকো সেই দৰে মৰম কৰিবা। তুমিএ তেঁওৰ সৰ্ব্বস্ব হলা। [জয়ন্তীৰ প্ৰস্থান।]

নবমী। সখি! ময়ো যাঁও, ( নবমীৰ প্ৰস্থানোদ্যোগ )।

ৰাম। ( নবমীৰ হাতত ধৰি ) ময় তোমাক এৰি দিব নোয়াৰোঁ। সখিয়াই গতাই দি গইছে। ময় কোনেকেই তোমাক এই এন্ধাৰ ৰাতি এৰি দিও। (নবমীৰ সৰ্ব্ব শৰীৰ কম্পন অথচ বল প্ৰকাশ )

ৰাম। ময় কেতিয়াও নিদিঁও। সখীয়েৰে বেয়া বুলিব। বাৰু বৌ আহক তেতিয়া যাবা। তেও যদি নেথাকা, মোৰ যে বস্তু নিলা তাক দিয়া ?

নবমী। ( কটাৰিখন দি ) যাঁও।

ৰাম। কটাৰি তোমাক দিছোঁ। মোৰ মন যে নিছা সেইটী দিয়া ?

নবমী। এতিয়া এনে দিন কালেই হইছে। চোৰে আকৌ গিৰিহঁতকে চোৰ বোলে। মোৰ ফুলনীত যি অবস্থা হইছিল আৰু এতিয়া হইছে, তাক ময়হে জানিছোঁ।

ৰাম। সঁচা। বাৰু ময় চোৰ আৰু দুঃখ দিঁওতাও তুমি যি ইচ্ছা সেই দণ্ড কৰা। (এই বুলি তুইও বহিল)।

নবমী। ময় অবলা! মোৰ প্ৰতি বল প্ৰকাশ নকৰিবা।—

ৰাম। কি বল ? ময় নীচেই বল হীন হইছোঁ, ময় কি বল প্ৰকাশ কৰিম ? যাদু! ময় মোত নাই।—মোৰ যাবদীয় অঙ্গ শৰীৰ মন সকলো বিলাক তোমাৰ ৰূপ লাবণ্য কৰ্ত্তৃক পৰাভূত হইছে, আৰু চুম্বকে

যেনেকৈই লোক [৪৭] আকর্ষণ কৰে সেই ৰূপে আকৃষ্ট হইছে! ময় কৰোঁ বুলি একো কৰিব নোয়াৰোঁ! মোৰ শক্তি নাই! হে প্রিয়ে! তুমি মোৰ শক্তি।

নবমী। (স্বগত) পুৰুষ বিলাকে কেনে সুন্দৰে কথা কয় আহা! এনে কাৰ কঠিন প্রাণ আছে যে, আর্দ্র নহব? (প্রকাশ্যে) কিন্তু ময় দুর্ব্বলা আৰু অনাথিনী, আৰু ছাত্র হীনা!

ৰাম। হে প্রিয়ে! মোৰ প্রতি প্রসন্না হোৱা! মোৰ কায় বাক্য মন সকলো তোমাত সমর্পিলোঁ! আৰু ময় সৰ্ব্ব প্রকাৰ তোমাৰ সহায়তা ভজিম। হে চন্দ্রমুখি! মোক গ্রহণ কৰা! নতুবা সত্যে! সত্যে! ময় মৰিম। মোৰ প্রাণ কণ্ঠাগত! মোক এটোপা পানী দিয়া। বৰ পীয়াহ লাগিছে।

নবমী। (স্বগত) আহা! কেনে কৌশলেৰে আপোনাৰ ভাব প্রকাশ কৰিছে। (প্রকাশ্যে) শপত নেখাবা! কিয়নো লোকে কয় বোলে মৰমৰ মিছা কথাত চিত্রগুপ্তে হাঁহে (ওচৰতে গিলাশেৰে পানী আহিল তাকে দিলে)।

ৰাম। (বৰ আগ্রহে পানী গোটাই গিলাশ খায়) যাদু! মোৰ কিঞ্চিৎ তৃপ্তি হল।—কিন্তু মোৰ গা বৰকৈ ঘামিছে আৰু গৰমি লাগিছে। যাদু! মোৰ সম্বন্ধি অনুগ্রহ প্রকাশ কৰা! ময় তোমাৰ অক্রীত দাস।

নবমী। প্রভো! ময় তোমাৰ দাসী! মোক কৃপা কৰা! মোৰ সকলো তোমাত সমর্পিলো! ময় (দীর্ঘনিশ্বাস) বিধবা পৰাধীনা! মোৰ প্রতি আপুনি কিয় ইমান আকুল হইছে। ময় আপোনাক কেনেকেই আপোনাৰ ইচ্ছা সম্পূর্ণ কৰি আৰু মোৰো ইচ্ছা সম্পূর্ণ কৰি "হাউস" মিটাই সুশ্রূসা কৰিম? বহু বাধকতা আছে ময় পাপীয়সীৰ পৰা আপোনাৰ বহু অনর্থ হব। [৪৮]

ৰাম। যাদু! তুমি মোক গ্রহণ কৰা! তোমাৰ নিমিত্ত ময় হেজাৰ বাৰ কটা যাম। যাদু! তোমাৰ পৰা মোৰ একো অনর্থ নহয়। আৰু যি হয় তাক স্বীকাৰ কৰিলোঁ। প্রাণ! প্রাণ যায়।

নৱমী। স্থিৰ হওক! গাটী ৰৰকৈ ঘামিছে ময় অলপ মান বিছো। আপুনি বাগৰ দিয়ক। (এই বুলি বিছিবলৈ ধৰিলে আৰু ৰাম বিছনাতে বাগৰ দিলে)।

ৰাম। (নৱমীৰ দুইওটী হাত বুকত লই) হে ঈশ্বৰ! তুমি সাক্ষী! হে ধৰ্ম্ম! তুমি সাক্ষী! হে পৰমাত্মন্! তুমি সাক্ষী! আজিৰ পৰা এই নবমীক ময় পত্নী স্বীকাৰ কৰিলো। আৰু মোৰ সাংসাৰিক সহায় কাৰিণী স্বীকাৰ কৰিলোঁ। মোৰ কায় বাক্যে মন শক্তি সকলো এঁওতে সমৰ্পিলো। আৰু এঁও মোৰ অস্থিৰ অস্থি মাংসৰ মাংস আৰু চালৰ চাল হল। হে ঈশ্বৰ! হে প্ৰাণ! (এইবুলি নবমীক বাঁও হাতেৰে গালৈ টানি আনি অৰ্দ্ধ শৰীৰ গাত লগায় সোঁও হাতেৰে নবমীৰ মুখৰ ঘাম মচি মুখ খনি লাৰিবলৈ ধৰিলে)।

নৱমী। (তদগত চিত্তে) হে ঈশ্বৰ! হে ধৰ্ম্ম! তুমি সাক্ষী! ময় ইমান বুজালো তেও নুবুজিলে ময়ও প্ৰথমত: মনৰ বেগ সম্ভালিব নোয়াৰিলোঁ। ময় অনাথিনীৰ প্ৰতি ব্যাকুল হই এঁও একাগ্ৰ চিত্তে প্ৰাণ সমৰ্পিলে! হে ধৰ্ম্ম! ময় আজিৰ পৰা এই পুৰুষ এই ৰামক স্বামী স্বীকাৰ কৰিলোঁ। হে পৰমাত্মন্! আমাৰ এই প্ৰতিজ্ঞা দৃঢ়তৰ হওক। আৰু তুমি কৰা। "হৃদিস্থিতি হুয়া তুমি, যেন কৰোবাহা স্বামী হৃষিকেষ কৰিবো তেনয়"। (ৰামৰ প্ৰতি। "নেৰিবা বান্ধব স্বামী জীবনে মৰণে," সত্যে সত্যে প্ৰাণনাথ পশিলোঁ শৰণে।" [৪৯]

ৰাম। হে ঈশ্বৰ! হে প্ৰাণেশ্বৰি! তোমাৰ ইচ্ছা ঈশ্বৰে সম্পূৰ্ণ কৰাওক। হে যাদু! (এই বুলি স্নেহপ্ৰকাশ)।

নৱমী। তোমাৰ নামটী — জানোবা সীতাৰ দৰে কৰা।

ৰাম। তেনে হলে মোৰ নাম নবমীবল্লভ।

নৱমী। না! না! নামে কি কৰে? গোলাপক যদি গোলাপ নুবুলি পলাশ বোলা যায় তেও সুগন্ধ পোঁয়া নেযাবনে? ও! মন চোৰ!

ৰাম। চাঁও কোন মুখেৰেনো মোক চোৰ বুলিলে। (ওৰণি গুছাই) অঃ এই খন মুখ (চুম্বন)।

(সাত্ত্বিক ভাবৰ আবির্ভাব)*

নবমী। মোৰ আজি গাটোও বৰকৈ পুৰিছে। চাকি গছো বৰকৈ জ্বলিছে।

ৰাম। বাৰু! শীতল কৰোঁ। (প্ৰাদীপ নিৰ্ব্বাণ)। বাদ্যাদি।

[ইতি নিষ্ক্ৰান্তাঃ।

## পঞ্চম দৰ্শন

জয়ন্তীৰ বাটী।

নবমী আৰু জয়ন্তীৰ প্ৰবেশ

জয়ন্তী। সখি! কেনে?

নবমী। (লজ্জায় নম্ৰমুখী)। যেনে দেখিছা।

জয়ন্তী। তাকেতো! একে দিনতে এনে আলু থালু হলা। চুলি বোৰ কেনে আউল জাউল হইছে? মুখ খন কেনে উভহাঁ উভহি দিছে? চকু দুটা কেনেকেই উখহিছে। কিমান ৰাতিলৈ সাৰে আছিলা।

*স্তম্ভঃশ্বেদোথৰোমাঞ্চঃস্বৰভঙ্গোথেবেপথুঃ।
বৈবৰ্ণমশ্ৰুপ্ৰলয়ো ইত্যষ্টৌ সাত্বিক স্মৃতঃ॥ [৫০]

নবমী। তোমালোকৰ ইয়াত যেনেহে মহ টোপনী নাহে। ৰাতিপুৱাহে শুইছোঁ।

জয়ন্তী। হয়তো এতিয়া — বাৰু সখি! তুমি অকল সৰে এটা ঘৰত শোৱা নহয়?

নবমী। হয়।

জয়ন্তী। তাতে আজিৰ পেৰা শুবা। ময় বুধি কৰি দিম।

নবমী। তুমি যি কৰা সেই।

জয়ন্তী। বাৰু তেনেহলে ময় আমাইত কঁওগই বোলোঁ সখিৰ তৰুণ কাল ইয়াত শুব নেলাগে, আমাৰ ইয়ালৈ সৰ্ব্বদাই খেল চেল খেদিবলৈ মানুহ আহি থাকে।

নৱমী। বাৰু সখি! তোমাত আৰু কি কম?

জয়ন্তী। ইকথা প্ৰকাশ নকৰিবা।

নৱমী। এতিয়া ময় ঘৰলৈ যাঁও। (প্ৰস্থানোদ্যোগ)

জয়ন্তী। সখি! সেন্দূৰ অলঙ্কাৰ।

নৱমী। (দীৰ্ঘনিশ্বাস পেলাই) তেনে হনে খাহোয়া।

জয়ন্তী। মোৰ সত নেযায়। তুমি আপুনি খহোয়া। আৰু ময় চাই থাকিব নোয়াৰিম। সিঘৰলৈ যাঁও। তুমি আপুনি যি কৰা কৰা।

[ জয়ন্তীৰ প্ৰস্থান। [৫১]

নৱমী। (মনে মনে) আমাৰ কালি যথাৰ্থ বিবাহ সিদ্ধি হইছেই। এতিয়া থাকিলেও হানি নাই। তথাপি দাৰুণ দেশাচাৰৰ মুৰত নেওচন কেওচন দি খহঁও। হে জগদীশ্বৰ! এঁওতে যেন পতিব্ৰতা ধৰ্ম্ম প্ৰতিপালন কৰিব পাৰোঁ। (অলঙ্কাৰাদি খহাই) এই হতভাগিনীৰ এই বাঞ্ছা–

[ ইতি প্ৰস্থান।

তৃতীয় অঙ্ক সমাপ্ত [৫২]

## চতুৰ্থ অঙ্ক

### প্ৰথম দৰ্শন

হৰনাথৰ বাটী।

হৰনাথ আৰু দেবদত্তৰ প্ৰবেশ।

হৰনাথ। ককাই! ৰামৰ মোমায়েকে চিঠি লেখিছে বোলে তালৈ হুনু কটকীৰ ঘৰৰ এজনী চোয়ালী খুজিছে। কি বোলা নো?

দেবদত্ত। কিনো বুলিম? লৰাৰ বিয়া দিবৰ সময় হইছে। এতিয়া হলেই হয়।

হৰ। ককাই! মোৰ মনে হলে এই জনি চোয়ালী ওঁভতাঁও কিয়নো মোৰ আয়ে মোৰ আগত কইছিলে বোলে কটকী, কাকতী আৰু মহাজনৰ ঘৰৰ চোয়ালী বিয়া নকৰাবি। বাস্তবিক কথাও হয়। ইহতঁৰ প্ৰায় চোয়ালী বৰ দন্দুৰী আৰু চঞ্চলা।

দেব। তেনে কথা নহয়। আমাৰ ইয়াৰ এজনে কইছিল বোলে মহাজনৰ ঘৰৰ চোয়ালী বিয়া নকৰাও। কৰালেও তাৰ হাতে পীণ্ড নলওঁ। পিছে এজনী নহয় তুজনি মহাজনৰ চোয়ালী বিয়া কৰালে। এজনিৰ এটী ৰত্নৰ নিচিনা বৰ কীৰ্তিমান লৰাও হইছিল। সেই লৰাৰ হাতে তেঁও পীণ্ড লইছেনে নাই কেনেকেই কম? যদিহে লোয়া নাই তেন্তে তেঁওক বৰ তুৰ্ভগিয়া বুলিম। বোধহয় তেনে হব নেপায়।[ ৫৩ ]

হৰ। যি হওক এইজনি চোয়ালী খুজিবলৈ হাকদি পঠাঁও।

দেব। দিয়া! ময় এতিয়া ঢেকায়লী পটীলৈ যাঁও। এখন তক্তাপোশ কিনিব লাগে।

[ ইতি নিষ্ক্রান্তাঃ।

## চতুৰ্থ অঙ্কঃ দ্বিতীয় দৰ্শন।

শিবকান্তৰ বাটী।

নবমী আৰু জয়ন্তীৰ প্ৰবেশ।

জয়ন্তী। সখি! আজি কালি গা কেনে পাইছা।

নবমী। সখি! যেনে ৰাখিছা।

জয়ন্তী। তোমালোকৰ ভাল যোৰা খাইছে।

নবমী। কেনে?

জয়ন্তী। কিয় ৰামনবমী! কেনে চিকোন যোৰা খাইছে।

নবমী। তোমাৰ আশীৰ্ব্বাদ সখি!

জয়ন্তী। আজি ৰামনবমী নহয়? আজি ৰাতি তেনে হলে ৰাম সীতাৰ দৰে তোমালোকৰ যুগলৰূপ দৰ্শন কৰিম! তুমি এতিয়া নিতৌ অলঙ্কাৰ আৰু কাপোৰ পিন্ধা নহয়?

নবমী। ৰাতি পিন্ধো দিনত হলে খহাই থওঁ। কেতিয়াবা সমূলি নিপিন্ধো।

ফুলেশ্বৰীৰ প্ৰবেশ।

ফুলেশ্বৰী। আই! জয়ন্তী! সখিয়েৰৰ মুৰৰ চোৰটো মেলাই দিবি।

জয়ন্তী। আমই! দিঁও আৰু দিমতো। [৫৪]

ফুলে। তাই কেতিয়াবা কেতিয়াবা কাপোৰ চাপোৰ আৰু খাৰু মনিও পিন্ধে। এনে জনি চোৱালী কেনেকেইনো চাই থাকিম?

জয়ন্তী। তাকেতো আমই!

ফুলে। আই! নবমী! তয় সখিয়েৰে সইতে উমলী থাক মই অধ্যাপকৰ ঘৰলৈ যাঁও।

নবমী। আই! সখিয়ে আজি ইয়াতে ভাত খাব আৰু শুবও।

ফুলে। বাৰু! তেনে হলে গাৰুৰ তলতে পয়সা আছে কিবা কিবি কিনি আনিবলৈ দে আৰু ৰান্ধনি ঘৰত কিবা আছে তুইও খা গই।

[ইতি প্ৰস্থান।]

জয়ন্তী। সখি! মই একেবাৰে ঘৰত আইৰ আগত কই আহোঁগই। দেই।

নবমী। বাৰু সখি! যোৱা সোনকালে আহিবা। [ইতি] নিষ্ক্ৰান্তাঃ।

## চতুৰ্থ অঙ্ক ঃ তৃতীয় দৰ্শন।

কামদেবৰ বাটী।

কামদেব আৰু ৰামচন্দ্ৰৰ প্ৰবেশ।

কামদেব। বন্ধো! মই সিদিনা কবৰে পেৰা তুমি যে নবমীৰ পৰা মন পালটাইছা ইয়াত ভাল পাইছোঁ।

ৰামচন্দ্ৰ। হয় বন্ধো! সি মিচা এতেকে তেনে কৰ্ম্ম কৰা ভাল নহয়। [৫৫]

কাম। মই তোমাক কওঁ বন্ধো। তেনে কৰ্ম্মত বিশেষতঃ নবমীত পাপ আছে।

ৰাম। তোমাৰ আশীৰ্ব্বাদত যে বন্ধো মনৰ গতি লৰিল ইয়াত সন্তুষ্ট হইছোঁ।

কাম। তোমাত কঁও বন্ধো! মই সত্যে কইছোঁ তোমাৰ সেই পাপৰ কাৰ্য্যৰ পৰা মন পালটন হোৱাত বৰ সন্তোষ পাইছোঁ। ই বৰ পাপ জনক কাৰ্য্য।

ৰাম। হয় বন্ধো! মইও সন্তোষ পাইছোঁ। কি পাপৰ কাৰ্য্য!

কাম। বিধবাত পতিত হোৱা—

ৰাম। অন্যান্য ৰূপে হলে বিধবা কি সাধবা পতিত হলেই পাপৰ খালত

উঠিব নোয়াৰাকৈ পৰিব লাগে। আৰু মোৰ বিবেচনায় হলে সধবা চোয়ালীয়ে সইতে ব্যভিচাৰ কাৰ্য্য বিধবা অপেক্ষা বৰ দূষ্য! কিয়নো তাৰ পৰা এজনৰ হানি হয়। বিধবাত তেনে নহয়। বিশেষ যদি যুক্তি অনুসাৰে স্বামী ভাৰ্য্যাৰ দৰে ক্ৰিয়া হই স্থিৰ থাকা যায় অথবা বিধিমতে বিবাহ কৰোয়া যায় তেনে হলে নীচেই দোষ নাই। কিয়নো বিধবা বিবাহ শাস্ত্ৰ বিহিত।

কাম। বিধবা বিবাহ শাস্ত্ৰ বিহিত। ৰাম! ৰাম! ইখন নো শাস্ত্ৰ ইমান দিন কত আছিল?

ৰাম। বিধবা বিবাহৰ মত বহুকালৰ পৰা আছে। পৰাশৰ মুনিৰ বচণ আছে। সংহিতাত পায়। কেবল ইমত সাধাৰণ মতে চলিত নাই। প্ৰথম সহগমন; দ্বিতীয় ব্ৰহ্মচৰ্য্য; তৃতীয় বিবাহ। এই তিনি বিধ স্বামী হীন হলে তিৰোতাক শাস্ত্ৰকাৰ সকলে উপায় দিছে। সহগমনতো এতিয়া হবই নোয়াৰে। ব্ৰহ্মচাৰ্য্যব্ৰত কৰি থাকাও অতিশয় কঠিম। কিয়নো। এতিয়া আমাৰ [৫৬] বল বুদ্ধি সকলো কম সুতৰাং বিবাহ প্ৰশস্ত। যদি বিধবা বিবাহ ঈশ্বৰৰ অভিপ্ৰেত নহল হেঁতেন স্বামী হীন হোয়া মাত্ৰেই কাম প্ৰবৃত্তি একেবাৰে তীৰোতাৰ গল হেঁতেন সিটোতো নহয়।

কাম। শাস্ত্ৰত থাকিলেও দেশাচাৰ নাই।

ৰাম। দেশাচাৰ! ইঃ দেশাচাৰ! দেশাচাৰনো কি? ইনো লৰ হোয়া নাইনে! সৰহৰ কথাও নকঁও আমাৰ পিতামহৰ দিনৰ দেশাচাৰ আৰু এতিয়াৰ দেশাচাৰ কিমান লৰ চৰ চোয়াচোন। দেশাচাৰ এনে গম নোপোয়াকৈ লৰ হব লাগিছে যে কবৰ ঠাই নাই। বহু দিনৰ মুৰতহে গম পায়। বিশেষ বিধবা বিলাকে তলে তলে ছল লই লই বহু পুৰুষে সইতে সহবাস কৰা, ভ্ৰূণ হত্যা কৰা কেনে পাপ। তাতকৈ এজনৰ যেনে ভাৱে হওক পাণীগ্ৰহণ বৰ আবশ্যক আৰু তাৰ পৰা বহু উপকাৰ আছে। পাপ নীচেই নাই।

কাম। তেনে হলে ভাৰ্য্যা স্বামীৰ স্নেহ কমিব।

ৰাম। আমাৰ দেশৰ বামুনৰ মাজতহে নাই! অপৰ জাতিত এই নিয়ম আছে আৰু পৃথীবিৰ অধিকাংশ জাতিৰ মাজত এই নিয়ম আছে। তাহাতৰনো কি হানি হইছে? কি স্নেহ কমিছে? স্বামীহীনা হলে তীৰোতা বিলাক অধিকাৰ নোহোয়া হয়। সকলোয়ে আশা কৰে। বিশেষ পুৰুষ বিনা সংসাৰ যাত্ৰা তীৰোতা বিলাকে আচৰিব নোয়াৰে। বহু কাৰ্য্যত পুৰুষৰ সহায়তা লাগে। এই সহায়তা লঁওতে সেই পুৰুষে সইতে সেই স্বামী হীনাৰ আলাপাদি হয়; তাৰ পৰা ক্ৰমে দুৰ্ঘটনা হয়। বিশেষ কোন বিধবাৰ কাৰ্য্য কৰোঁতে প্ৰায় পুৰুষ বিলাকৰ শেষ অভিপ্ৰায় এই হয় যে [৫৭] তাইৰ সৰ্ব্বস্ব অধিকাৰ। অন্যৰ দ্বাৰা সন্তোষ নহয়। বিধবা বিলাকেও সংসাৰ যাত্ৰা নিৰ্ব্বাহ অসুবিধা অসহ্য বোধ কৰি জ্ঞানাভাব প্ৰযুক্ত অগত্যা সুখাভিলাষিণী হই, সেই শেষ অভিপ্ৰায়ত মান্তি হয়। হলেই খালত পৰিল। এবাৰ এজনৰ দ্বাৰা তেনে হলে পিছলৈ লজ্জা ভয় সকলো যায়, গলে সংখ্যা অধিক হয়, এই ৰূপে দুষ্ক্ৰিয়া বৃদ্ধি হয়। আৰু যদি তাতে গোপনীয় কাৰ্য্যত ঈশ্বৰৰ ঢোল বজোয়া হয় অৰ্থাৎ তীৰেতো জনীৰ গৰ্ত্ত হয় তেনেহলে তাক নষ্ট কৰে এইৰূপে দেশত পাপৰ সংখ্যা ক্ৰমশ বৃদ্ধি হব লাগিছে। অধিক কি এনেত দেশ তললৈ যাব লগিয়া হল। এতেকে বিধবাৰ বিবাহ হলে সেই সকলোৰো দুয়াৰত হেঙ্গাৰ বান্ধা হয়। বিধবা বিলাকৰ দুঃখৰ কথা স্মৰণ কৰিলে আৰু দেখিলে শুনিলে হৃদয় বিদীৰ্ণ হয়।

কাম। বিধবাৰ বিয়া হলে জানো তেনে কাৰ্য্য নেথাকিব?

ৰাম। থাকিব পাৰে! কিন্তু সংখ্যা অতি কম? তেতিয়া ওপৰত কোয়া নিয়মৰ দৰে দুষ্ক্ৰিয়াৰ জন্য তীৰোতা বাধিতা নহব। আৰু যি হয় কেবল দুষ্ক্ৰিয়াশক্তিৰ পৰা হব। ইয়াক নিৰ্ম্মূল কৰিবৰ উপায় আমাৰ বহু আছে।

জীকাফুলিৰ প্ৰবেশ।

জীকা। (ৰামচন্দ্ৰৰ প্ৰতি) ডেকা দেও! বোঁৱাই মাতি পঠাইছে। কেঁয়াপটীৰ

পৰা হুনু কিবা কিনি আনি দিব লাগে।

ৰাম। আজি কেঁয়া হঁতৰ ৰামনবমী। বাৰু যাঁও যা। বৌৰ আগত কগই বোলে হেনেময় আজি তাত ভাত খাম। [৫৮]

জীকা। আই দেওয়ে আজি নবমী আইটীউৰৰ ঘৰত খাব।

ৰাম। হওক যা! তেও তয় কগই। বোলে হেনে আজি ৰামনবমী। নুখুয়ালে কেঁয়া পটিলৈ নেযাঁও আৰু ককাইলৈ লেখি পঠাম যে আমি খুজিও ভাত নোপোয়া হলোঁ।

জীকা। বাৰু ডেকা দেও! সোনকালে মাতিছে।

[জীকাফুলীৰ প্ৰস্থান।

কাম। বোঁয়াই সইতে বন্ধো! ভাল কথা কোয়া।

কাম। মোৰ বৌ ভাল। ৰসিক আছে! কথা কলে বুজে; যি নুবুজে সিহে খংকৰে। এনে জনা মানুহ পাবলৈ নাই বন্ধো! ককাইক এনেহে ভক্তি কৰে কবৰ ঠাই নাই। বন্ধো! বাৰু এতিয়া ময় যাঁও।

কাম। বাৰু বন্ধো! [নিষ্ক্ৰান্তাঃ।

## চতুৰ্থ দৰ্শন

নবমীৰ শয়নাগাৰ।

জয়ন্তী আৰু নবমীৰ প্ৰবেশ।

অন্ন ব্যঞ্জন প্ৰস্তুত।

জয়ন্তী। সখি! কিমান ৰাতিনো কোন পিনে আহে?

নবমী। ৰাতি ডেৰ পৰমান মৰাত পিছ দুয়াৰেৰে আহি মোৰ দুয়াৰত টিকিলী মাৰিলেই ময় দুয়াৰ মেলি দিওঁ। ইপোনে এপৰ মান থকাতে যায়। [৫৯]

জয়ন্তী। তেন্তে তোমালোকৰ ৰাতি ভালকৈ শোয়া নহয়?

নবমী। মোৰ হলে তেঁও নাহে মানে আগে টোপনী নাহিছিল। বিছনাত শয্যাকণ্টক হইছিল। কিন্তু এতিয়া তেঁওৰ আহিবৰ সময় জানি

সাঁজতে এফেৰিমান শোঁও। পিছে ইপোনে বেলি এপৰ মানতহে উঠোঁ। আই উৰুয়েও নেমাতে বোলে ছোৱালী মানুহ শুইছে শোয়ক।

জয়ন্তী। বেলিলই যে শোয়া তাক জানো। ময় সেই দিন কেইবাৰ আহি উভঁতি গইছোঁ। তেঁও মৰম কৰেনে? এতিয়া কিবা শিকাব লাগেনে?

(নবমী লজ্জায় নম্রমুখী)

নবমী। প্রায় আহিবৰ সময় হইছে।

জয়ন্তী। বাৰু আহক দিয়া ভাই শহুৰ নহয়!

নবমী। (দুয়াৰত টিকিলী শুনি) সখি! আহিছে দুয়াৰ মেলি দিঁও।

(নবমীৰ প্রস্থান আৰু উভয়ৰ প্রবেশ)।

নবমী। সখি! দেখা নাইনে?

ৰাম। থাওক দিয়া বৌ হয়।

জয়ন্তী। বপা! তুমি মোৰ তত ভাত খাব খুজিছিলা। ইয়াতে আজি খোয়া। সখিয়ে ময়ে দুইও একে লগে ৰাতিকৈ ভাত খাম বুলি অনাই থইছোঁ। তুমি খোয়া, সখিয়ে প্রসাদ খাওক, মই বাঢ়ি দিঁও। তেহে মোৰ মনত ৰং হব আৰু হাবিলাষ পলাব।

ৰাম। তেওক মোৰ প্রসাদ দিব নালাগে। বৰঞ্চ —

(নবমীয়ে ভাত আগবঢ়ায় দিলে)।

জয়ন্তী। তেনে কব নেপায়। খোয়া। [৬০]

ৰাম। কেঁয়া পটীৰ পৰা আহি একো খোয়াও নাই ভোকো লাগিছে।

জয়ন্তী। ময় নহা হলে আজি লঘোনে থাকিলাহেঁতেন।

ৰাম। তুমি ইয়ালৈ নহা হোয়া হলে ময় তোমালোকৰ তাত খালোঁহেঁতেন। আৰু। নাখালেও সখিয়েৰ তেনে নহয় সখিয়েৰৰ মুখামৃত পান কৰিলেই ভোক গুছে।

জয়ন্তী। আৰু ৰসিকালী কৰিব নেলাগে আমাৰ অৰসিকা নহয়। খোয়া। (আচ্ছাদিত স্থানত ৰামচন্দ্রৰ অন্নাদি ভোজন অনন্তৰ নবমীৰ পাত্রাবশিষ্ট ভোজন আৰু পুনঃ প্রবেশ)।

জয়ন্তী। এতিয়া তুইও একেলগে বহা ময় দেখি হাবিলাষ পলুয়াও।

ৰাম। বাৰু! বহিলোঁ।

(ৰামচন্দ্ৰৰ এবং নবমীৰ একাসনে উপবেশন)

জয়ন্তী। যথাৰ্থ ৰামনবমী! সখি এই ৰূপ দেখি আজি মোৰ মন তুষ্ট হল এতিয়া মোৰ মৰিলেও হানি নাই। ময় নেজানিছিলোঁ যে এনে দেখিম। বপা থাকা! সখি থাকা! ময় আমইত খুজি কেইটামান ভাত খাঁও গই ইয়াৰ পৰা আৰু চুয়া খন উলিয়াই দিঁও!

নবমী। সখি! ই চুয়া তোমাৰ চুব নেলাগে ময় ৰাতিপুয়া উলিয়াই দিম।

জয়ন্তী। নহয় ময় দিওঁ। তেহে মোৰ মনত তৃপ্তি জন্মিব।

নবমী। কি বুলিনো ভাত খুজি খাবা গই।

জয়ন্তী। বোলোঁ আমই! ময় খাবলৈ বহিছিলোঁ এনেতে ওপৰৰ পৰা এটা জেঠীয়ে মুতি দিলে। বিকচিনা লাগিল। যাবও নোয়াৰিলো ভোকো আছে! আপুনি দিব। তোমালোক থাকা। খাই বই ময় ঘৰত শুম গই। [৬১]

নবমী। নহয় সখি! তুমি আজি ইয়াত শুব লাগিব।

জয়ন্তী। হয় তোমালোকে ঘীউ মৌ খোয়া ময় ইয়াতে আঙ্গুলি চুহি থাকোঁ।

ৰাম। তেনে হলে বৌ তুমি ভাত খাই আহাগই ময় যাম।

জয়ন্তী। বাৰু! পিছে যি হয় হব এতিয়া বঁহা ময় খাঁও গই।

[ জয়ন্তীৰ প্ৰস্থান। ]

ৰাম। প্ৰিয়ে শোয়াগই যোৱা! হামিয়াইছা দেখোন। টোপনীয়ে জোকাই-ছেনে কি? অইন দিনা দেখোন ইমান ৰাতি নোশোৱা।

নবমী। টোপনী তেও তুমি হে! * * * * *

ৰাম। প্ৰিয়ে! সখিয়েৰ সেই খাই বই উঠি আইৰ লগত সাধুকথা শুনিছে। ময় এতিয়া যাঁও। তোমালোক শোয়া সখিয়েৰ ইয়াত মুশুলে লোকে বেয়া বুলিব।

নবমী। কি আৰু বুলিম? ময় সখিক মাতি আনি একে লগে শোঁও।

[ ইতি নিষ্ক্ৰান্তাঃ

## পঞ্চম দৰ্শন

ফুলনী সৰোবৰৰ ঘাট

সোণাফুলী আৰু মঙ্গলুৰ প্ৰবেশ

মঙ্গলু। আজি নেপাইছোঁ? এতিয়া কি চেলাবা?

সোণাফুলী। পৰিমৰা নষ্ট যোৱা। কিব হল এইটোৰ?

মঙ্গলু। বাৰু! কচোন তয় কাক দৰব কৰিবলৈ সয়ন্ত্ৰীক কইছ? [৬২]

সোণাফুলী। তোৰ বাপেৰৰ মুখত — দিয়ক বহি কি কওয়।

মঙ্গলু। নহয় নাটেশ্বৰী কোয়া, মোৰে শপত কোয়া।

সোণা। হেৰ কি কম?

মঙ্গলু। কাকনো দৰব কৰিব খুজিছ?

সোণা। কোনেনো কইছে। সয়ন্ত্ৰীয়ে কব পাৰিব নে তাই এই দৰে মিচা কথা কই মিচা ফাকটী কৰি খাই ফুৰে। তাই শপত খাই কব পাৰিব নে?

মঙ্গলু। তাই মোৰ শপত খাই কইছে।

সোণা। তোৰ যেনে সুধিবৰ ঠাট তাইৰো তেনে কবৰ ঠাট। তোৰ কিবা হলেনো তাইৰ কি হব?

মঙ্গলু। নহয় তাই ভাল মানুহ।

সোণা। হওক দিয়া ময় দৰব কৰিছোঁ। কিনো হল?

মঙ্গলু। আয়ে কোয়া কথানো নহবনে?

সোণা। তয় যেতিয়া যম পুৰীলৈ যাবি তেতিয়া হব।

মঙ্গলু। ময় গলে হল কি নহল। এবাৰ আমাক অনুগ্ৰহ কৰিবা?

সোণা। যমে কৰিব যা।

মঙ্গলু। তোমাৰ অনুগ্ৰহ আৰু নিগ্ৰহ ইয়াতে মোৰ যম আছে।

সোণা। আৰু চেলাব নেলাগে দিয়া। ময় যাঁও সাঁজ লাগিল।

মঙ্গলু। সাঁজ লগাত তো ভাল হইছে। লাগক দে। আহাঁ!

সোণা। তোৰ চধ্যেও পুৰুষৰ মুৰত ময় নাযাঁও।

মঙ্গলু। অঃ তয় দেখোঁ হৰ সাহ পাই গলি। ৰঃ কোন বাপেৰেনো ৰাখে

সিহঁতক মৰম নকৰ? ৰাখকহি মাত! ময় আকৌ ভালক প্ৰতি কঁও সন্ধ্যা লাগিছে। এই আকৌ গালি পাবে।

সোণা। তাকে নকঅ কিয়। তয় দেখোঁ আকৌ বিগতি কৰ। [৬৩]

মঙ্গলু। তুমি মোক উদ্ধাৰ কৰা। আজি যদি নকৰ তেন্তে চাবি?

সোণা। কিবা চাম। মেখেলাৰ কানিৰ পানিৰে বাপেৰ মাৰৰ তৰ্পণ কৰিবি নে কি?

মঙ্গলু। অঃ দেখোঁ বৰ সাহ পাই গলি। বাৰু দিয়নে নিদিয় পাৰোঁনে নোয়াৰোঁ চাঁও (বলাৎকাৰোদ্যোগ)

সোণা। ঐ বাই! ধৰ! ঐ আই! ধৰ! মোক খাই ঐ!

ন্যেপথ্যৰপৰা। সোণাফুলী চাইছোঁ ভয় নেখাবি।

মঙ্গলু। ভাল সাৰিলি যা আজি। পাম যা দিন কাল আছে।

[ইতি প্ৰস্থান।

সোণা। ভাল ৰক্ষা পৰিলোঁ আজি বুপাই! এই নষ্ট যোৱাই দেখোঁ সৰ্ব্বনাশ কৰিব খুজিছিল। গিৰিহঁতৰ আগত কই দিওঁ ৰঃ! হয় তয়েই থাক নহয় ময়েই থাকোঁ। বাৰু যা।

[ইতি প্ৰস্থান।

চতুৰ্থ অঙ্ক সমাপ্ত [৬৪]

## পঞ্চম অঙ্ক

### প্ৰথম দৰ্শন

শিবকান্তৰ বাটী

উৰ্ব্বশী, জয়ন্তী আৰূ ফুলেশ্বৰীৰ প্ৰবেশ।

উৰ্ব্বশী। আমই! লগক এতিয়া আগতকৈ এফেৰি বাৰূ যেন দেখিছোঁ।

ফুলেশ্বৰী। আশীৰ্ব্বাদ কৰা আই! যমৰ আগত কৰলৈ সেই ফেৰাই জীয়াই থাওক। তঁহতে বহ ময় সখিয়েৰক মাতি দিওঁ তাই শুইছে।

[ফুলেশ্বৰীৰ প্ৰস্থান।

উৰ্ব্বশী। লগ! শুনিছানে মানুহে দেখো কিবা গলা গোপা কৰে। নবমী লগে হুনু আজি ৪ মাহ মান গা ধোয়া নাই?

জয়ন্তী। (মনে মনে) সৰ্ব্বনাশ! এতিয়াহে! (স্পষ্টকৈ) সচাঁনে? এতিয়া যেনেহে মানুহ খিয়ালত কয় হেন হে মনে ধৰে। আৰু তাইৰ আগেয়ে সৰহকৈ গা গইছিল। এতিয়া সেইটো কমিছে। তাতে তুবাৰ এবাৰ খঁতিৰা লৰিলেও লৰিব পাৰে।

উৰ্ব্বশী। নহব লগ মাঘৰ বিহুৰ দিনা চাইছিলোঁ। বুকুত কলা শীৰ উঠিছে। পীয়াহৰ আগ কলা পৰিছে আৰু অইন অইন ভালে মান চিন পাইছোঁ। গোসাঁইও গাঁও ফুৰিবলৈ আহিবৰ সময় হইছে! কি হয় কি নহয় কব নোয়াৰোঁ। [৬৫]

শিবকান্তৰ প্ৰবেশ।

জয়ন্তী। তাওঁই আহিছে। সখি! যাঁও বলা।

উৰ্ব্বশী। বাৰু বলা।

শিব। আইটী হঁত যা দেখোঁ!

উভয়ে। আকৌ আহিম। সখি শুইছে।

[ইতি প্ৰস্থান।

শিব। আইটীৰ মাক এই পিনে আহাঁ চোন।

নেপথ্যৰ পৰা। গইছোঁ।

ফুলেশ্বৰীৰ প্ৰবেশ

শিব। সৰ্বনাশ! কি কথা হল দেখোঁ।

ফুলে। কিনো?

শিব। নবমীয়ে হুনু আজি ৪ মাহ মান গা ধোয়া নাই! নাৰায়ণৰ ঘই-নিয়েক আৰু পৈয়েকে একেবাৰে গাঁওত খলক লগাই দিছে। তুমি জানো শুনা নাই? তাতে গোঁসাই আহিবৰ সময় হইছে।

ফুলে। কি কয়?

শিব। তুমি দেখা শুনা, জানা নাইনে?

ফুলে। বলিয়া হলা নে কি?

শিব। আইটীনো কত আছে ?

ফুলে। শুই আছে।

শিব। খৰকৈ এই ছলতে চাই আহাঁ গই যোয়া।

ফুলে। সৰ্ব্বনাশিয়ে খালেহে এই পিনে।

[ ইতি প্ৰস্থান।

শিব। ( স্বাগত ) খালেহে। কেনে কেইনো লৰা মানুহ এই গাভৰু কালত থাকিব ? তেও যদি ই'টা নহলহেঁতেন সিও [ ৬৬ ] এটা কথা আছিল। এনেকেই কাৰ ঘৰতনো নাই। শত্ৰুয়ে প্ৰকাশ নকৰা হলে হওকেই চোন তাৰ উপায় পালো হঁতেন। এনেতহেঁ সৰ্ব্বনাশ!

ফুলেশ্বৰীৰ প্ৰবেশ

শিব। কি দেখিলা ?

ফুলে। হয় বাকলি সচাঁ। সম্পূৰ্ণ লক্ষণ। কোনে নো কেনেকেই কি কৰিলে একো কব নোয়াৰোঁ।

শিব। মই মুনিহ মানুহ অইন কাৰ্য্যত ব্যস্ত থাকোঁ। তুমি ঘৰৰ ঘইনি হই এই বোৱৰ বুজ নোলোয়ো। বিশেষই এদিনৰ কথা নহয়। অনেক দিনৰ পৰা সংঘটন নহলে কেতিয়াও হব নোয়াৰে।

ফুলে। ময়নো কেনেকেই জানিম ? ময় জানো তাইৰ নৰীয়াহে। পিছত লাহে লাহে গাটী অলপ ভাল হই আহিল। ইটো হইহে যে সিটো হল কোনে জানে।

শিব। জাতি কুল মান মৰ্য্যদা সকলো দেখোঁ এতিয়া যায়।

ফুলে। কিনো কৰিব দিয়া ? কেনেকেইনো থাকিই লৰা মানুহ। কোনোবাই সইতে কিবা কৰিলে হবলা ? এনে দেশত যেন বিধৱা চোয়ালীৰ মাক বাপেক কোনো নহয়। ৰাম! ৰাম!

শিব। গেসোঁই আহিবৰ সময় হইছে। এই পূৰ্ণিমামা মানলৈ পাবহি। হেৰি কৰিব পাৰিলে ভাল হয় কোনেও নেজানেনে ?

ফুলে। সয়ন্ত্ৰী বুলি এজনী আছে তাই এইবিলাক কৰে।

শিব। বাৰু মতোয়া যি লাগে তাকে দিম। গোসাঁই আহাৰ পূৰ্ব্বে হলে ভাল। ময় এই পিনে বৰাউৰুৰ তৰপৰা আহোঁ।

[ ইতি প্ৰস্থান। [৬৭]

ফুলে। (স্বগত) ময় তেতিয়াই কও বোলেঁ। কিবা এটা হব। অইন এবিধ নকৰিলে নহয়। কলিকতাত হুনু কোনোবা ঈশ্বৰ বিদ্যাসাগৰে কিবা এবিধ মত উলিয়াইছে, আৰু তাক দেখি হুনু আমাৰ ইয়াতে কোনো কোনো মানুহে সেই মত চলাবলৈ যতন কৰিছে। তাকে কৰা হলেনো এনে কেলেই হব! হাঁয়! হাঁয়! কপাল! হেৰ পেলনী! আইটীক এই পিনে মাতি আন চোন কিমান শোয়ে। এই জ্বলা জুই কুৰা লই যেনিবা মোৰ পুৰি মৰিব লগিয়াহে হল।

পেলনী আৰু নবমীৰ প্ৰবেশ।

ফুলে। আইটী এই পিনে আহ চোন।

নবমী। আই কি?

ফুলে। তয় চোন একে বাৰে খালি?

নবমী। কি আই? মোৰ শপত কচোন আই?

ফুলে। (মনে মনে) আই অ! লৰা মানুহ যে লৰা মানুহ এই খিনি দিনে একো বুজাকে নাই (স্পষ্টকৈ) চাঁও মোৰ ওচৰলৈ আহচোন। (নবমীৰ নিকটে আগমন এবং ফুলেশ্বৰী নবমীৰ হৃদয়স্থ শীৰাদি দৰ্শন)

ফুলে ময়! কি চাইচোঁ। তয় বুজিছনে? নবমী।

নবমী। অলপ গা ধৰিছে দেখি মৰমতে চাইছ।

পেলনী। কেনে দেখোঁ আই একেবাৰে ব্ৰহ্মটাঙ্গোন মাৰিলি। অঃ অঃ কি সতেবেনো এতিয়া অইন এটা কৰাব। আই অ! এতিয়া মানে চাগে পাঁচ মাহ মানত সোমাল।

নবমী। মোৰে শপত আই ক? ময় একো বুজিবকে পৰা নাই। তইঁতেনো কি কইছ? মোৰ আগতকৈ গাটীত অলপ শ্ৰীহই কিন্তু আই! সৰ্ব্বদাই শুই [৬৮] থাকিবৰ মন যায়। একোকে কৰিবৰ ইচ্ছা নাই। আৰু ন ন বস্তু খাবৰ ইচ্ছ হয় আৰু খাবলৈ গলেও ইচ্ছা নোহোয়া

হয়। অঃ আই! সীকৰ আছেনে? মোৰ বৰ খাবৰ মন গইছে।

ফুলে । আই! মোৰে শপত সঁচাকৈ কবি দেই। তয় আজি কেই মাহ মান গা ধোয়া নাই? (নবমী ঈঙ্গিত বুজিব পাৰি লজ্জায় অধোমুখী) বাঁৰি মানুহ দেখি ময়ো মন নকৰিছিলোঁ। ওপৰত এটা থাকিলেহে সৰ্ব্বদায় মন হয়।

পেলনী। আই! মোৰে শপত ক তাৰ এটা বিহিত কৰা যাব। এনেনো কাৰ নহয়। সকলোৰে হয়দে। (নবমীৰ ক্রন্দন)

ফূলে। তাইকনো আৰু কি বুলিম হয় আৰু! পেলনী! সয়ন্ত্রীক মাতি আন। গোপনে মাতিবি যেন কতো প্রকাশ নহয়।

[পেলনীৰ প্রস্থান।

ফুলে। আই! তয়ও যা শুই থাক গই! যি হবৰ হল। আই ঔ দেহি। মোৰ আয়ে চাগেই পেটত এটী ৰত্ন ধৰিছে। তাক ময় নষ্ট কৰিবলৈহে দিব লগীয়া হলোঁ। হাঁ কঁপাল! আই যা যি হবৰ হল। কাৰো ঘৰলৈ কেই দিন মান ফুৰিবলৈ নেযাবি ঘৰতে শুই বহি থাকিবি। মানুহ আহিলে আগতো ওলাব নালাগে। সখিয়েৰ হঁতে সইতে ঘৰৰ ভিতৰতে উমলিবি। সিহঁতে যদি কিবা শোধে একো নেমাতিবি।

[ফুলেশ্বৰীৰ প্রস্থান। [৬৯]

নবমী। (স্বগত) গুপ্ত প্রেমৰ এই শেষ দশা। প্রথমত স্বভাবৰ শক্তি অতিক্রম কৰিব নোয়াৰিলোঁ। এতিয়া আকৌ সেই হল। হা জগদীশ্বৰ! মোৰনো কপাঁলত কি লেখিছা। নোয়াৰা নহলেই যে এইটো হয় ময় পূৰ্ব্বে নেজানিছিলোঁ। ময় আজি পাঁচ মাহ নোয়াৰা হোয়া নাই সচাঁ। আহিন মহিয়া কোজাগৰৰ দিনা নোয়াৰা হইছিলোঁ। সখিউৰু খেল খেদিবলৈ অহাত খেদিবলৈ নোয়াৰিলোঁ। কোন লাজেৰেনো মানুহৰ আগত কম? ভালেতোহে কালি আহি পাই এই মোৰ বুকুৰ কলাশীৰ দেখি তেঁও হুমুনিয়াহ কাঢ়ি তেনেই শুই থাকিল। জয়ন্তী সখিয়ে বা জানিছে নাই? কি কৰিম! কি নকৰিম! বিবুদ্ধি হলোঁ। সয়ন্ত্রীকো মাতিবলৈ পঠাইছে। যাঃ যি থাকে কপাঁলত

যাঃ যি থাকে কপাঁলত সেয়ে হব। ময় হতভাগিনীৰ লগত মোৰ পিতৃ মাতৃ প্ৰাণৰ সখি আৰু তেঁওৰ যে সৰ্ব্বনাশ হল ইহে শোকৰ কথা। এইটোহে নমৰো মানে মনত থাকিব।

[ইতি প্ৰস্থান।

## দ্বিতীয় দৰ্শন

ৰাজআলী।

দতো আৰু সীহুৰামৰ প্ৰবেশ।

সীহুৰাম। কাকা কিয় আহ্‌লি এই ?

দতো। কি শোধাহ ! বাপ্‌ৰে ! মোৰ কপাঁলৰ কথা। এটা মকত্তমা কৰবা আহছোঁ।

সীহু। কিনো হুচি ?

দতো। পুত্‌খা চধৰী এইবাৰ গেই আব সৰ্ব্বনাশ কৰ্বা ধৰ্চি [৭০] আমাৰ ঠেনা মানুহ আৰ থাকাৰ যোএই গুচিল। পুত্‌খা গুহেটীৰপে গেই সিকী আধলী কৰি মাগান কৰ্চি। নেদিলি আৰ ৰক্ষা নাই। এই পুহ মাঘ মেহিয়া ৰাতি পানীত পেলেই কুন্দাত মাৰি থও এই তাৰ বাপাকাৰ —। পুত্‌খা ? ঘৰৰ তিৰী চলি আদি কৰি শাস্তি কৰেই। ময় পাক ঘৰৰ পিনি আশা এৰি দি আহ্‌ছোঁ। পুত্‌খা যি কৰে কৰক। এখান দৰ্কস দিবা লাগেই। বাপা আতেইনে কোন ভাল উকীল আছেই জানাহ না।

সীহু। এনাই কৰ্চিনা ? মোক সি নগুৰ বিৰ্ত্তন্ত কৰ্চিদে। তাত থাকি হে আহিছোঁ। চ দুইও একেই লগেই থাকি বুধিৰ ঢিপা উকীলক ধৰি কেলাপটৰীত এখান, ফৌদাৰীত এখান, দেওনীত এখান, বৰ সাহাবৰ তত এখান দৰ্কস দেও দে। পুত্‌খায় যেন স্মৃৰ্ত্তীকে নাপে। মাল্লাক বাপা পুত্‌খাৰ পুতাক চধৰী খালাক। আহনি যেনি কৰাওতে হেঁকা ওলাল।

দতো। তেঁহতক নো কি কৰিবি। তেঁহতে আমলা আৰু উকীল হঁতক ভেঁটী দি মকত্তমাত জিক্‌বো।

সীহু। নৰেই দে। আমাৰ সাহাব ভাল। নাজনাহনা এঁই পাক সাহাব মফসলক যাওঁতে কেনেই চিকানে মকত্তমা শুনছিল। ৰায়াতক এঁও সাহাবে বৰ মৰম কৰেই।

দতো। যাঁও চল্

( বাদ্য ভাণ্ড )

সীহু। শুনচাহ না কাকা। এঁই ঠাইক গঁহে আহিছি।

দতো। কত নো?

সীহু। নুশুনাহনা সেই গাইন বাইন গাইছি। হের্ সাজ তোলা [৭১] কেনেই ভেম মাৰি আহবা লাগছি। তাৰ লগতে যাঁও দে

সাজতোলা, নাৰায়ণ আৰু অইন অইন শিষ্য প্ৰশিষ্য ডোম ডাইনী আৰু দৰ্শক সকলৰ প্ৰবেশ।

( তন্মধ্যে দতো এবং সীহুৰাম স্থিতা )

সাজতোলা। ( নামঘৰ পাই চতুৰ্দ্দিকে দৃষ্টি কৰি খোঁজৰ ওপৰত খোঁজ দি) অধিকাৰী গোঁসাই আহিব লাগিছে। ডোম ডাইনী শিষ্য প্ৰশিষ্য এটাই নিজম দি খেলে খেলে বহ। আৰু কাৰ কত কি দিব থবৰ আছে যতনাই থ। অইন মানুহ বিলাক এফলিয়া হই আঠু কাঢ়ি থাক। ( গোসাঁইক দৃষ্টি কৰি ) হেৰ! গোসাঁই আহিব লাগিছে সকলোয়ে সাবধান থাক। হেৰ আহি পালেহি সকলোৰে হৰিধনী দে।

সকলোয়ে। জয় কৃষ্ণ বুলি হৰিবোল, বৰিবোল, হৰিবোল, — আৰু বাৰে হৰিবোল, হৰিবোল, হৰিবোল।

তিৰোতা সকলোয়ে। জয় ৰাম বোলা বোলা, জয় হৰিবোলা। জয় ৰাম বোলা।

তিৰোতা বিলাকে উৰুলী আৰু খোল কৰতাল ইত্যাদি বাদ্য ভাণ্ড )

নামঘৰত গোসাঁইএবং ভকত সকলৰ প্ৰৱেশ।

খাটনিয়াৰ। প্ৰভু জগন্নাথ! সকলোয়ে প্ৰভুৰ দুখানি চৰণ সেবা কৰিছে।

মহাজন। খাটনিয়াৰ এটাইকে কোয়া যাৰ যত শৰণ ভজন হবৰ আছে পশু'ই হব। যাৰ যি দিবৰ আছে তাক বৰ বৰ আলধৰাক লব দিয়া। আৰু দায় টায় যাৰ যি আছে আনিব দিয়া। [৭২]

খাটনি। ভাল প্ৰভু ঈশ্বৰ দুখানি চৰণে যি আজ্ঞা কৰিছে। হেৰ ! সকলোয়ে শুনিবি। দুখানি চৰণে আজ্ঞা শুনাব দিছে বোলে যাৰ যত শৰণ ভজন হবৰ আছে সি পশু'ই দিনা হব। যাৰ যত দিব থব লগীয়া আছে তাকে বৰ আলধৰাৰ হাতত গতাই দিয়া। বৰ আলধৰা। যোয়া লোয়া গই। ( বৰ আলধৰাৰ প্ৰস্থান ) আৰু যাৰ যত দায় টায় আছে তাক আজিয়ে ভাগিব লাগে।

সাজ। আতে। খাটনিয়াৰ আতে! দুখানি চৰণত জনাওক, সকলো খেলকে দুখানি চৰণে কুশলে ৰাখিছে। আজি যেয়ে পাউনি থউনি আনিছে তাক আলধৰাই লব। আৰু কেইখন মান খেলৰ মানুহে একো দিয়াও নাই থোয়াও নাই। প্ৰভুৰ কথা কই বন্দীৰ আজ্ঞা শুনালো তেও সিহঁতে নেমানিলে ময় কি কৰিম।

মহা। তেন্তে নিদিয়া সকলকে নীতিমতে দণ্ড কৰা।

( নানা প্ৰকাৰ দণ্ড )

সীহু। ( এফলিয়া হই ) কাকা ! দেখছাহ্না। চধৰী হলি দৰ্কস দি সাৰবা পাৰি। আৎসোঁ পুৎখা আকো দিহা নাই।

দতো। ( তদ্ৰূপ ) তাকেই তো।

সাজ। আতে! দুখানি চৰণত জনাওক। ৰঘু বুলিবৰ ডোমে ৰহমতী বুলিবৰ ডুমুনীত চোৰ পৰিছে। বন্দীয়ে বিধিমতে ঘাটপানী এলাগ কৰিছোঁ এতিয়া যি আজ্ঞা হয়।

মহা। খাটনিয়াৰ ! গোচৰ বিলাক তুমি শোধা।

খাটনি। প্ৰভু ঈশ্বৰ—। হেৰ ৰহমতী! সাজ তোলাই যি কথা কইছে সঁচানে ? [৭৩]

ৰহ। আতে ! সাজতোলাই যি কইছে তাতে থাকি যদি দুখানি চৰণে বেটীকে

কাটে কাটীব পাৰে। বেটী বোলোঁতেই পোঁধ নোহোয়া তিৰোতা। অপ্রেশ্। কিন্তু সাজ তোলাৰ কথা স'চা নহয়।

খাটনি। তেন্তে তুমুনী কচোন!

ৰহ। আতে। সাজতোলা আতাইয়ে এদিন সাজবেলিয়া বেটীৰ ঘৰলৈ গই থাকিব খুজিচিল। বেটীয়ে মান্তি নোহোয়াত এনে কৰিচে। আৰু বেটীয়ে তুখানি চৰণলৈ আঠোটা কানী, তুটকা ৰূপ, এটা পান, ৮ পোন তামোল দিছোঁ। তাকো দেখোঁ এটাইয়েৰে বস্তু দিয়াত নুশুনিলোঁ।

খাটনি। তয় শপত খাব পাৰনে?

ৰহ। বেটীয়ে এতিয়াই বেটীৰ তুখানি চৰণত ধৰি শপত খাব পাৰোঁ।

খাটনি। বাৰু তয় থাক। হেৰ ডোম কচোন!

ৰঘু! কি কম খাটানিয়াৰ?

খাটনি। অঃ কটা! এনে সাহ! হেৰ ইয়াক ধৰি একুৰী চমটা মাৰ। (প্রহাৰ)

ৰঘু। কিবা জনাইছে মোত আতে?

খাটনি। কটা ডোমৰ কথাই সেই। কচোন কি জান?

ৰঘু। আতে! বন্দী বোলোঁতে ডোম! অপ্রেশ্। সাজতোলায় মিচা কথা কইছে। বন্দীয়ে শপত খাব পাৰো।

খাটনি। সাজতোলাৰ গোচৰ পিছে হব এতিয়া নাৰায়ণৰ কথা শুনো। কোয়া চোন?

নাৰায়ণ। কি কম? শিবকান্তৰ বাঁৰি জীয়েক জনীয়ে আজি পাঁচ মাহ মান গা ধোয়া নাই।

খাটনি। কোনে জানে? [৭৪]

নাৰায়ণ। সয়ন্ত্ৰীক হেৰি কৰিবলৈ মাতিছিল। তাই জানে আৰু আমাৰ ঘইনিয়ে জানে।

খাটনি। (মনে মনে) ময় সিবেলী কৰ সাধিবলৈ আহাত নকৰিবৰ চকৰী কৰিছিল। (প্রকাশ্যে) বাৰু পাঁচনি যোয়া। সয়ন্ত্ৰী আৰু এওঁৰ ঘইনিয়েক তুইকো ইয়ালৈ লই আহা। নানিলে ভাল নেপাবা।

[ পাঁচনীৰ প্ৰস্থান। ]

নাৰায়ণ। (মনে মনে) অপৰৰ অপকাৰ কৰিলে আপোনাৰ অপকাৰ হয় সঁচা।

সয়ন্ত্ৰী আৰু শিবাৰ সহিত পাঁচনীৰ পুনঃ প্ৰবেশ।

খাটনি। হেৰ মানুহ তুজনি! শিবকান্তৰ জিয়েকৰ কথা কি জান কচোন?

সয়ন্ত্ৰী। হয় আতে! মোক হেৰি কৰিবলৈ শিবকান্তৰ ঘইনিয়েকে মাতিছিল। ময় চাই আহিছোঁ। পাঁচ মাহমান হইছে।

শিবা। হয় আতে! ময় অইন লক্ষণ দেখিছোঁ।

খাটনি। কোন নো চোৰ কোনোবাই কব পৰা হঁকনে? (সকলোয়ে নিস্তব্ধ)

খাটনি। কোনেও নোয়াৰিলে বাৰু।

মহা। তেনেহলে শিবকান্তৰ ঘৰত চাট মাৰা। তাৰ ঘাট পানী এলাগ। পঁাচশ টকা দিলেহে দায় ভাগিব।

সীহু। (এফলিয়া হই) কাকা আক্ টাকা দিলি হবো পাপ খণ্ডিব? পুৎখা সকলোতেই টকাহি।

দতো। (এফলিয়া হই) এখান টকাৰ হে দিন হচি দে।

মহা। এতিয়া বাহৰলৈ যোয়া যাওক কাইলৈ আকৌ বঁহা যাব।

[ ইতি নিষ্ক্ৰান্তাঃ। [৭৫]

## তৃতীয় দৰ্শন

নবমীৰ শয়নাগাৰ।

নবমীৰ প্ৰবেশ।

নবমী। (একাকিনী) এই যতভাগিনীৰ আৰু কি হবৰ আছে? গোঁসাইয়ে আহি চাট মাৰি গইছে! যি পিতৃ মাতৃয়ে জন্ম দিলে, লালন পালন কৰি মানুহ কৰিলে সেই পিতৃ মাতৃয়ে মোৰ পৰা সুখ পোয়া দূৰৈত থাওক কষ্টহে কষ্ট পাইছে। প্ৰথমে যাত বিয়া দিছিল তেঁওৰ মৃত্যু জন্য মোৰ যি ক্লেশ তাৰ কষ্ট স্বভাবৰ সক্তি অতিক্ৰমণ কৰিব নোয়াৰি

ময় কৰা কৰ্ম্মৰ কষ্ট, লোকত লজ্জা ভয় আৰু অপমান। আহা! মোৰ নিমিত্ত পিতৃ মাতৃৰ ক্লেশৰ সীমা নোহোয়া হল। আৰু যাৰ যত্ন পৰিশ্ৰম আৰু বুদ্ধি পৰামৰ্শ নহলে মোৰ ইমান দিন জীয়াই থকাই নহল হঁতেন তেনে প্ৰাণৰ সখীৰ লজ্জা অপমান আৰু ক্লেশ। আৰু মোৰ গৰ্ভত থকা সন্তান যদি ভুমিষ্ঠ হয় তাৰ লজ্জা. অপমান আৰু ক্লেশৰ কাৰণ ময়! এনেতে মোৰ জীবন কি আবশ্যক? মৰিলেনো এইসকল কলঙ্কৰ পৰা পৰা মুক্ত হব নে? নহয়। চন্দ্ৰ দিবাকৰ থাকে মানে এই কথা থাকিব। আহা মোতকৈনো হতভাগিনী আৰু কোন আছে এতেকে মোৰ মৃত্যুই ভাল। ৰঃ! ময়নো মৰোঁ কিয়? ওপৰত যি কাৰণ কইছোঁ তাৰ জন্য। তাৰনো কাৰণ কি? আহা! মোঁৰ বৈধব্য দশা। ময়েই যদি বিধবা নহম এনে হব কিয়? ময়তো এই প্ৰাণনাথে সইতে সংঘটন হবৰ পৰা বিধবা নহঁও। কিয়নো তেঁওৰ পৰা বিবাহৰ যি [ ৭৬ ] মুখ্য অভিপ্ৰায় সেই সিদ্ধি হইছে। তেন্তে এনে হল কিয়? আহা। দাৰুন দেশাচাৰ! হা দেশাচাৰ! তোৰ এনে পৰাক্ৰম! তয় মোৰ নিচিনা কিমান হতভাগিনী আৰু তাঁহাঁতৰ জ্ঞাতি পৰিজন বন্ধুবৰ্গৰ লজ্জা অপমান আৰু ক্লেশৰ কাৰণ হইছে। ময় কেতিয়াও কুকৰ্ম্ম কৰা নাই। জগদীশ্বৰ সাক্ষী! এই জনতে ময় প্ৰথমে বিবাহ কাৰায়া জনৰ দৰে প্ৰাণ মন সমৰ্পণ কৰি দিছোঁ। তেঁও বিনে মোৰ অন্য আৰু কোনো ভাবনা নাই। তেঁওয়েই সকলো। বিবাহৰ প্ৰধান যি তাৎপৰ্য্য সেইটী ইয়াত হে ঘটিল প্ৰথমটীত নঘটীল ন ঘটীল। মোক অসতী বুলিব। ঈশ্বৰে জানে ময় যদি পতিব্ৰতা হই থকা নাই। ঈশ্বৰে ইয়াৰ যন্ত্ৰণা দিব। সাস্ত্ৰতো বিশেষ বিধি আছে, এনে অবস্থাত আমাৰ স্বামী লব লব পাই। তথাপি যে এনে হইছে ই কোণ দাৰুণ দেশাচাৰ! যি দেশত এনে দেশাচাৰ তাত যেন মানুহ জন্ম নধৰে। জন্ম হলেও যেন তিৰোতা নহয়। তিৰোতা হলেও যেন বিধবা নহয়। বিধবা হলেও যেন প্ৰথম অবস্থাত নহয়। ময় ইমান ক্লেশৰ ভাগী হলোঁ। ( গৰ্ব্ভস্থ সন্তানৰ প্ৰতি ) হে জিব! তুমি মোৰ উদৰত

উৎপত্তি হই সংসাৰ নেদেখিলাই ? কিমান মানুহে সন্তানৰ জন্য যাগ যজ্ঞ তপ জপ কৰিছে, ময় সেই সন্তান ধৰ্ম্মতঃ আৰু ন্যায় পক্ষে পাইও নষ্ট কৰিব লগিয়া হলোঁ। আহা! দেশাচাৰৰ কেনে দাৰুণ শাসন। হে গৰ্ভস্থ সন্তান! তুমি মোৰ ইয়ালৈ আহি কেৱল জঠৰ যন্ত্ৰণা হে পালা। সেই যন্ত্ৰণা অধিক কাল ভোগ কৰিব নেলাগে। আৰু জন্ম হলে তুমি সংসাৰত এনে দেশাচাৰ ৰজাৰ দাৰুণ শাসনত [৭৭] সুখে থাকিব নোৱাৰা।

এতেকে ময় তোমাৰ গৰ্ভধাৰিণী হই এই মানহে কৰিব পাৰোঁ যে ময় স্বয়ং মৃত্যু হই তোমাক যন্ত্ৰণাৰ পৰা শীঘ্ৰে মুক্ত কৰোঁ। তেহে তুমি শীঘ্ৰে আকৌ অইন এঠাইত জন্ম লই সুখ ভোগ কৰিব পাৰিবা। হে ধৰ্ম্ম! তুমি সাক্ষী ময় কেতিয়াও ব্যভিচাৰিণী নহয়। এঁওত বাজে যদি ময় অইন কাতো মন দিছোঁ তেন্তে মোক বিহীত শাস্তি দিবা ময় যে এতিয়া মৰিবলৈ ওলাইছোঁ তাৰো তুমি সাক্ষী — মোৰ এই জীবনৰ কায নাই। কি উপায়েনো মৰোঁ? ৰ! প্ৰাণনাথে প্ৰথম সম্ভাষণৰ দিনা যি কটাৰিখন দিছিল সেইখনেই মোৰ মৃত্যুৰও কাৰণ হওক। হে অস্ত্ৰ! ময় যে তেঁওত বাজে অন্যক কেতিয়াও মন দিয়া নাই; ইয়াৰ তুমি সাক্ষী দিবা। হে অস্ত্ৰ! মোৰ প্ৰাণটী নিবা— (এই বুলি ডিঙ্গীত এক ৰেপ দিয়াত এটা টেটু কাটিল) হা! এই পৰ্য্যন্ত এই প্ৰাণ যোৱা নাই। দাৰুণ দেশাচাৰৰ শাসনত এই পুণ্য তুমি একেবাৰে মোৰ নিচিনা কিমান তিৰোতাৰ গৰ্ভস্থ আৰু মানুহৰ তেজেৰে তল যাব লাগিছে। সেই দেখিহে এই দেশত অন্য প্ৰকাৰ সকলোসুখৰ কাৰণ থকাতো যিমান দিনলৈকে মোৰ নিচিনা দ্বিতীয় পতি বৰণ ঘৃণিত বুলিব, তিমান দিনলৈকে এই দেশত সুখ নহয়। হে প্ৰাণনাথ! ময় তোমাত বাজে কাতো মন দিয়া নাই। তথাপি মোৰ এনে দুৰ্দ্দশা। এতেকে এই জীবনত সকাম নাই—সকাম নাই— সকাম নাই—(এই বুলি ভালকৈ ৰেপা মৰাত আৰু অধিক তেজ

যোয়াত থাকি চাঁসকৰে বিছনাত পৰিল )—[৭৮]

জয়ন্তীৰ প্ৰবেশ।

জয়ন্তী। সখি! কি কৰিছা?

নবমী। সখি! অপৰাধ ক্ষমা কৰা। ময় ডিঙ্গীত কটাৰী দিলোঁ! আৰু অলপতে মৰিম। মোৰ জীবনত আৰু কায নাই।

জয়ন্তী। ঔ সখি! ঔ আই! ঔ আমই! ঔ বাই! ঔ তাঔই! ঔ সখি! মোক এৰি কলৈ যোয়া।

নবমী। দেওৰেৰত মোৰ সেবা জনাবা ময় তেঁওত বাজে কাতো মন দিয়া নাই। মোৰ জন্য তেঁওৰ অপমান হব। সেই দোষ যেন মাৰ্জ্জনা কৰে আৰু যেন নেপাহৰে।

শিবকান্ত, ফুলেশ্বৰী, পেলনী এবং অন্যান্য গৃহ পৰিজনৰ প্ৰবেশ।

নবমী। পিতাদেউ! মোক ক্ষমা কৰা! আই! মোক ক্ষমা কৰা! বাই মোক ক্ষমা কৰা! নেপাহৰিবা। ময় তোমালোকৰ সকলোৰে অসুখৰ কাৰণ। সেই দেখি ময় এই জীবন পৰিত্যাগ কৰিলোঁ। মোৰ নিমিত্তে আৰু তোমালোকৰ ক্লেশ পাব নেলাগিব। আই! মোৰ মাতিবৰ সক্তি আৰু নাই। হে ৰাম! ৰাম! ৰাম! ৰা—ম—ম—( মৃত্যু ) ( সকলোৰে ক্ৰন্দন )

[জয়ন্তী কান্দি কান্দি প্ৰস্থান।

শিব। আমাৰ কঁপালাত যি আছিল সেই হল! কান্দিলে কি হব! তাইক বা দোষ দিলে কি হব। ই আমাৰ [৭৯] কৰ্ম্ম দোষ আৰু দেশৰ দোষ। এতিয়া এই শবটোৰ সংকাৰৰ এটা উপায় কৰা যাওক।

[ ইতি নিষ্ক্ৰান্তাঃ।

ফুলে। ঔ মোৰ আইটী! হাঁ কপাল —

## চতুৰ্থ দৰ্শন।

হৰনাথৰ বাটী।

ৰামচন্দ্ৰৰ শয়নাগাৰ।

ৰামচন্দ্ৰ আৰু নিগদতিৰ প্ৰবেশ।

ৰামচন্দ্ৰ। হেৰ নিগদতি! বৌউৰুৰ ফালে হুৱা কুৱা শুনিছোঁ। দেখোঁ। যাচোন এবাৰ বুজ লই আহগই।

[ নিগদতিৰ প্ৰস্থান ]

ৰাম। তত গৰ্ত্ত হোৱা গোঁসাইৰ তত ৰাষ্ট্ৰ হোৱাত চাট মাৰি গৈছে। কিবা হল কিবা নহল।

নিগদতিৰ পুনঃ প্ৰবেশ।

ৰাম। কি শুনিলি?

নিগ। বৌৰাৰ সখিয়েক ডিঙ্গীত কটাৰি দি মৰিল। সেই দেখি বৌৰাও কটাৰী দি মৰিল। তাতহে ইমান হুৱা কুৱা লাগিছে। আৰু ডেকাদেও আপোনাক বৰ আইয়ে মাতিছে।

ৰাম। বাৰু যাঁও যা, তয় আগ হই যা।

[ নিগদতিৰ প্ৰস্থান।

ৰাম। হে প্ৰাণেশ্বৰি! তুমি মোক এৰি গলা! মোৰ নিমিত্তে তোমাৰ আৰু তোমাৰ সখিয়েৰৰ আৰু তোমালোকৰ [৮০] অন্যান্য সকলৰ এনে দশা হল। মোৰ এই জীৱনত কায নাই। ময় কেতিয়াও কুকৰ্ম্ম কৰা নাই! ধৰ্ম্মে জানে। হে প্ৰাণপ্ৰিয়া! ময় যদি তোমাত বাজে অইন কাতো মন দিছোঁ। তেন্তে মোক ধৰ্ম্মে শাস্তি দিব। মোৰ এই জীৱনত কায নাই। — (এই বুলি জৰি আনি চতীত জৰি লগাই ডিঙ্গীত ফাঁহি দি) — হে ধৰ্ম্ম! তুমি সাক্ষী! — এই দাৰুণ দেশাচাৰৰ শাসনত এনে হল। হে প্ৰিয়ে নবমী! হা নবমী! হে জগদীশ্বৰ! ( মৃত্যু )—

[ ইতি নিষ্ক্ৰান্তাঃ।

## পঞ্চম অঙ্কঃ পঞ্চম দৰ্শন

মহাজনৰ বাহৰ।

মহাজন আৰু তদসঙ্গি ভকত আৰু কুলনাথ

পূজাৰীৰ প্ৰবেশ ।

মহা। বাপু! তোমালোকৰ ফালে ৰাতি বৰ হুয়া কুয়া শুনিছিলোঁ আৰু ৰাতিপুৱা এই পিনে হুনু দাৰোগাও গইছিল। কিনো ?

ফুল। প্ৰভু! কালি ৰাতি ছয় দণ্ডমান যোয়াত শিবকান্তৰ জীয়েক নবমী ডিঙ্গীত কটাৰি দি মৰিল। আৰু তাৰ পিছত আমাৰ বৰ বাপাৰ ঘইনিয়েকো সেই দৰে মৰিল। ৰাতি পুৱা আকৌ হৰনাথৰ পুতেক ৰামকো গলত ফাঁহি দি মৰি থকা দেখা গল। তাতেহে দাৰোগা আহিছিল। সিঁহঁত আপুনি মৰা প্ৰমাণ পায় দাৰোগাই ৰিপোট লই গইছে।

মহা। কাৰোতো একো নহয় ? ময় কালি শিবকান্তৰ দায় বুলিছিলোঁ, মোৰ জানো একো নহয় ?

ফুল। প্ৰভু ! নহব পায়। [ ৮১ ]

মহা। বাপু! কাৰনো সইতে নবমীৰ সংঘটন হইছিল কব পাৰানে ? ইয়াৰ কিবা জানানে ?

ফুল। প্ৰভু! বন্দীয়ে একো নেজানো। বোধ হয় ৰামচন্দ্ৰে সইতে নবমীৰ লটঘট আছিল। আৰু বৰ বাপাৰ ঘইনিয়েকে তাক জানিছিল চাগেই। তাতেহে বৰকৈ জনাজনি হোয়াত তিনিও আত্মঘাতি হল।

মহা বাপু! তুমি এই কথাটী কলা মোৰ মনে ধৰিছে। ময় আজি ৰাতি এটা স্বপ্ন দেখিছোঁ।

ফুল। প্ৰভু কওক চোন ? সংস্বপ্ন।

মহা। ময় যেন আমাৰ ঘৰত বহি আছোঁ। তাতে এটী অতি বুড়াবামুন, গায়ে গতিয়ে চুটী চাপৰকৈ, আদ বয়সিয়া বঙ্গালি বামুন এটী লগত লই আহি মোক কলে বোলে “গোঁসাই মোৰ গাত এই বিলাক খোঁচ দেখা নাইনে ? তেও আকৌ তুমি নকই এটা খোঁচ মাৰিলা। ময় ভালক প্ৰতি এই কালৰ মানুহৰ ভালৰ নিমিত্তে সাধাৰণ বিধিৰ বাহিৰে এটা বিশেষ যুক্তি সিদ্ধ বিধি দিলোঁ। অইনৰ হলে বিশেষ

বিধি মানে। মোৰ নেমানে। ময়েই সচাকৈ এই কালৰ বিধি দিয়া। চোয়া চোন এই বোৰ মোৰ গাত ঘা কৰিছে? এই মানুহটীয়েহে মোৰ ঘা বিলাক গুচাবলৈ যতন কৰিছে। নবমী তোমা-লোকে ভবাৰ দৰে অসতী নহয়। তাই পতিব্ৰতা নবমীয়ে সইতে যাৰ ইঁহা মাতা আছে সেইজন তাইৰ ধৰ্ম্ম প্ৰমাণ স্বামী আৰু তাইৰ সখিয়েকেও সৎকৰ্ম্ম কৰিছে"। তাতে ময় কলোঁ বাপু আপুনিনো কোন ময় নিচিনো? তেঁও কলে বোলে "ময় কুঁয়লি কৰিছোঁ। এনেতে ৰাতি পুৱাল সাৰ পালোঁ। [৮২]

কুল। প্ৰভু বন্দীয়ে ইয়াৰ অৰ্থ বুজিব নোয়াৰিলোঁ। প্ৰভু শিবকান্তৰ দায় ভাঙ্গক। তাৰ সৰহ হইছে।

মহা। বাৰু! কথা শুনাই দিবা। এতিয়াহে জানিলোঁ নবমী সতী সাধ্বী? ময় কি কুকৰ্ম্ম কৰিলোঁ। ময়েই ইহঁতৰ বধৰ ভাগি হলোঁ। প্ৰভো! মোক দোষ নধৰিবা। যেনে দেশাচাৰ তেনে কৰিছোঁ। আৰু নবমীৰ দৰে পতিব্ৰতা হলে হানি নাই। অইন হলেহে বিধবা সধবা এটাইৰে দোষ। আমি আৰু এই গাঁওত নেথাকোঁ। বাপু! তিথীৰ সময় এটাইকে সত্ৰলৈ যাবলৈ কবা। তেতিয়াই শৰণ ভজন দিম। মোৰ আজি ৰাতি সমাজিক দেখিবৰে পৰা মনত বৰ ভাবনা হইছে।

কুল। ময়োঁতো তাকে বোলোঁ। প্ৰভু! অইন ৰূপে দুষ্কৰ্ম্ম কৰি অনেকক সৰ্ব্বনাশ কৰাতকৈ পৰাশৰৰ বিশেষ বিধি লোয়া ভাল।

[মহাজনৰ আৰু সঙ্গীসকলৰ প্ৰস্থান।

কুল। (সভাসদ সকলক প্ৰতি) আপোনা সকলে শুদ্ধ মনে বিচাৰ কৰি চাওক। ময় এতিয়া ঘৰলৈ যাঁও। লৰালৰিকৈ পূজাটো কৰি কেইটা মান ভাত খাঁও গই। বৰ ভোক লাগিছে।—

পূজাৰীৰ উক্তি।

লেচাৰী।

শুনিবাহা সভাসদ জন, ৰামনবমীৰ বিবৰণ,

ইহাঙ্ক অসত্য নমানিবা কদাচিত।
এচৰু অন্নৰ এটা চাই, সমস্তৰে যেন বাৰ্ত্তা পাই,
সেহি পটন্তৰ পাইবাহা আত নিশ্চিত॥
এনে দুৰ্ঘটনা ঠাই ঠাই সৰ্ব্বকালে নিষ্টে পোৱা যাই, [৮৩]
তথাপিতো তাক দেখি নেদেখাহা কেনে?
নৰ নাৰী এই দুই প্ৰাণি, মিলিয়া মনুষ্য হয় জানি;
তথাপিতো কেনে ভিন্নভাব মনে মনে॥
যদি তাক জানা সত্য কৰি, পুৰুষ মৰিলে কেনে নাৰী,
বিবাহৰ বিধি নেদেহা কমন কৰি?
বিধবা নাৰীৰ পতি সঙ্গ, ঈশ্বৰৰ ইচ্ছা নোহে যদি,
কামভাব তাৰ নথাকিত অঙ্গ ভৰি॥
যি কাৰণে সিতো নোহে নাশ, স্বভাবৰ গতি অপ্ৰয়াস,
সুযোগত হয় প্ৰকাশ অজস্ৰ মতে।
কলি শাস্ত্ৰ কৰ্ত্তা পৰাশৰে, কহিছে স্মৃতিত উচ্চৈঃস্বৰে॥
বিধবা নাৰীৰ পতিৰন্যো বিধিয়তে॥
হেনক শাস্ত্ৰক পৰিহৰি, মিছা আচাৰক সত্য কৰি,
কিনো অযুগুত আচৰিছা দৃঢ় কৰি।
দেশাচাৰ যাক ভাবি আছা, তাৰ পৰিবৰ্ত্ত জানা সঁছা,
তথাপিতো তাক স্থিৰ বুলি আছা ধৰি॥
ভ্ৰূণহত্যা ব্যাভিচাৰ দোষ, গুপুত প্ৰেমৰ অসন্তোষ,
আৰু নানা পাপ সকলো হইব নিঃশেষ।
প্ৰীতিত তুলনা ভয়ে যদি, ইহাত নিদিয়া দৃঢ়মতি,
সিও কথা যোগ্য নহন্ত অতি বিশেষ॥
দেশাচাৰ সঁচা থোৱা সাঁচি, পৰমাৰ্থ তত্ত্ব লোৱা বাচি,
শাস্ত্ৰ যুক্তিমতে সদা কৰা আচৰণ।
শাস্ত্ৰ যুক্তিতেসে দিয়া চিত্ত, গোৱা হৰি গুণ নাম গীত,
সকল শাস্ত্ৰৰ এহিসে সাৰ বচন॥

[ইতি নিস্ক্ৰান্তাঃ।

যবনিকা পতন।

ৰামনবমী নাটক সম্পূৰ্ণ [৮৪]

# ৰামনৱমী নাটক

## তীৰ্থনাথ শৰ্মা

ভাৰতলৈ পশ্চিমীয়া শিক্ষা-সভ্যতা আহিছিল গোঁজ হৈ। এই গোঁজেই গৈ শেহন্তত গছ হ'ল। গছ হ'বলৈ পোখা মেলিছিল উনৈশ শতিকাৰ ভৰ ডুপৰত। তেতিয়াও পুৰণিয়ে একাষৰীয়া হৈ বাট এৰি দিয়া নাছিল, কিন্তু নতুনে হেচি ঠেলি হ'লেও বাট উলিয়াবলৈ ভিৰ দিছিল। ন-পুৰণি আৰু প্ৰাচ্য-পাশ্চাত্যৰ ঘৰিষণৰ এই কালডোখৰক ভাৰতৰ জাতীয় জীৱনৰ কল্পান্ত-কাল বুলি ক'ব পাৰি। এই ঘৰিষণৰ প্ৰতিক্ৰিয়া সেই যুগৰ সাহিত্য, সমাজ, শিক্ষা-ব্যৱস্থা আৰু জীৱন-নীতি সকলোতে বিৰিঙি উঠিছিল। অসমীয়া সাহিত্যও তাৰ ব্যতিক্ৰম নহয়।

অসমীয়া সাহিত্যৰ পুৰণি ভেটিক নকৈ চিকণাই বৰঘৰ বন্ধাৰ কাম আৰম্ভ হয় এই উনবিংশতিকাটোৰ মাজভাগৰ পৰাই। এই যুগৰ সাহিত্যিক প্ৰচেষ্টাই গতি কৰিছিল ত্ৰিস্ৰোতা হৈ। ভাষাক 'স্বে মহিম্নি' প্ৰতিষ্ঠিত কৰি তাৰ পোছাকী সাজটোৰ স্বৰূপ নিৰ্ণয় কৰাটো হয় প্ৰথম সোঁতা। এই কামত কটাৰ, ৰবিন্‌ছন্‌, ব্ৰাউন, ব্ৰন্‌ছন্‌ আদি ইংৰাজ আগৰণুৱাৰ লগতে খোজ দিছিল আৰু আধৰুৱা কাম পূৰা কৰিছিল যাদুৰাম ডেকাবৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন আৰু হেমচন্দ্ৰ বৰুৱা এইসকলে। এইসকলেই ভাষাক আপোন মৰ্যাদাত প্ৰতিষ্ঠিত কৰিলে, ব্যাকৰণৰ ভেটি নিচয় কৰিলে আৰু অভিধানৰ ভঁড়াল বান্ধিলে; সৰ্বোপৰি, অসমীয়া ভাষাৰ স্বাতন্ত্ৰ্য আৰু বৈশিষ্ট্যক গজগজীয়া কৰি প্ৰমাদীবিলাকৰ ভ্ৰম-প্ৰমাদ গুচালে আৰু তেওঁ-

লোকৰ ভাষাগত মায়াকো নিৰ্বাণ কৰিলে। লগে লগে 'অৰুণোদয়'ৰ প্ৰবন্ধ-পাতি, বাইবেলৰ ভাঙনি, ল'ৰাৰ উপযোগীকৈ ৰচিত পাঠ্য-পুথি আৰু বুৰঞ্জী ৰচনা, এইবিলাকে আধুনিক অসমীয়া গদ্যৰ নতুন আৰ্হি এটাও দাঙি ধৰিলে।

দ্বিতীয় সোঁতাটো হ'ল পুৰণি অসমীয়া সাহিত্য-সম্পদৰ প্ৰতি অসমীয়া সমাজৰ মূৰ্ছা যোৱা সোঁৱৰণিক জীপ দিয়া। 'অৰুণোদয়'ত পুৰণি বুৰঞ্জীৰ ধাৰাবাহিক প্ৰকাশ, আৰু 'নামঘোষা,' 'কীৰ্তন'ৰ ছপা সংস্কৰণৰ উপৰিও পুৰণি আৰ্হিত পদবন্ধে ৰচনা কৰা পুথিৰ সংখ্যাও এই শতিকাত অলপীয়া নাছিল। উনৈশ শতিকাত ৰচিত প্ৰাচীন পৰম্পৰাৰ বাহক পদ-পুথিৰ এটা সুকীয়া সংকলনৰ আৱশ্যক হৈ পৰিব।

তৃতীয় সোঁতাটো শেহতীয়া হ'লেও বিচিত্ৰ গতিৰে লীলায়িত। উনৈশ শতিকাৰ শেহৰ ফালে পাওঁ ন ন ৰূপত গঢ় লোৱা আৰু বাঢ়নৰ সম্ভাৱনাৰে ঠন ধৰি উঠা অভিনৱ সাহিত্য-কৰ্মৰ এটা বিৰাট উখল-মাখল। খণ্ড-কবিতা, নাটক, মহাকাব্য, উপাখ্যান, উপন্যাস, প্ৰবন্ধ, ভ্ৰমণ, জীৱনী-এই সকলো বিভাগতে অসমীয়া সাহিত্যক পুষ্ট আৰু শোভন কৰাৰ কাৰণে যি আগ্ৰহাতিশয়তা সিয়েই এই যুগৰ অসমীয়া সাহিত্যৰ তৃতীয় সোঁতা। উনবিংশ শতিকাৰ এই ত্ৰিস্ৰোতাবাহী অসমীয়া সাহিত্যৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে দুজনৰ নাম সবাতোকৈ উজ্জ্বল হৈ মনত পৰে। ৰচিত গ্ৰন্থৰ সংখ্যা সৰহ বুলি নহয়, সেই দুজনৰ সৰ্বতোবিসাৰী প্ৰভাৱৰ কাৰণেহে। সেই দুজন হল উজনিৰ হেমচন্দ্ৰ বৰুৱা আৰু নামনিৰ গুণাভিৰাম বৰুৱা।

গুণাভিৰামে যেতিয়া নিজ সাহিত্য জীৱনৰ ওৰা পাতিছিল তেতিয়া তেখেত বয়সত বেছি আগ বঢ়া নাছিল। নাথাকিলেও তেতিয়াৰপৰাই তেখেত আছিল এদল উৎসাহী যুৱকৰ প্ৰেৰণাৰ সৰিতা স্বৰূপ। তেখেতৰ এই প্ৰতিভা আৰু প্ৰভাৱে সৰ্বতোবিসাৰী ৰূপ লয় 'আসাম-বন্ধু' প্ৰকাশনৰ সময়ত। অল্পায়ু হ'লেও 'আসাম-বন্ধু'ৰে নিজ বন্ধুসুলভ কাম সাধিছে ৰাইজৰ

মাজৰ পৰা অন্তৰ্ধান হৈছিল। আসাম বন্ধুৱে সাহিত্য প্ৰেমৰ যি কামনাৰ উদ্ৰেক কৰিলে, সাহিত্য-সৃষ্টিৰ যি বীজ ৰপন কৰিলে তাৰ ফলতে জোনাকী যুগৰ অসমীয়া সাহিত্য জোপোহা আৰু জাতিস্কাৰ হৈ উঠিব পাৰিছিল। সাহিত্যৰ বিভিন্ন বিভাগত অসমীয়া সাহিত্যক আধুনিক স্তৰলৈ তুলিবলৈ সেই যুগৰ অসমীয়া ডেকা সাহিত্যিকৰ মনত এটা দলদোপ বা হেন্দোল উঠিছিল। এই হেন্দোল বা দলদোপৰ গুৰিতে যি মাধ্যাকৰ্ষণ শক্তি তাৰ উৎস আছিল গুণাভিৰাম বৰুৱা। গুণাভিৰামৰ সম্পাদিত 'আসাম বন্ধু' নামৰ মাহিলী আলোচনী ৰাইজৰ আগলৈ ওলাইছিল ১৮০৬ শকত (ইং ১৮৮৫)। এই 'আসাম বন্ধু'ৰ লেখকসকলৰ সৰহভাগেই পিছলৈ অসমীয়া সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত যথোচিত প্ৰতিষ্ঠা লাভ কৰিছিল। কিন্তু আৰম্ভণিতে গুণাভিৰাম আছিল সেইসকলৰ মধ্যমণি স্বৰূপ।

বিভিন্ন বিভাগত অসমীয়া সাহিত্যিক পুষ্ট কৰাৰ সাগ্ৰহ প্ৰয়াস এটা 'আসাম বন্ধু'ত সমূহীয়া মূৰ্তিৰে দেখা পাওঁ। গুটীয়া কবিতা, 'প্ৰমীলা' নামৰ উপাখ্যান, বিবাহ-ৰহস্য' নামৰ নাটক, 'কেৰেমতি বাই' নামৰ সাধু, 'সদানন্দৰ সমাচাৰ', 'কলাঘুমটি' আৰু 'নতুন অভিধান' আদিৰ নিচিনা খুহুতীয়া ৰচনা, বিজ্ঞান, স্বাস্থ্য আদি বিষয়ৰ বিবিধ প্ৰবন্ধ, নেপোলিয়নৰ জীৱনী, কিতাপৰ সমালোচনা এই সকলো বিষয়তে 'আসাম বন্ধু'ৱে ন ন চানেকি দাঙি ধৰিছিল। তথাপি ক'ব লাগিব 'আসাম বন্ধু'ত আধুনিক অসমীয়া সাহিত্যৰ থিয়দঙা দিয়া শিশু-লীলাৰ ৰূপটোহে দেখা পাওঁ। 'আসাম বন্ধু'ৰ সম্পাদকে তাৰ দ্বিতীয় খণ্ডত (মাঘ-ফাল্গুন ১৮০৭ শক) লিখা কথাখিনি ভালকৈ মন কৰি চাব লগীয়া।

'আমাৰ ভাষাৰ অৱস্থা নিচেই কেঁচুৱা। পনীয়া বস্তুৰ দৰে, স্থিৰ হোৱা নাই। নানাজনৰ নানা ৰুচি। নানাজনৰ মানা মত। অনেকে আমাৰ ভাষা আৰু ৰুচিৰ প্ৰতি দোষ আৰোপ ঃ অনেকে আমাক বঙালীৰ গাত আউজা বুলি ইতিকিং কৰে। আৰু আশ্ৰয় দিবলৈ কৃপণালি কৰে।

সেইসকলক আমি কওঁ যে কেঁচুৱা ল'ৰাৰ যেনে থানাক-থুনুক মাত থাকে পাছে ডাঙৰৰ শুনি শুনি ভাল হয় সেইৰূপ আমাৰো অৱস্থা। কেঁচুৱা ল'ৰাৰ ভাষাক যেনেকৈ ঢুষিব নাপায় ক্ষমিব পায় আমাৰ প্ৰতিও সেইৰূপ ক্ষমা বিস্তাৰ কৰা উচিত। আমাৰ ভাষাৰ শিশু অৱস্থা সেই কাৰণে আমাৰ ৰুচিও শিশু। শিশুৰ ৰুচিৰ ওপৰত যেনে লোকে দোষ নিদি ক্ষমা কৰে আমিও সেই ক্ষমা পাব পাৰো।...শিশুৱে যেনেকৈ টাবুলি-ভাবুলি কৰি লোকক ৰং দেখুৱায়, সেইৰূপে আমাৰো শিশু-লীলা চাই দেশীয় মহোদয়সকলে সাহায্য কৰিব এই আশা।'

সম্পাদকৰ এই আন্তৰিকতা ভৰা কথাখিনিত পোৱা বিনয়ী মনৰ পৰিচয়ে আমাক মুগ্ধ কৰিলেও লগতে ক'ব লাগিব অসমীয়া সাহিত্যৰ যি শিশুলীলাৰ কথা তেখেতে কৈছে, সেই লীলা যেই সেই শিশুৰ নহয়।—"বসুদেৱে দেখিলন্ত অদ্ভূত বালক'ৰ নিচিনাকৈ অসমীয়া ৰাইজেও এই যুগৰ সাহিত্যিক 'যতেক মহিমা' থকা অদ্ভুত বালক ৰূপেই দেখা পালে। শিশু কৃষ্ণৰ উদৰত যশোদাই বিশ্বব্ৰহ্মাণ্ড দেখা পাইছিল। শিশুৰূপী অসমীয়া সাহিত্যৰ উদৰতো চাব জানিলে সেই কালৰ সমাজখন, যুগহৃদয়ৰ গুপুত বাসনা, আশা-উদ্দীপনাৰ ৰেঙণি সকলোকে উদঙাই চাব পাৰি।

ৰসৰ পৰিবেশন আৰু চৰিত্ৰৰ গুণোৎকৰ্ষবৰ্ণন আছিল প্ৰাচীন ভাৰতীয় সাহিত্যৰ ঘাই বস্তু। বাকীবিলাকে সাহিত্যত ঠাই পাইছিল এই দুটাৰ বহতীয়া ৰূপে। সমাজ তাত প্ৰতিফলিত হৈছিল। কিন্তু সেই সমাজ ছবিৰ স্থান আছিল আনুষংঙ্গিক বা গৌণ। চৰিত্ৰ আছিল, কিন্তু উৎকৰ্ষতা সেই চৰিত্ৰৰ আছিল থাকিবলগীয়া লক্ষণ। নিকৃষ্ট গুণাধিকাৰীৰ স্থান অলপীয়া। সাহিত্যত সমাজ বা সমাজৰ সমস্যা, লঘুগুৰু, উৎকৃষ্ট, অনুৎকৃষ্ট সকলোপ্ৰকাৰৰ চৰিত্ৰ আৰু তাৰ বিশ্লেষণে অসমীয়া সাহিত্যত প্ৰাধান্য লাভ কৰিবলৈ আৰম্ভ কৰিলে উনৈশ শতিকাত, নকৈ মেলখোৱা দুৱাৰেদি অহা বতাহৰ জাকি লাগি। ১৯ শতিকাৰ দ্বিতীয়াৰ্ধৰ ঠন ধৰা অসমীয়া সাহিত্যত সমাজখনে ছাঁ পেলাবলৈ

সুচল আৰু সুযোগ পালে। অকল ছাঁ পৰাই নহয়। সমাজৰ প্ৰাচীন ৰূপটোক কেৱল প্ৰশংসাৰ দৃষ্টিৰে চোৱা অভ্যাসৰ পৰিবৰ্ত্তে সমালোচনাৰ তীক্ষ্ণ দৃষ্টিয়ে ঠাই ল'লে। "পুৰাণমিত্যেৱ ন সাধু সৰ্বম্" এইভাৱে লেখকসকলৰ সামাজিক দৃষ্টিভঙ্গীৰ দিক সলনি ঘটোৱাত প্ৰভাৱ পেলালে। যেই সেই সালসলনিৰ প্ৰথম অৱস্থাত একপ্ৰকাৰ কঠোৰতাই সমালোচকক আগ্ৰহি ধৰে। দোষ খোচৰাৰ প্ৰকৃতিয়ে গা কৰি উঠে। উনবিংশ শতিকাৰ লেখকসকলৰ বেলিকাও এই কথাটো সমানে সচাঁ। প্ৰাচীন সমাজৰ ভাল-বোৰতকৈও বেয়া বা নতুন দৃষ্টীত বেয়া যেন লগাবোৰলৈহে তেওঁবিলাকৰ দৃষ্টিয়ে চাপলি মেলিলে। ইংৰাজী শিক্ষাৰ প্ৰভাৱত আৰু নতুন বন্ধনমুক্ত জীৱন ধাৰাৰ আৱাহনত তেওঁবিলাকৰ মানত 'পুৰাণ পুৰুষ' সমাজখন হতপ্ৰভ হৈ গ'ল। তাৰ কঠোৰতা আৰু সংযম, লগতে সেই কঠোৰতা আৰু সংযমৰ আতিশয্যৰ পৰিণতি-ৰূপ কপটাচাৰ এইবোৰক আগভেটি ধৰিবলৈ এদল শিক্ষিত যুৱকে ককাঁলত টঙালী বান্ধিলে। এই দানৱ-দলনৰ ইতিহাস সাহিত্যই বুকুত সামৰি থ'লে। আনবোৰৰ কথা এৰিও পোনপ্ৰথমে ৰচিত হোৱা অসমীয়া নাটক দুখন আৰু এখন আংশিকৰূপে প্ৰকাশিত হোৱা নাটককে তাৰ সাক্ষীৰূপে আগত মেলি ধৰিব পাৰি। এই নাটক দুখন হ'ল গুণাভিৰামৰ 'ৰামনৱমী নাটক' আৰু হেমচন্দ্ৰ বৰুৱাৰ কানীয়াৰ কীৰ্তন'। আংশিক নাটকখন হ'ল গুণাভিৰাম বৰুৱাৰ 'বিৱাহ ৰহস্য নাটক।' অৱশ্যে সমালোচনাৰ মেৰত সুমুৱাবৰ কাৰণে এই নাটকৰ প্ৰকাশিত অংশ পৰ্যাপ্ত নহয়, তথাপি তাৰ যি ইংঙ্গিত, তাক ব্যৱহাৰ কৰাত আচল নাই। ৰামনবমী নাটক লিখা হয় ১৮৫৭ চনত কিন্তু ছপা হৈ ওলায় ১৯৭০ খ্ৰীষ্টাব্দত। হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন লিখা হৈছিল কিমান ছনত জনা নাযায়, প্ৰকাশিত হৈছিল ১৮৬১ ছনত। গতিকে প্ৰকাশৰ কাল হিচাপে চালে কানীয়াৰ কাৰ্তন প্ৰথম অসমীয়া নাটক। ৰচনাকাল বিজালে ৰামনবমীক নিশ্চয় আগত ঠাই দিব লাগিব, আৰু সেইৰূপে চালে পোনপ্ৰথম অসমীয়া

নাটক বিৱাহ-ৰহস্য'ৰ আৰম্ভণ অংশ প্ৰকাশ হৈছিল ১৮৮৬ চনত, 'আসাম বন্ধু'ৰ দ্বিতীয় দ্বিতীয় খণ্ডত। এই কেউখন নাটকৰে বিষয়বস্তু আছিল সমাজত চলি থকা অহিতকৰ অভ্যাস আৰু প্ৰথা। এই উদ্দেশ্য আছিল সেইবোৰৰ জীৱনৰ ওপৰত বিস্তাৰ কৰা অশুভ আৰু অসুখীয়া প্ৰভাৱৰ প্ৰতি সমাজক সচেতন কৰা।

প্ৰস্তুত গ্ৰন্থ ৰামনৱমী নাটক' লিখাৰ সময়ত নাট্যকাৰ আছিল ২০-২২ বছৰীয়া ভাবালু ডেকা। কলিকতীয়া অভ্যদয়ৰ নতুন বতাহৰ বা লাগি সংস্কাৰ আৰু দেশোন্নতিৰ ভাবত উদ্বুদ্ধ প্ৰথম ইংৰাজী শিক্ষিত অসমীয়া কেইজনৰ এজন। তেওঁবিলাকে অসমৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ কাৰণে চিন্তা কৰাটো জীৱনৰ উত্তৰ দায়িত্ব স্বৰূপে গ্ৰহণ কৰিছিল। বঙ্গদেশৰ ব্ৰহ্মতালু কলিকতাত তেতিয়া ন ভাৱৰ উখল মাখল লাগি পৰিছিল। এদলৰ মনত পুৰণি সমাজৰ আৱৰ্জনাবোৰ অতিকায় হৈ দেখা দিছিল। দেৱ-দেৱী মূৰ্তিপূজা, যাগ-যজ্ঞ, জাতিভেদ, বিধৱা-ব্ৰত সকলোৰে প্ৰতি কালাপাহাৰী মনোভাৱ লৈ সেই দলে বিভিন্ন দিশৰ পৰা হিন্দু সমাজক থকা সৰকা কৰিবলৈ যত্ন কৰিছিল। আনপিনে আকৌ শশধৰ তৰ্ক চূড়ামণিৰ নিচিনা এদল পুৰণি প্ৰেমীয়ে বৈজ্ঞানীক যুক্তি দি সেইবোৰ সমৰ্থন কৰিবলৈ এটা অসাঠন প্ৰতিৰক্ষাৰ গড় বান্ধিবলৈ যত্ন কৰিছিল। এই দুয়ো দলৰ মধ্যৱৰ্তী এদল ওলাইছিল। সেইদলে পুৰণি পৃথিৱীখনক নকৈ চাবলৈ শিকিছিল। হিন্দু-ধৰ্মৰ আচাৰ-নীতিৰ প্ৰতি প্ৰকাশ্য বিদ্ৰোহ ঘোষণা নকৰি শাস্ত্ৰ আৰু যুক্তিৰ সহায়েৰে অলাগতিয়াল আৰু কঠোৰ নিয়ম-প্ৰথাৰ বিলোপ-সাধন কৰিব খুজিছিল। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আছিল এই মধ্যবৰ্তী শ্ৰেণীৰ সংস্কাৰ-কামী। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে হিন্দু ধৰ্ম আৰু সমাজৰ বিৰুদ্ধে বিদ্ৰোহৰ ঔদ্ধত্যেৰে সিংহনাদ কৰা নাছিল। তেওঁৰ উপায় আছিল যুক্তিৰে বোধ দিয়া, আবেদন আছিল হৃদয় বৃত্তিলৈ। উদ্দেশ্য ভঙাৰ নহয়, গঢ়াৰ। তেওঁ দেখুওৱা সংস্কাৰৰ বাট দূৰৈ কিন্তু দুৰ্গম নাছিল। মৃদুকণ্ঠ অথচ দৃঢ়বাদী

এই পুৰুষজনে শাস্ত্ৰ, যুক্তি আৰু মানৱোচিত অনুভূতিৰ দোহাই এই তিনিওটাৰ সমিলমিল ঘটাই বিধৱা-বিবাহৰ প্ৰচলন কৰিবলৈ যত্ন কৰিছিল। গুণাভিৰাম বৰুৱাৰ মনৰ স্বাভাৱিক ঢাল আছিল এই বিদ্যাসাগৰ হেন সংস্কাৰকামীৰ লগত খাপ খোৱা। যিবিলাকৰ সংস্কাৰ বা সমাজ-বিদ্ৰোহৰ গুৰিতে আছিল প্ৰচ্ছন্ন জীৱন-বিলাস, গুণাভিৰাম বৰুৱা সেইবিলাকৰ ছাঁ গৰকা বিধৰো মানুহ নাছিল ; ঈশ্বৰচন্দ্ৰৰ দৰেই তেওঁৰো সংস্কাৰ-কামনাৰ মূলতে আছিল মানৱোচিত গভীৰ অনুভূতি আৰু মঙ্গলদৰ্শী মন ; লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীৰ স্থাপিত এটা সম্ভ্ৰান্ত আৰু সমাজত প্ৰতিপত্তি থকা বংশত গুণাভিৰামৰ জন্ম। হিন্দু জীৱনৰ আচাৰ নীতি, ধৰ্ম-কৰ্মৰ প্ৰতি তেওঁৰ বিৰাগ আছিল বুলি মনে নধৰে। বহুত ক্ষেত্ৰত আস্থা থকাৰহে প্ৰমাণ পাওঁ। আনকি, বিজয়া দশমীৰ দিনা যাত্ৰা শুভ—যাত্ৰাতত্ত্বৰ এই বিধানটোৰ প্ৰতিও তেওঁ আস্থাৱান আছিল পিছে তাকে যেনিবা যুক্তি আৰু তত্ত্বৰ বিচাৰেৰে শোধন কৰি লৈছিল। 'সৌমাৰ ভ্ৰমণ' নামৰ ভ্ৰমণ-বৃত্তান্তৰ গুৰিতে দিয়া কথাখিনি পঢ়ি চালে বৰুৱাৰ যে পুৰণি ৰীতি-নীতিৰ প্ৰতি বিদ্বেষ নাছিল বৰং যুক্তি-সিদ্ধ আস্থাহে আছিল, তাকে বুজিব পাৰি। বিজয়া দশমীত যাত্ৰা কৰাৰ কাৰণ দেখুৱাবলৈ গুণাভিৰামে কৈছে—

"প্ৰকৃতে শৰৎকাল পৰিলেই বাট পথ মুকলি হয় (বাটে পোৱালি মেলে) ৰ'দ-বৰষুণ কমে। মহ-ডাঁহ নাথাকে, এঠাইৰপৰা আন এঠাইলৈ যোৱা সুবিধা। বিজয়া শুক্লাদশমী, তাৰ পাছত প্ৰথম ৰাতিও জোনাক এই কাৰণেই সেই বিজয়া দশমীত যাত্ৰা ভাল। প্ৰতিপদৰপৰ নৱমী পৰ্যন্ত নৱৰাত্ৰি শক্তিৰ আৰাধনা আৰু উদ্যম। দশমীৰদিনা কাৰ্য্যক্ষেত্ৰলৈ যাত্ৰা।"

এই কথাখিনি পঢ়িলেই হিন্দুসমাজৰ ৰীতি-নীতিবোৰ গুণাভিৰামে কি মনোভাৱেৰে গ্ৰহণ কৰিছিল বুজিব পাৰি। তাত অনাস্থা নাই, বিদ্ৰোহৰ তাপ নাই। অথচ অন্ধ অনুগমনৰ কাণিমুণিও নাই। আস্থা, যুক্তি, বিচাৰ

আৰু অনুভূতিৰ তুলাচনীত ধৰিহে এই প্ৰথাবিলাক গ্ৰহণ কৰিছিল অথবা অবস্থাবিশেষে পৰিহাৰ কৰাৰ হকে উচিত কৰলৈকো পিছ নুহুহঁকিছিল। গুণাভিৰাম বৰুৱা ব্ৰাহ্ম হৈছিল সঁচা; কিন্তু সেইটো কিমানখিনি ধৰ্ম বিশ্বাসৰ পৰিবৰ্ত্তনৰ ফলত আৰু কিমানখিনি সামাজিক প্ৰয়োজনত, ঠাৱৰোৱা টান। যিমানখিনি বুজা যায় সামাজিক প্ৰয়োজনৰ ফালেই ভৰটো বেছি যেন লাগে। তেখেতে বিধবা বিবাহ কৰিছিল কিন্তু তাত পৰিয়াল আৰু ইষ্টকুটুম্বৰ সন্মতি নাছিল। বলৰাম ফুকনে নিজে গৈ এই বিবাহৰ পৰা গুণাভিৰামক বিৰত কৰাৰ বহুত চেষ্টা কৰিছিল। যিমানেই প্ৰতিপত্তিশালী নাথাকক, তেহেলৈ সমাজক উলাই কৰি আপোনগোট হৈ থকাৰ ক্ষমতা তেওঁলোকৰো নাছিল। অসমৰ শাস্ত্ৰবিশ্বাসৰ ভেটি তেতিয়াও চপৰা-চপৰে খহিবলৈ আৰম্ভ কৰা নাছিল। এনে পৰিস্থিতিত বিধবা-বিবাহ কৰি সেই সময়ৰ ব্ৰাহ্মণ পৰিয়াল আৰু সমাজত সসন্মানে আৰু নিৰ্বিৰোধে বাস কৰা গুণাভিৰামৰ নিচিনা মৰ্যাদা প্ৰৱণ পুৰুষৰ সম্ভৱ নহৈছিল। সেই দেখিয়েই শেহন্তত স্বেচ্ছাই প্ৰস্থুৱা শান্তি বিচাৰিব লগা হৈছিল। ব্ৰাহ্মধৰ্ম গ্ৰহণৰ গুৰি কথাও এইখিনিতে যেনহে লাগে। গুণাভিৰামৰ ৰচনাত হিন্দুৰ ধৰ্মত্ৰ দৰ্শন, পূজা-পাতল আদিৰ প্ৰতি বিদ্ৰূপ বা কটাক্ষৰ তীক্ষ্নতা পোৱা নাযায়। প্ৰকাৰন্তৰে আদৰুৱা দৃষ্টিৰ আভাসহে পাওঁ। এইবিলাক কাৰণতে গুণাভিৰাম বৰুৱাই মৃদুপন্থী সংস্কাৰকামীৰূপেহে কাপকাঠি লৈছিল। 'ৰামনৱমী' নাটকৰ নাট্যকাৰ ৰূপেও গুণাভিৰামক এনে মৃদুপন্থী সংস্কাৰকৰ ভূমিকাতহে লগ পাওঁ। ৰামনৱমী সামাজিক নাটক। বালবিধৱাৰ জীৱনত বৈধব্য ব্ৰতৰ বলাৎকাৰী অনুশাসনেৰে স্বভাৱৰ গতিক প্ৰদমিত কৰিব খোজাৰ বিষময় পৰিণাম দেখুওৱাই এই নাটকৰ ঘাই উদ্দেশ্য। তাকে কৰোঁতে নাট্যকাৰে কতো তীক্ষ্নতাৰ আশ্ৰয় লোৱা নাই, ব্যঙ্গ-বিদ্ৰূপৰ ৰেপ দিয়া নাই। জীৱনৰ ঘাত প্ৰতিঘাতৰ আপোন গতিৰে উজাই যোৱা পৰিণতি দেখুৱাই গ্ৰন্থকাৰে নিজ উদ্দেশ্য সাধনৰ চেষ্টা কৰিছে। পাত্ৰ-পাত্ৰীৰ মুখৰ বচনতো ক'তো বিদ্ৰোহ-মুখৰ কটুক্তি নাই। শাস্ত্ৰৰ দোহাই, নৈতিক বোধৰ ব্যাখ্যা, একপত্নীত্ব বা একপতিত্বৰ বিষয়ে স্বকীয় যুক্তিহে বক্তৃতা-গন্ধী ৰচনাবোৰত

প্ৰকাশ পাইছে।

একে সময়ৰে আনজন বাটকটীয়া নাট্যকাৰ হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন' নামৰ নাটখনো অসমীয়া সমাজৰ আন এটা কু-অভ্যাস কানি পানৰ অশুভ পৰিণাম দেখুওৱা সামাজিক নাটক। হেমচন্দ্ৰ বৰুৱাৰ আন এখন গ্ৰন্থ 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰি' নাটক নহলেও সংলাপবহুল সামাজিক চিত্ৰ। এই দুয়োখন গ্ৰন্থৰ সুৰ আৰু 'ৰামনৱমী' নাটকৰ সুৰ একে নহয়। 'কানীয়াৰ কীৰ্তন' আৰু 'ৰামনৱমী' একে সময়ৰ দুখন নাট, একে অসমীয়া সমাজৰ একোটা দিশৰ সংস্কাৰৰ উদ্দেশ্য আগত ৰাখি লিখা হৈছিল। দুয়োজনেই সেইকালৰ দুটা সম্ভ্ৰান্ত পৰিয়ালত ওপজা আৰু ইংৰাজী শিক্ষাৰ পোহৰ পোৱা আগৰণুৱা পুৰুষ। অসমক সকলো ফালৰ পৰা বঢ়া কৰাৰ সপোন দেখিছিল দুয়োজনেই। এজন উজনিৰ দিখৌপৰীয়া ; আনজন নামনিৰ লুইতপৰীয়া। তথাপি ৰিজাই চালে দেখা যায় দুয়োজনৰ কোৱাৰ ধৰণ আৰু নাটকৰ তলবোৱঁতী সুৰ দুটা পৃথক পৃথক। হেমচন্দ্ৰই যাক ধৰিছে তাৰ প্ৰতি অকণো সহানুভূতি দেখুৱাব পৰা নাই। সহানুভূতিৰ অভাৱতে চৰিত্ৰবিলাক অতিৰঞ্জিত হৈ পৰিছে। কানীয়াৰ ভিতৰতোইমান অধঃপতিত কেতিয়াবা কদাচিৎ থাকিলেও থাকিব পাৰে ; কিন্তু কানিয়া লোকৰ প্ৰতিভূৰূপে নাটকৰ নায়ক হৈ থিয় দি গোটেই এটা সমূহৰ প্ৰতি বিদ্ৰূপৰ উপলক্ষ্য হব নোৱাৰে। হেমচন্দ্ৰই তাকে কৰিছে। গোসাঁই-মহন্তৰ ভণ্ডামি নোহোৱা নহয়, কিন্তু হেমচন্দ্ৰই যিদৰে বৰ্ণাইছে সেইদৰে যদি বৈষ্ণৱ সত্ৰবোৰ কপটাচাৰেৰে ফোঁপোলা হ'লহেঁতেন অসমত এখন সত্ৰও তিষ্ঠিব নোৱাৰিলেহেঁতেন। কিবা এটা ভাল নথকা হ'লে কেইবা শ বছৰ ধৰি অসমীয়া মানুহৰ আস্থা আদৰ পাই থকা টান হ'লহেঁতেন। সেই ভালৰ ফালটোৰ প্ৰতি হেমচন্দ্ৰ সজাগ নাছিল। আছিল যদিও দেখুওৱাৰ আগ্ৰহ ধনীষ্ঠামানো আছিল বুলি অনুমান নহয়। এটা উদাহৰণ স্বৰূপে 'কানীয়াৰ কীৰ্তন'ৰ ১ম অঙ্কৰ ২য় দৃশ্যত কীৰ্তি আৰু মহন্ত পদ্মৰ কথা-বতৰাখিনিলৈ মন কৰিলেই হয়। কানি আৰু লগৰ গাখীৰ কল খোৱাৰ

পিছত তামোল খাবলৈ কোৱাত ফুৰা গাৰে গুৱা ভোজন কৰাত আপত্তি দৰ্শোৱা ভণ্ড তপস্যাৰ নমুনা।

'কীৰ্তি—মুখ ধুই গুৱা ভোজন কৰোক।

পদ্ম—বাপা। এতিয়া গুৱাভোজন কৰা নাযায় ফুৰা গা। নোৱাৰাত থাকি জানিবা দৰবফেৰি পোৱা গ'ল, তাতে বৰ তিতা লাগিল দেখি গাখীৰ-কলেৰে তিতাটো মাৰিলোহঁক। আকৌ গুৱা ভোজন কৰিলে সদাচাৰ ক'ত ৰ'ব।

কীৰ্তি—( মনে মনে ) কি ভণ্ড তপস্বী! বাহিৰত সদাচাৰ সদাচাৰ কৰি মৰে, ভিতৰত যত অকৰ্ম এটাইবোৰ কৰে। এইৰিধ মানুহক চিনাই টান।'

গুণাভিৰামেও 'ৰামনৱমী নাটকৰ এঠাইত গোসাঁই মহন্তই সামাজিক বিধান দিয়া আৰু দণ্ড বিহা সম্পৰ্কে কটাক্ষ কৰিছে। কিন্তু তাত এই তীক্ষ্ণতা নাই, কাটিলেও ৰেপা নাই। অকল ইমানেই নহয় সেই কঠোৰ দণ্ড বিহা মহাজনজনো সপোন এটা দেখিয়েই কুমলি গৈছে আৰু নৱমীৰ প্ৰতি সহানুভূতি দেখুৱাই অনুতাপ কৰিছে। হেমচন্দ্ৰই দেখুওৱা মতে যি বেয়া তাৰ ভাল নাথাকেই। গুণাভিৰামে দেখুওৱা মতে মানুহ ভালে-বেয়াই মিহলি। এজনে যদি গোলাপত কাঁইট আছে বুলি হাঐ বিঔ কৰিছে, আনজনে কাঁইটৰ মাজতো গোলাপ ফুল ফুলা দেখি সন্তোষ পাইছে। অসমাপ্ত 'বিৱাহ ৰহস্য' নাটকৰ নান্দীত গুণাভিৰামে স্পষ্ট ভাষাত কৈছে—

মনুষ্যে সমাজ পাতি আছে পৃথিৱীত।
নানাবিধ কাৰ্য আত হোৱে হিতাহিত॥

সংসাৰৰ দোষাদোষ দেখি ৰঙ্গশালে।
দোষ ত্যজি গুণ লয় মহন্ত সকলে॥

হেমচন্দ্ৰ গুণাভিৰাম দুয়ো সমাজ সংস্কাৰৰ মন লৈয়ে নাটক লিখিছিল;

কিন্তু সমাজ আৰু মানুহৰ প্ৰতি পোষন কৰা মনোভাৱ দুয়োজনাৰ বেলেগ আৰু সেইদেখি দুয়োৰে আগবঢ়া পথ দুটাও আঁতৰ। হেমচন্দ্ৰ নিষ্ঠুৰ, গুণাভিৰাম মৃদু। হেমচন্দ্ৰৰ অতিৰঞ্জনা সাহিত্যৰ প্ৰয়োজনক অতিক্ৰম কৰি ওফন্দি পৰিছে। গুণাভিৰামত অতিৰঞ্জনা আছে, যদিও আছে সি সাহিত্যিক প্ৰয়োজনতকৈ অকণো বঢ়া বিধৰ নহয়। হেমচন্দ্ৰৰ সংস্কাৰদৃষ্টি সহানুভূতিৰ কোমলতাৰে মৃদু।

'কানীয়াৰ কীৰ্তন' আৰু 'কোৱাভাতুৰী' এই দুখন গ্ৰন্থৰ লগত ৰাম নৱমী' বা গুণাভিৰামৰ আন লেখাৰ প্ৰভেদকাৰী লক্ষণ এটা আছে। সামাজিক কেৰোণ বা ব্যক্তিগত কুঅভ্যাস কদাচাৰৰ প্ৰতি বিদ্ৰোহ ঘোষণা কৰিলেও হেমচন্দ্ৰই তাৰপৰা উদ্ধাৰৰ বা তাৰ সমাধানৰ পথ নিৰ্দেশ কৰাৰ দায়িত্ব লোৱা নাই। তাৰ দায়িত্ব ল'বলৈ কোনো নাট্যকাৰ বাধ্যও নহয়। তথাপি যি সমাজ লৈ তেওঁ ব্যঙ্গ-বিদ্ৰূপ কৰিছে তাৰ অন্তেষপুৰত হ'লেও ভাল হোৱাৰ বীজ লুকাই থাকিব লাগিব, নহ'লে দোষ খোচৰা নিৰৰ্থক। নাটকৰ বা ঔপন্যাসিকৰ কাপৰ মহিমাত সেই কথা প্ৰকাৰন্তৰে হলেও প্ৰকাশ পাব লাগিব। বেয়া যেতিয়া বেয়াই, মাৰি পেলোৱাৰ বাহিৰে আন উপায় নাই—এনে এটা ধাৰণাৰে 'কানীয়াৰ কীৰ্তন'ত অধঃপতনৰ পৰাকাষ্ঠা দেখুওৱা হৈছে। 'কানীয়াৰ কীৰ্তন'ত, এটা এটাকৈ এটাইবোৰ চৰিত্ৰ 'অন্ধং তমৰ' গাঁতত পৰিছেগৈ, ৰক্ষা নাই। নাট্যকাৰ যেন দূৰৰপৰা চাই থকা এজন নিৰুপায় কঠোৰ দৰ্শক। 'ৰামনৱমী'ত চৰিত্ৰবোৰ সংযমহীনতাৰ বাবে যদিও পিছলিছে অন্ধকূপত পৰাগৈ নাই। কপটাচাৰৰ হেঁচাত উদ্ধাৰৰ উপায় নোহোৱা অৱস্থা এটাৰ বৰ্ণনা কৰা হোৱা নাই। নাটকৰ শেষৰ আত্মহত্যাৰ অস্বাভাৱিক পৰিস্থিতি বিসদৃশ হ'লেও সি কেৱল পাঠক বা দৰ্শকৰ সহানুভূতি আকৰ্ষণ কৰিবলৈ অৱলম্বন কৰা ডেকা লেখকৰ অপৈণত প্ৰয়াস। হলেও 'ৰামনৱমী'ত আছে সমাজ উদ্ধাৰৰ উপায়ৰ এটা স্পষ্ট ইঙ্গিত। 'কানীয়াৰ কীৰ্তন' আৰু 'কোৱাভাতুৰী'ত সেইটো পোৱা নাযায়। হেমচন্দ্ৰই

কাপ ললেই সি কটাৰী হয়। গুণাভিৰামৰ কাপে মাৰেও আৰু তাৰেও।

এই দুই প্ৰকাৰ সাহিত্যিক দৃষ্টিভঙ্গীৰ গুৰিতে আছিল নিজ নিজ চৌপাশ আৰু ওচৰ-চুবুৰীয়া সমাজখনৰ প্ৰভাৱ আৰু তাৰ প্ৰতিক্ৰিয়া। হেমচন্দ্ৰ আৰু গুণাভিৰাম দুয়ো দুটা সম্ভ্ৰান্ত ব্ৰাহ্মণ পৰিবাৰত উপজিছিল। দিখৌপৰীয়া শিৱসাগৰৰ সমাজ, বিশেষকৈ ব্ৰাহ্মণ, সমাজ, অত্যন্ত ৰক্ষণশীল মনোবৃত্তিৰ আছিল। হেমচন্দ্ৰ বৰুৱাৰ দদায়েক লক্ষ্মীনাথ বৰুৱা আনহে নালাগে ইংৰাজী শিক্ষাৰ ঘোৰ বিৰোধী আছিল। লুকাই চুৰকৈ ইংৰাজী পঢ়া বুলি ঘুনুক-ঘানাকৈ কথাটো ওলাই পৰাত হেমচন্দ্ৰ বৰুৱাই ওচৰ-চুবুৰীয়া শিক্ষক আত্মীয়ৰপৰা কি ব্যৱহাৰ পাইছিল তাক বৰুৱাই আত্মজীৱনীত এইদৰে লিখিছিল—"এনেতে মোৰ বিদ্যাৰ যশস্যাৰ ধ্বনিয়ে শিৱসাগৰীয়া বৰুৱাৰ কাণ ছুলেগৈ। তেওঁ সেইকথা দদাইদেওক নজনাই থাকিব নোৱাৰিলে। এই সংবাদে তেওঁক পানীৰ ছাট পোৱা পকা তেলৰ দৰে জ্বলালে আৰু মোৰ ফলি-পুথি বান্ধি লৈ ঘৰলৈ উলটি অহা আৰু ইংৰাজী শিক্ষাক এৰি দিয়াই তাৰ ফল হ'ল"। (আত্মজীৱনী)। এইদৰে সকলো বিষয়তে সৰুৰেপৰা সমাজৰ প্ৰচলিত মতৰ বিৰুদ্ধে হেমচন্দ্ৰই যুদ্ধ দিব লগা হৈছিল। এই ধৰণৰ বিৰুদ্ধ পৰিৱেশৰ লগত সংঘৰ্ষই তেওঁৰ মন তিক্ত কৰি পেলাইছিল।

গুণাভিৰাম এনে সমাজ বিৰোধৰ সমুখী হৈ ডাঙৰ হব লগা নহৈছিল। আনকি, তেওঁৰ পূৰ্ববৰ্তী আনন্দৰাম যেতিয়া শিক্ষা সাং কৰি কলিকতাৰ পৰা ঘূৰি আহি গুৱাহাটী পাইছিল গুৱাহটীয়া মানুহে তেওঁক ঢোলে-দগৰে আগবঢ়াই আনিছিল! আনন্দৰামৰ উৎসাহ-উদ্দীপনা আৰু স্নেহত গুণাভিৰামে শিক্ষা লাভ কৰি ডাঙৰ হৈছিল। সংঘৰ্ষজনিত তিক্ততাই তেওঁক স্পৰ্শ কৰিবলৈ সুযোগ পোৱা নাছিল। পিছৰ কাল ডোখৰত গুণাভিৰাম অসমৰ পৰা আঁতৰি প্ৰৱাসত আছিল। সমাজৰ পীড়নত অতিষ্ঠ হৈ নহয়, স্বেচ্ছায় সেই পন্থা গ্ৰহণ কৰিছিল। প্ৰৱাসে কিজানি অসমীয়া ভাষা, সাহিত্য সমাজৰ প্ৰতি তেওঁৰ হৃদয়ৰ আদৰ বৃদ্ধিহে কৰিছিল। এবাৰ কাশীত

অসমীয়া গাঁৱলীয়া তীৰ্থযাত্ৰীৰ মুখত অসমীয়া ভাষা শুনি গুণাভিৰামে আলি-বাটত তেওঁক সাবট মাৰি ধৰিছিল—এই কথা লক্ষ্মীনাথ বেজবৰুৱাই বহুতৰ আগত কৈছিল। প্ৰৱাসে নিজ ঠাই আৰু সমাজৰ সোঁৱৰন মধুৰহে কৰে, তিক্ত নকৰে।

এই কাৰণতে দুয়োজনৰ সাহিত্যত দুই প্ৰকাৰ মন আৰু অভিৰুচি প্ৰকট হৈছে। সামাজিক পৰিস্থিতিয়ে কেনেকৈ সাহিত্যিকৰ বাট নিৰ্ধাৰণ কৰে তাৰ নিদৰ্শন এই দুজন মনীষীৰ সাহিত্যকৰ্মই অসমীয়া সাহিত্যত জল জল পট পট কৈ দাঙি ধৰিছে।

'ৰামনৱমী' নাটকৰ বস্তুদেহ হ'ল মূলতে বিধৱা হোৱা ছোৱালী এটিৰ যৌৱন-কালত বিকশিত হোৱা কামনাৰ করুণ পৰিণতি। এই নাটকৰ উদ্দেশ্য বিধৱা-বিবাহৰ সুগুণ প্ৰচাৰ কৰা নহয়। বিধৱা বিবাহ হ'ব নোৱৰাৰ কাৰণে কি দুঃখজনক পৰিস্থিতিৰ উদ্ভৱ হয় বা হ'ব পাৰে তাৰ চিত্ৰ এটাহে ইয়াত নাটকৰূপে উপস্থাপিত কৰা হৈছে,

ৰাম আৰু নৱমীৰ মিলন নাট্যকাৰে সমৰ্থনৰ ভাষাৰে দাঙি ধৰিছে। এনে মিলনৰ বৈধতা স্থাপন কৰিবলৈ নাট্যকাৰে নিজৰ যুক্তিও নৱমীৰ মুখেদিয়ে প্ৰকট কৰিছে এই বুলি—"ময় কেতিয়াও কুকৰ্ম কৰা নাই। জগদীশ্বৰ সাক্ষী। এই জনতে ময় প্ৰথমে বিবাহ কৰোৱা জনৰ দৰে মন সমৰ্পণ কৰি দিছোঁ! তেওঁ বিনে মোৰ আৰু অন্য কোনো ভাবনা নাই···বিবাহৰ প্ৰধান যি তাৎপৰ্য সেইটি ইয়াত হে ঘটিল প্ৰথমটিত নঘটিল। মোক অসতী বুলিব। ঈশ্বৰে জানে ময় যদি পতিব্ৰতা হই থকা নাই। ঈশ্বৰে ইয়াৰ যন্ত্ৰণা দিব। সাস্ত্ৰতো বিশেষ বিধি আছ, এনে অৱস্থাত আমাৰ স্বামী লব পাই। তথাপি যে এনে হইছে ই কোনো দাৰুণ দেশাচাৰ।"

বিধবা ৰদি পুনৰ্বিৱাহৰ স্বামীতো অনন্যচিত্তা হয় আৰু তেওঁতবাজে আনক মনে-চিতেও নভজে নাধ্যকাৰৰ মতে তেনে বিধবা নাৰীয়ে ব্যভিচাৰিণী

আখ্যা পাব নোৱাৰে। নৱমীয়েই কৈছে—“হে ধৰ্ম তুমি সাক্ষী ময় কেতিয়াও ব্যভিচাৰিণী নহয়। এওঁত ( অৰ্থাৎ ৰামচন্দ্ৰ ) বাজে যদি ময় অইন কাতো মন দিছোঁ তেন্তে মোক বিহিত শাস্তি দিবা।” গুৰুতৰ দণ্ড বিহা মহাজনৰ মুখতো অনুতাপৰ যি বচন দিছে তাতো নৱমী যে সতী তাকেহে কোৱাইছে—“এতিয়াহে জানিলোঁ নবমী সতী-সাধ্বী। ময় কি কুকৰ্ম কৰিলোঁ।„। বিধবাৰ পতিগ্ৰহণ বৈধ বুলি শাস্ত্ৰ আৰু নীতিৰ যুক্তিৰে সমৰ্থন কৰিলেও সমাজৰ চকুৰ আঁৰত হোৱা গোপন মিলনকো নাট্যকাৰে সমৰ্থন কৰিছে বুলি ভাবিবৰ কাৰণ নাই। গোপন মিলন যে বৈধব্যৰ আণুষঙ্গিক কুফলহে, বিধবা-বিৱাহৰ নামত সমৰ্থনযোগ্য আচৰণ নহয় আৰু সেই স্বাভাৱিক কুফল-পৰিহাৰৰ কাৰণেহে বিধবাৰ বিৱাহ হ'ব লাগে, তাকেহে নাট্যকাৰে দেখুৱাব খুজিছে। উপৰুৱা বিচাৰত গন্ধৰ্ব বিবাহৰ ৰাতি গোপন কোঠাত হোৱা কথা বতৰাত নায়ক-নায়িকাৰ মুখত দিয়া বিৱাহ-মন্ত্ৰৰ প্ৰতিধ্বনি থকা ডাঙৰ কথাবোৰকে তেওঁলোকৰ মিলনক বৈধতাৰ সাজ পিন্ধাবলৈ কৰা যত্ন যেন লাগে। পিছে নাট্যকাৰৰ উদ্দেশ্য সেইটো নহয়। মিলন বৈধ বুলি দেখুৱালেও গোপনতাৰ সমৰ্থন কৰা হোৱা নাই। নৱমীয়ে যেতিয়া নিজৰ অন্তঃসত্ত্বা অৱস্থাৰ কথা বুজিব পাৰিলে তেতিয়া অনুতাপৰ সুৰত কৈছে—“(স্বগত) গুপ্ত প্ৰেমৰ এই শেষ দশা। প্ৰথমত স্বভাৱৰ শক্তি অতিক্ৰমণ কৰিব নোৱাৰিলোঁ। এতিয়া আকো সেই হল। হা জগদীশ্বৰ। মোৰনো কপালত কি লিখিছা।”

নাটকৰে শেষত থকা অঙ্কীয়া নাটৰ মুক্তিমঙ্গল স্থানীয় লেচাৰিত স্পষ্টভাৱে এই মত প্ৰকট কৰিছে। বিধবা-বিৱাহৰ সামাজিক উপকাৰৰ কথা এইদৰে কৈছে—

“ভ্ৰূণহত্যা ব্যভিচাৰ দোষ, গুপুত প্ৰেমৰ অসন্তোষ,
আৰু নানা পাপ সকলো হইব নিঃশেষ।

গুপুত প্ৰেম অসন্তোষৰ কাৰণ, সেইটো নোহোৱাহে মঙ্গল, তাৰ নাশ

হওক বুলিহে বিধবাৰ বিৱাহ হ'ব লাগে—নৱমী, ৰামচন্দ্ৰ আৰু তেওঁলোক দুয়োৰে মিলন দুতী জয়ন্তীৰ আত্মহত্যাৰে নাট্যকাৰে যেন এই অসুখ অসন্তোষৰ পৰাকাষ্ঠা দেখুৱাই তাৰ প্ৰতিকাৰ ৰূপে বিধবা-বিৱাহ প্ৰচলনৰ ঔচিত্য প্ৰতিপন্ন কৰিব খুজিছে।

স্বভাৱক সোপা দি প্ৰদমিত কৰা দুৰূহ কাৰ্য। উকমুকাই থকা প্ৰদমিত কামনা ভেটা ভগা সোঁতৰ দৰে অবাটে যাবও পাৰে। নৱমীৰ চৰিত্ৰৰ মাজেদি মনোবিজ্ঞানৰ এই সত্যটোৰ প্ৰতিফলন দেখুৱাবলৈ নাট্য-কাৰে বহুত বচন আৰু কৰণ প্ৰয়োগ কৰিছে। নৱমী ফুলবাৰী, সংসাৰৰ আওভাও নুবুজা আজলী ছোৱালী। হ'লেও যৌৱন কালত ইন্দ্ৰয়বল পৰম বল। ইয়াৰ মহিমাত বোবাও বাচাল হয়। নৱমীৰো সেয়ে হ'ল। ৰামচন্দ্ৰত আত্মসমৰ্পণ কৰিলে। এবাৰ আগপিছ গুনিবলৈকো সময় নাপালে, ধৈৰ্যয়ো নাটিলে। নাকত ধৰি চাকত ঘুৰাই উন্মুখ ইন্দ্ৰিয়-বৃত্তিয়েই তেওঁক দিনত বিধৱা বেশে থাকি ৰাতি অলঙ্কাৰ সেন্দুৰ পিন্ধা অঙ্কশায়িনী গাভৰু হবলৈ শিকালে। "ৰাতি পিন্ধো দিনত হলে খহাই থওঁ—" নৱমীৰ মুখৰ এই বচনটো তাৎপৰ্যপূৰ্ণ। প্ৰকাশ আৰু গুপুতৰ দ্বন্দ্ব তেওঁৰ জীৱনত আৰম্ভ হৈছে। আজলী বিধৱাই তাৰ মেৰ পাকত পৰি উৱাদিহ পোৱা নাই। কেৱল "অন্ধেনৈৰ নীয়মানা" হৈ আগুৱাই গৈছে। কামনাৰ সম্ভোগৰ শিক্ষা বয়সে দিলেও সেই শিক্ষাই আধা বাটতে চোঠেঙীয়া কৰি বিপাঙত পেলায়। সংসাৰৰ আও ভাওৰ শিক্ষা বয়সে নিদিয়ে। নিজৰ কামফেৰা সাধি বয়স উপশান্ত হয়। নৱমীৰো সেয়ে হ'ল। নিজৰ অন্তঃসত্বা অৱস্থাৰ কথাও নিজে বুজিবলৈ যিখিনি আওভাও জানিব লাগে তাকো নাজানিছিল। স্বভাৱৰ সুযোগ লৈ যৌৱনে টানি নি নি অশান্তিৰ ধামখুমীয়াত পেলাবলৈ যত্ন কৰে। সেই কাৰণেই আত্মহত্যাৰ আগমুহূৰ্তত চেঙা তেলত ধৰফৰোৱা জীয়া মাছৰ নিচিনাকৈ নৱমীয়ে কৈছে—"যি দেশত এনে দেশাচাৰ তাত মানুহ জন্ম নধৰে। জন্ম হলেও যেন তিৰোতা নহয়। তিৰোতা হলেও

যেন বিধৱা নহয়। বিধৱা হলেও যেন প্ৰথম অৱস্থাত নহয়।”

ৰামচন্দ্ৰ কিন্তু এক ইন্দ্ৰিয়াসক্ত অথচ দ্বিধাগ্ৰস্ত দুৰ্বল-চিতীয়া যুৱক। তেওঁৰ চৰিত্ৰই নাটকত ভালকৈ গোট মাৰিব পৰা নাই যদিও নাটকৰ এটা উদ্দেশ্য ভালকৈ সাধন কৰিছে। সেইটো হৈছে এই যে বিধবাৰ জীৱনৰ আলৈ-আথানিৰ কাৰণে দায়ী এই ধৰণৰ দ্বিধাগ্ৰস্ত দুৰ্বলচিতীয়া ডেকাৰ নিশ্চয়হীনতা। ৰামচন্দ্ৰই গোপনে নৱমীৰ সৰ্বনাশ কৰাৰ লালসা দমন কৰিবযে নোৱাৰিলেই সৰ্বনাশ কৰাৰ পিছতো নৱমীক প্ৰকাশ্যে পত্নীৰূপে গ্ৰহণ কৰি সমাজৰ সন্মুখীন হবলৈ আৰু জীৱনৰ যুঁজত অৱতীৰ্ণ হ'বলৈ সাহস গোটাব নোৱাৰিলে। আনকি, তাক এবাৰ ভাবি চাবলৈকো চেষ্টা নকৰিলে। ৰামচন্দ্ৰৰ বচন আৰু কাৰ্য কতো নবমীক প্ৰকাশ্যে গ্ৰহণ কৰাৰ কথা এবাৰ ভুলতো উন্মুকিওৱা নাই। উপৰন্তু বন্ধু কামদেৱক ধন্যবাদ জনাইছে যে তেওঁৰ উপদেশত যে নৱমীৰপৰা মন পালটাব পাৰিছে—“তোমাৰ আশীৰ্ব্বাদত যে বন্ধো মনৰ গতি লৰিল ইয়াতে সন্তুষ্ট হৈইছোঁ।···কি পাপৰ কাৰ্য্য।” উদ্দেশ্যমূলকভাৱেই ৰামচন্দ্ৰৰ চৰিত্ৰ নাট্যকাৰে এনেদৰে চিহ্নিত কৰিছে। ৰামচন্দ্ৰই দিয়া কটাৰীৰেই নৱমীয়ে ডিঙিত ৰেপ দিলে।

মিলন-ৰাতিৰ দিনা দিয়া কামনাৰ তীক্ষ্ণধাৰ কটাৰীয়েই নৱমীৰ বধৰ ভাগী হ'ল—কটাৰীখন কামনাৰ এক প্ৰতীকহে। নহলে কটাৰীখন দিয়াৰ অন্য নাটকীয় হেতু নাছিল!

ৰামচন্দ্ৰৰ সখীপ্ৰাণা ৰাংধালী জয়ন্তীৰ বাহিৰে বাকী চৰিত্ৰবিলাক ব্যক্তিত্বৰ সাঁচ লৈ মূৰ্ত হৈ উঠা নাই। কেৱল শেষৰ মহাজনৰ চৰিত্ৰত এটা বিশেষত্ব আছে। চৰিত্ৰ হিছাপে মহাজনৰ ভূমিকা নিচেই অলপীয়া আৰু সিও লেহুকা। সপোন এটা দেখাৰ লগে লগে আজন্ম কাল কোঢ়ামুঠীয়াকৈ ধৰি থকা সংস্কাৰ আৰু বিশ্বাস মুহূৰ্ত্ততে উৱলি গ'ল। শিৱকান্তৰ ঘাট-পানী এলাগ কৰি পাঁচশ টকা দণ্ড লিহা মহাজনেই সপোন এটা দেখি পিছদিনা পুনায় অনুতাপৰ সুৰত ঘোষণা কৰিলে—

এতিয়াহে জানিলোঁ নৱমী সতী সাধ্বী। ময় কি কুকৰ্ম কৰিলোঁ। ময়েই ইহঁতৰ বধৰ ভাগী হলোঁ। প্ৰভো মোক দোষ নধৰিবা। যেনে দেশাচাৰ তেনে কৰিছোঁ।"

মহাজনৰ চৰিত্ৰৰ আচম্বিত পৰিবৰ্ত্তনৰ মূলত এটা সপোন। "এটী অতি বুঢ়া বামুন, গায়ে গতিয়ে চুটী-চাপৰকৈ আদ বয়সীয়া বঙালি বামুন এটি লগত লই আহি" গোসাঁনীক "কলে ····মোৰ গাত এইবিলাক খোচ··· মাৰিলা।" ইত্যাদি এই অতি বুঢ়া বামুনজন হ'ল পৰাশৰ আৰু চুটি-চাপৰকৈ আদবয়সীয়া বঙালী বামুণজন হ'ল ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ। গতিকে এই সপোন দেখোঁতা মহজনো অসমীয়া হিন্দু বা বিশেষকৈ অসমীয়া ব্ৰাহ্মণ সমাজৰ প্ৰতিভূ বা প্ৰতীক। পৰাশৰ আৰু বিদ্যাসাগৰৰ মতৰ প্ৰভাৱত মহাজনৰ নিচিনাকৈ অসমীয়া সংৰক্ষণশীল সমাজৰো মত সলনি হৈ যাব, এয়ে নাট্যকাৰৰ আশা। অতি বুঢ়া বামুণ, আদবয়সীয়া বঙালী বামুণ আৰু মহাজন এই তিনিওকে আশ্ৰয় কৰি যি সপোন ৰূপ লৈছে সেই সপোন গুণাভিৰামৰ। এয়েই হ'ল নাটকত প্ৰবিষ্ট অতিপ্ৰাকৃত উপায় স্বপ্ন দৰ্শনৰ তাৎপৰ্য।

ৰামনৱমী নাটক গ্ৰন্থকাৰৰ কম বয়সৰ ৰচনা। কম বয়সৰ চিন ভাৱালুতা আৰু ইন্দ্ৰিয়নিষ্ঠতাই নাটকখনৰ সংলাপ আৰু কাহিনী ভাগক দৰৈ ভেজি আছে। এই লক্ষণবোৰে নাটকত গা কৰিবলৈ পোৱাৰ আন এটা কাৰণ হ'ল সংস্কৃত নাটকৰ অনুকৰণ। সংস্কৃত নাট্যশাস্ত্ৰৰ নয়ন-প্ৰীতিৰ পৰা মৰণলৈকে প্ৰেমৰ দশাৱস্থাৰ কথাও নাট্যকাৰৰ মনৰ পৰা আঁতৰি থকা নাই। ৰামচন্দ্ৰই নৱমীৰ অবিহনে দশমী দশাৰ আশঙ্কা কৰিছে। ফুলনীত নৱমী আৰু ৰামচন্দ্ৰৰ প্ৰথম নয়ন-প্ৰীতি সংস্কৃতানুকাৰী অলঙ্কাৰ বচনবোৰ কাঁইটে বিন্ধাৰ ছলেৰে প্ৰিয়ক উভতি চোৱা আদি সকলোতে সংস্কৃত নাটকৰপৰা ধাৰ কৰা অঙ্গ বৰ্তমান। শৃঙ্গাৰ-ৰস প্ৰধান সংস্কৃত নাটকত ৰস-সৃষ্টিৰ আলম্বন হ'ল নায়ক নায়িকাৰ দেহজ প্ৰেম। এই প্ৰেমৰ বৰ্ণনা কেতিয়াব

মুক্ত আৰু নিৰাবৰন। তাক আধুনিক ৰুচিত খাপ খুৱাবলৈ প্ৰতিভাৰ প্ৰয়োজন। গুণাভিৰামৰ তেনে প্ৰতিভাৰ সাক্ষ্য ৰামনৱমীয়ে নিদিয়া নহয় কিন্তু সেই প্ৰতিভা তেতিয়াও চালুকীয়া। দুখৰ বিষয় নাট্যকাৰ হিচাপে তেওঁৰ প্ৰতিভাৰ পূৰ্ণৰূপটো দেখাৰ সুযোগ অসমীয়া ৰাইজে নাপালে। অসমাপ্ত নাটক বিৱাহ ৰহস্যৰ দুটা দৃশ্য মাথোন 'আসাম বন্ধু'ত প্ৰকাশিত হৈছিল। এই দুটা দৃশ্যতে বস্তু উপস্থাপনৰ কৌশল, সংলাপ পত্ৰোচিত বাস্তৱতা আৰু চৰিত্ৰৰ ৰূপ এই কেউ বিষয়তে পৈণত নাটকীয় কলা-কৌশলৰ সুস্পষ্ট ৰেখা বিৰিঙি উঠিছে। দুটা দৃশ্যতে ছোৱালীৰ লোভ দেখুৱাই ডেকাল'ৰাৰ টোপোলা খোৱা সুনন্দ গাওঁবুঢ়াৰ চৰিত্ৰই গঢ় লওঁ লওঁ হৈছে। এই নাটক সম্পুৰ্ণৰূপেহে ৰাইজৰ আগত ওলাবলৈ নাপালে। অসমীয়া সাহিত্যত এই পায়ো নোপোৱাৰ লোভ চিৰ কাললৈ থাকি গ'ল।

'ৰামনবমী' নাটক ৰচিত হোৱাৰ পিছত অভিনীত হৈছিল নে নাই ক'বলৈ তথ্যপাতি পোৱা নাই। পিছে নাট্যকাৰৰ হাতত প্ৰায় তেৰ বছৰ কাল পৰি থকাৰ যি সংবাদ নাট্যকাৰে নিজে দিছে তাৰপৰা অনুমান হয় নাটকখনৰ অভিনয় কৰাৰ সুযোগ কোনেও পোৱা নাছিল। কোনো মঞ্চক মনৰ মাজত ৰাখি এই নাটক লিখা হোৱা নাছিল। কলিকতাৰ মঞ্চৰ আও ভাওনাৰ কাৰণেও এই নাটক উপযোগী নাছিল। মঞ্চ থকা হলেও অপৰিবৰ্তিতভাৱে ইয়াক মঞ্চগামী কৰা সহজ নহ'লহেঁতেন! অন্তঃসত্তা অৱস্থাৰ লক্ষণ চাবলৈ স্তন পৰীক্ষা, মিলনসম্ভোগপূৰ্বিক দীপনিৰ্বাণ, ঘৰৰ চতিত ফাঁচ লগাই ডিঙিত ফাঁচি লগোৱা আদি কাৰ্য্য মঞ্চৰ উপযোগী হ'ব নোৱাৰে, অন্ততঃ সেইদিনত। মঞ্চকৌশলৰ প্ৰয়োগত নাট্যকাৰ তেতিয়াও পাৰ্গত বুলি ক'ব নোৱাৰি।

ৰামনৱমী নাটক প্ৰথম প্ৰকাশিত হোৱা আজি প্ৰায় এশ বছৰ হল। সেই পুথিৰ এটি প্ৰতিও অসমৰ কোনো ঠাইত নৰল। গুণাভিৰাম বৰুৱাৰ সুযোগ্য পুত্ৰ জ্ঞানদাভিৰাম বৰুৱাৰ হাতত বোলে এখন আছিল, পিছে তাকো কোনোবাই নি নোহোৱা কৰিলে। ১৯৩৮ চনত যেতিয়া স্বৰ্গীয় শ্যামাপ্ৰসাদ মুখোপাধ্যায়ৰ অপুপ্ৰেৰণাত অসমীয়া ভাষা আৰু সাহিত্যক কলিকাতা বিশ্ববিদ্যালয়ৰ এম. এ. মহলাত স্থান দিয়া হল তেতিয়া তাৰ কাৰণে যি পাঠ্যক্ৰম প্ৰস্তুত হৈছিল তাৰ নাটক বিষয়ক পত্ৰত ৰামনৱমীক পাঠ্যভুক্ত কৰা হৈছিল। পাঠ্যভুক্ত হে হল পঠন-পাঠন হলে সম্ভৱ নহল— কিতাপৰ অভাবত। স্বৰ্গীয় যতীন্দ্ৰনাথ দুৱৰাই এই নাটকৰ বিষয়ে যি জানিছিল তাকেই শুনি লৈ পাল-মৰা ধৰণে ছাত্ৰক দুই আষাৰ কোৱা হৈছিল। অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখক দেবেন্দ্ৰনাথ বেজবৰুৱা আৰু ডিম্বেশ্বৰ নেওগৰ সাহিত্যৰ ভূমুকি আৰু জিলিঙনিটো সবিশেষ ভাবে একো নাছিল। শ্ৰীনেওগৰ সম্প্ৰতি ওলোৱা 'New light on History of Assamias literature' গ্ৰন্থত ৰামনৱমীৰ আলোচনা অলপ আছে, কিন্তু মূল পুথি পঢ়িবলৈ সুযোগ নোপোৱা বাবেই নে কি সপোন দেখা খণ্ডৰ যি অলপ উদ্ধৃতি আছে সিও বৰ্তমান ছপা পুথিৰ পাঠৰ পৰা আঁতৰ। স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীয়ে 'উষা' কাকতত পদ্ম গোহাঞী বৰুৱাৰ গদাধৰ নাটকৰ সমালোচনা কৰোতে ৰামনৱমী নাটকৰ উল্লেখ কৰিছিল। ৰামনৱমীৰ হাতেলিখা কপি এটা ডাঃ সূৰ্যকুমাৰ ভূঞাৰ যত্নত প্ৰস্তুত হয় ইণ্ডিয়া হাউছত থকা এটি প্ৰতিৰ সহায়ত। এই নাটকৰ দ্বিতীয় প্ৰতিটো বিচাৰি উলিয়ালে পুৰণিলুতুৰা অধ্যাপক যতীন্দ্ৰমোহন ভট্টাচাৰ্যই বঙ্গীয় সাহিত্য পৰিষৎ গ্ৰন্থাগাৰত থকা ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ সংগ্ৰহৰ পুৰণি ধোৰাকলীয়া কিতাপৰ মাজৰপৰা। বৰ্তমান সম্পাদিত প্ৰকাশনৰ আধাৰ গ্ৰন্থ বঙ্গী সাহিত্য-পৰিষদত সযত্নে ৰক্ষিত এই পুথিখনেই।

এই হেৰোৱা ৰত্নৰ পুনৰুদ্ধাৰৰ সন্তোষ আৰু গৌৰব অৰ্জন কৰিবলৈ ঈশ্বৰে সুযোগ দিলে মহাজনে সপোনত দেখাজনৰ নিচিনা "গায়ে গতিয়ে চুটী চাপৰকৈ আদবয়সীয়া বঙালী বামুণ" গুৱাহাটী বিশ্ববিদ্যালয়ৰ বঙলা ভাষা আৰু সাহিত্যৰ-প্ৰমুখ অধ্যাপক বন্ধুৱৰ শ্ৰীযতীন্দ্ৰমোহন ভট্টাচাৰ্যক।

Accession No.
23972



যি কেইজন অনা-অসমীয়া ভাৰতীয়ই অসমৰ বুৰঞ্জী, প্ৰত্নতত্ত্ব, আৰু সাহিত্যৰ কাৰণে কঠোৰ পৰিশ্ৰম কৰিছে তাৰ ভিতৰত অধ্যাপক ভট্টাচাৰ্যৰ নামো স্মৰণীয় হৈ থাকিব। চিলেট জিলাত জন্মলাভ কৰা অধ্যাপক মহামহোপাধ্যায় পদ্মনাথ বিদ্যাবিনোদৰ কামৰূপশাসনাৱলীৰ আজিও অসমৰ বুৰঞ্জীসেৱীৰ অাপ্ৰুকণীয়া ধন। ৰাজমোহন নাথৰ বিভিন্ন অধ্যয়ন আৰু প্ৰত্নতাত্বিক উদ্ধাৰ অসমীয়া বুৰঞ্জী আৰু কলাৰ গবেষকৰ কাৰণে প্ৰয়োজনীয় সম্পদ হৈ থাকিব। প্ৰস্তুত গ্ৰন্থ ৰামনৱমীৰ সম্পাদন আৰু প্ৰকাশ আৰু ইয়াৰ পূৰ্বে প্ৰকাশিত হোৱা হলিৰাম ঢেঁকিয়াল ফুকনৰ 'অসম বুৰঞ্জী' এই দুয়োটা সাহিত্যকৰ্মই ভট্টাচাৰ্যক অসমীয়া সাহিত্যৰ গবেষণা ক্ষেত্ৰত যশস্বী কৰিছে। সন্তোষৰ কথা তেখেতে অসমীয়া সাহিত্যৰ বিষয়ে আনে নকৰা বা মন কাণ নিদিয়া কেইবাটাও কাম হাতত লৈছে আৰু বহুতখিনি আগো বাঢ়িছে। বঙ্গভাষা আৰু সাহিত্যৰ অধ্যাপক অসমীয়া সাহিত্যৰ এনে অহৈতুকী সেৱাই অসমীয়া আৰু বঙালী সাহিত্য ব্ৰতী উভয়ক পথ প্ৰদৰ্শকৰূপে অনুপ্ৰাণিত কৰিব। পথ প্ৰদৰ্শকৰূপে বুলি কোৱাৰ এটা কাৰণ আছে। ৰামনৱমী এখন সৰু নাটক, এশ বছৰৰো আগতে লিখা। নাটক হিচাপে তাৰ সাহিত্যিক মূল্য নিৰূপণ কৰিলে সি শ্ৰেষ্ঠ অসমীয়া নাটকৰূপে পৰিগণিত হব বুলি কব নোৱাৰি। তথাপি এই নাটকখনক আশ্ৰয় কৰি এখন মহাভাৰত হেচা খাই আছে। সেই সময়ৰ সাহিত্য-ধাৰা সমাজ-গতি, ভাষাৰ স্বৰূপ আদি বহুত কথা ৰামনৱমী নাটকে উজাৰি লুকুৱাই প্ৰকট কৰিছে। অধ্যাপক ভট্টাচাৰ্যই পাতনিত সেই মহাভাৰত উদঙাই দিবলৈ যি চেষ্টা কৰিছে সি প্ৰশংসনীয় আৰু অনুকৰণীয়। গুণাভিৰামৰ জীৱন, কাৰ্য্যাৱলী, সাহিত্য-সেৱা, সমাজ-হিতৈষণা এই সকলোবোৰৰ পুঙ্খানুপুঙ্খ আলোচনা যি কৰিছেই, তাক এৰিও গুণাভিৰামৰ বিষয়ে বহুত নজনা কথাৰ অনেক হেৰাই যোৱা তথ্যৰ, আৰু সংগ্ৰহ ভড়ালত অজ্ঞাত হৈ পৰি থকা পুৰণি সংবাদপত্ৰ আৰু আলোচনীত লুকাই থকা বহুমূলীয়া সংবাদ সাগৰ চালি মাণিক তোলাৰ দৰে উদ্ধাৰ কৰিছে। অসমীয়া সাহিত্যৰ উঠি অহা গবেষক ডেকা সকলে ভট্টাচাৰ্যৰ পৰা আৰ্হি লওক, তেখেতৰ নিচিনাকৈ পৰিশ্ৰম কৰিবলৈ শিকক, আৰু সবাতোকৈ সাহিত্য-উপাসনাৰ প্ৰতি অহৈতুকী প্ৰীতিৰ কৰ্ষণ কৰক—এইয়ে কামনা। ইতি ( ১২।৭।৬৫ ) ইং